# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৰৱণী
## তাৰিখ ঃ ০৭/০৩/২০২০ শনিবাৰ

**আজি ইংৰাজী ০৭-০৩-২০২০ তাৰিখে ৰাতিপুৱা ০৯ঃ৩০ বজাৰ পৰা ১৪ তম অসম বিধান সভাৰ বাজেট অধিবেশন পূৰ্ব নিৰ্দ্ধাৰিত কাৰ্য্যসূচীমতে অনুষ্ঠিত হয়।**

**মাননীয় অধ্যক্ষ ঃ** মই প্ৰথমতে কাৰ্য্য উপদেষ্টা সমিতিৰ প্ৰতিবেদনখন পাঠ কৰিব বিচাৰিছো। অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ নিয়ম **২৩০**ৰ অধীনত অসম বিধান সভাৰ চলিত বাজেট অধিবেশনত ইং ২০২০-২০২১ চনৰ বাজেটৰ ওপৰত সাধাৰণ আলোচনাৰ বাবে সকলো দল আৰু নিৰ্দলীয় সদস্য সকলক সময় আৱন্টন দিবলৈ যোৱা ইং **৬** মাৰ্চ, **২০২০** তাৰিখে আবেলি অধিবেশনৰ কাৰ্য্যসূচী অন্ত পৰাৰ লগে লগে অধ্যক্ষৰ কাৰ্য্যালয়ৰ সন্মিলন কক্ষত কাৰ্য্য উপদেষ্টা সমিতিৰ এখন বৈঠক অনুষ্ঠিত কৰা হয়।

সমিতিয়ে অহা ইং ১০ মাৰ্চ, ২০২০ তাৰিখৰ সদনৰ নিৰ্দ্ধাৰিত কাৰ্য্যসূচী ফাকুৱা (Local Holiday) উপলক্ষে বন্ধৰ বাবে এই গোটেই কাৰ্য্যসূচী খিনি বাতিল কৰি ইং ১২ মাৰ্চ, ২০২০ তাৰিখলৈ পিছুৱাই নিয়াৰ সিদ্ধান্ত লয় অৰ্থাৎ ১০ মাৰ্চৰ কাৰ্য্যসূচী খিনি ১২ মাৰ্চলৈ নিয়া হ'ব আৰু ১০ মাৰ্চৰ কাৰ্য্যসূচী খিনি বৃহস্পতিবাৰে লোৱা হ'ব আৰু বিভাগীয় ভাৱে সম্পৰ্কিত স্থায়ী সমিতিৰ বৈঠক সমূহ ইং ১৩ মাৰ্চ, ২০২০ তাৰিখৰ পৰা ইং ২৩ মাৰ্চ, ২০২০ তাৰিখলৈ অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয় ।

সমিতিয়ে সৰ্বসন্মতিক্ৰমে আজি ইং ৭ মাৰ্চ , ২০২০ আৰু ১১, ১২ মাৰ্চ , ২০২০ তাৰিখে সদনত বাজেট ৰ ওপৰত সাধাৰণ আলোচনাৰ কৰাৰ বাবে সকলো দল আৰু নিৰ্দলীয় সদস্য সকলক তলত দিয়া ধৰণে সময় আৱন্টন দিয়া হয় ।

**বাজেটৰ ওপৰত সাধাৰণ আলোচনাৰ বাবে ধাৰ্য্য কৰা সময় এনে ধৰণৰ ঃ-**

| | | |
|---|---|---|
| মুঠ সময় | - | ৮ ঘণ্টা |
| ১। ভাৰতীয় জনতা পাৰ্টি | - | **২১০** মিনিট (মাননীয় বিত্তমন্ত্ৰীৰ উত্তৰ সহ) |
| ২। ভাৰতীয় জাতীয় কংগ্ৰেছ | - | **৮০** মিনিট |
| ৩। অসম গণ পৰিষদ | - | **৫০** মিনিট |
| ৪। এ আই ইউ ডি এফ | - | **৫০** মিনিট |
| ৫। বি পি এফ | - | **৪২** মিনিট |
| ৬। নিৰ্দলীয় | - | **৪** মিনিট |

সমিতিয়ে অহা ২৪ মাৰ্চ, ২০২০ তাৰিখে ২০২০-২০২১ বিত্তীয় বৰ্ষৰ বাজেটৰ দাবী মঞ্জুৰীসমূহৰ ওপৰত বিশদভাৱে আলোচনাৰ পিচত সৰ্বসন্মতিক্ৰমে নিম্নোল্লেখিত দাবী মঞ্জুৰীসমূহ ভোটদানৰ বাবে অগ্ৰাধিকাৰ দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

| ক্ৰমিক নং | মঞ্জুৰী নং | দাবীৰ নাম | অগ্ৰাধিকাৰ ভিত্তিত নিৰ্দ্ধাৰিত নং |
|---|---|---|---|
| ১। | ৪৮ | কৃষি | ১ |
| | ৫৬ | গ্ৰাম্য উন্নয়ন (পঞ্চায়ত ) | |
| ২। | ৫৭ | গ্ৰাম্য উন্নয়ন | |

ওপৰোক্ত অগ্ৰাধিকাৰ দিয়া দাবী সমূহৰ ভোট দান সম্পৰ্কত হোৱা আলোচনাৰ অন্তত যদি সময় থাকে, বাকী থকা দাবীসমূহ একাদিক্ৰমে ভোটদানৰ বাবে আলোচনা কৰিবলৈ সমিতিয়ে সন্মতি জনায়।

আশাকৰো মাননীয় সদনৰ এই প্ৰতিবেদনত অনুমোদন আছে । এতিয়া আমাৰ বাজেটৰ ওপৰত সাধাৰণ আলোচনা আছে । মই প্ৰথমতে বিৰোধী দলৰ দলপতি শ্ৰী দেৱব্ৰত শইকীয়া ডাঙৰীয়াক তেখেতৰ বক্তব্য ৰাখিবলৈ অনুৰোধ জনাইছো ।

**শ্ৰী দেবব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱাকালি বিত্তমন্ত্ৰী ডাঙৰীয়াই সদনত যি বাজেট দাখিল কৰিলে সেইখন তেখেতে অন্তিম বাজেট বুলি কৈছে। কেতিয়াবা ভোট অন একাউণ্টও দিয়ে আৰু কেতিয়াবা সম্পূৰ্ণ বাজেটও দিয়ে। বাজেটখন দাখিল কৰি তেখেতে কৈছে যে প্ৰয়াত মতিৰাম বৰা, প্ৰাক্তণ ৰাষ্ট্ৰপতি ফকৰুদ্দিন আলী আহমেদ আৰু প্ৰাক্তণ কেন্দ্ৰীয় মন্ত্ৰী আৰু অসমৰ বিত্তমন্ত্ৰী কামাখ্যা প্ৰসাদ ত্ৰিপাঠীৰ শাৰী তেখেতে পূৰণ কৰিবলৈ সক্ষম হৈছে। বাজেটত তেখেতে 'সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস' মন্ত্ৰ ও আওঁৰাইছে। কিন্তু যদি খুব ভালকৈ বাজেটখন পৰ্য্যবেক্ষণ কৰা যায় তেতিয়াহ'লে দেখা যাব যে বাজেটৰ বিভাগ সমূহৰ মাজতো 'সবকা সাথ, সবকা বিকাশ' হোৱা নাই। এনে বৈষম্য মই কৃষি, উদ্যোগ,সেৱা আদি ক্ষেত্ৰত দেখা পাইছো। যি সময়ত বাজেটত এই তিনিওটা ক্ষেত্ৰতে বিগত বছৰ সমূহত আমি নিম্নগামী দৃশ্য অসমৰ ক্ষেত্ৰত দেখা পাইছো। সৰ্ব্বভাৰতীয় নিবনুৱাৰ হাৰ ৬.১ শতাংশ কিন্তু অসমৰ ক্ষেত্ৰত সেইয়া ৮.১ শতাংশ। ২০১৬ চনৰ ৩ জুনত প্ৰথম বাজেট বিত্তমন্ত্ৰী ডাঙৰীয়াই দাখিল কৰোতে এখন শ্বেতপত্ৰ প্ৰকাশ কৰিছিল আৰু তাত তেখেতে কেইটামান কথা উল্লেখ কৰিছিল। "বছৰি বছৰি বাজেটৰ আকাৰ বৃদ্ধি পাইছে"। বাজেটৰ আকাৰ ২০১১-১২ বৰ্ষত ৩৮,৫৬২ কোটিৰ পৰা ২০১৫-১৬ বৰ্ষত ৭২,৫৭২ কোটিলৈ বৃদ্ধি হৈ প্ৰায় দুগুণ হৈছে। ৫ বছৰত ৮৮ শতাংশ আৰু তেখেতে অন্যান্য কথাৰ লগতে এইটো কৈছিল এই বৃদ্ধি কৃত্ৰিম। অতি নিম্ন ব্যয়ৰ প্ৰধান কাৰণ উপযুক্ত বিত্ত যোগানৰ অভাৱ, আভ্যন্তৰীণ সম্পদ সৃষ্টিত গুৰুত্ব প্ৰদান কৰা হোৱা নাছিল আৰু বাজেট সম্বন্ধীয় ব্যৱস্থা পূৰণৰ বাবে ৰাজ্যত পৰ্যাপ্ত পুঁজিও নাছিল । দৰমহা আৰু পেঞ্চনৰ শিতানত সৰ্বাধিক ধন ব্যয় হৈছিল আৰু বাকী থকা ধন খিনি মূলতঃ ৰাজনৈতিক মুনাফা অৰ্জনৰ অৰ্থে অনুৎপাদনশীল আৰু অপচয়মূলক কামত ব্যয় হৈছিল । কিন্তু আমি যদি বৰ্তমান সোণোৱাল চৰকাৰখনৰ বাজেটটো চাওঁ তেতিয়াহ'লে আমি কিন্তু প্ৰায় একে অৱস্থাই দেখিবলৈ পাওঁ । ইয়াৰ বিতং তথ্য আমাৰ হাতত আছে । ২০১৬-১৭ চনৰ বাজেটত ধৰা হৈছিল ৮৩,০১৭ কোটি টকাৰ ভিতৰত ইয়াৰে ৫৭,৪০৬ কোটি টকা ব্যয় কৰা হৈছে । তেনেকৈ ২০১৭-১৮ বৰ্ষত ৯৯,৪৫৩ কোটি টকাৰ ব্যয় কৰা হৈছিল ৬৮,২৩৬ কোটি টকা । ইয়াৰে যদি আমি অন্য কেতবোৰ শিতানত চাওঁ আমি দেখা পাওঁ যে তেওঁলোকৰ Capital and Revenue Expenditure ৰ যথেষ্ট ব্যৱধান আছে যিটো প্ৰকৃততে Capital Infrastructure বাঢ়িলে ভাল বুলি কোৱা হয় । সেই ক্ষেত্ৰত কিন্তু আমি পিছত আছিলো

আৰু যোৱা সময় ছোৱাত Revenue Expenditure বেছি আছিল । এই Revenue Expenditure বেছি হোৱা মানে চৰকাৰৰ যিখিনি committed liability, দা-দৰমহা, পেঞ্চন বা বেংকৰ ঋণ, সূত পৰিশোধ এই গোটে ইখিনিয়ে বেছিকৈ বুজোৱা হৈছিল আৰু এইদৰে আমাৰ মূল যিখিনি হ্ৰস্বম্যাদী পুঁজি যোগানেৰে কোনো দীৰ্ঘম্যাদী কাম কৰিব বিচৰা হোৱা নাছিল । এইবাৰৰ বাজেটখনতো ৰেভিনিউ এক্সপেণ্ডিচাৰ বেছি হৈছিল। ৰেভিনিউ এক্সপেণ্ডিচাৰ বেছি হোৱাৰ কাৰণে চৰকাৰৰ যিখিনি কমিটেড লাইবিলিটি এইখিনি দৰমহা, পেনশ্যন বা বেংকৰ ঋণৰ সুত পৰিশোধ এই খিনি বেছিকৈ বুজোৱা হৈছিল। হ্ৰস্বম্যাদী পুঁজি যোগানেৰে দীৰ্ঘম্যাদী কোনোখিনি কাম কৰা হোৱা নাছিলে। এইবাৰৰ বাজেটখনতো ঠিক তেনেকৈ যিখিনি ধৰা হৈছে টোটেল তাৰ যোৱা বাৰৰ চেঞ্জ হৈছে, ৰিভাইছড এষ্টিমেট ১৯ -২০ পৰা ২০ -২১ চনত ২৩ শতাংশ আৰু কেপিটেল এক্সপেণ্ডিচাৰৰ ক্ষেত্ৰত মাত্ৰ ২০ শতাংশহে তেওঁলোকে এইবাৰ খৰছ কৰাৰ বাবে দিছে এইটো দেখা গৈছে। যিসমূহ চেক্টৰত বেছিকৈ কাম হ'লে ভাল বুলি আমি ক'ব পাৰো সেইখিনি চেক্টৰত কিন্তু পুঁজি আবন্টণ যোৱা বছৰতকৈ কম হৈছে। উদাহৰণ স্বৰূপে কালি কোৱা হৈছিল যে আমাৰ ৰাজ্যৰ যি জি এচ টি পি বৃদ্ধি হৈছে এই বৃদ্ধিৰ ক্ষেত্ৰত ৩ টা চেক্টৰে অৰিহণা যোগাইছিল। এগ্ৰিকালচাৰ চাৰ্ভিছ চেক্টৰ আৰু ইণ্ডাষ্ট্ৰী চেক্টৰ। কিন্তু এইখিনি ক্ষেত্ৰতো আমাৰ ২০১৬-১৭- ২০ ১৭-১৮ আৰু ২০১৮-১৯ যদি আমি চাওঁ ২০১৭ -২০১৮ চনত ইয়াৰ হাৰ নিম্নগামী হৈছে। য'ত চাৰ্ভিচেছৰ ক্ষেত্ৰত ২০১৭-১৮,১৫.৪ শতাংশ আছিল২০১৮-১৯ত ই নিম্নগামী হৈ ৭.৩ শতাংশ হৈছে। ঠিক তেনেকৈ ২০১৬-১৭ মেনুফেকচাৰিংত আছিল আমাৰ কনট্ৰিবিউশ্যন ১৫.৬ শতাংশ নামি ২০১৮-১৯ত৬.২ শতাংশ হৈছে। এগ্ৰিকালচাৰ চেক্টৰতো-২০১৭-১৮ তত.৭ শতাংশৰ পৰা বৰ্ত্তমান সময়ত ৩.৪ হৈছে। কিন্তু আটাইতকৈ বেছি কনট্ৰিবিউশ্যন জি এচ টি পিৰ ক্ষেত্ৰত এই তিনিটা চেক্টৰৰ পৰাই আহিছিল আৰু এইখিনি হৈছিল ২৯ শতাংশ আৰু ২৭ শতাংশ আৰু ৪৪ শতাংশ । অধ্যক্ষ মহোদয়, কাম কৰিবলৈ হ'লে পুঁজিৰ আবন্টণ হ'ব লাগিব। দেখা গ'ল- ২০১৮-১৯ একচুৱেলতকৈ ১৯-২০ৰ ৰিভাইজত যিমান হৈছিল- উদাহৰণ স্বৰূপে যদি আমি ল'ব বিচাৰো ৰাটাৰ চাপ্লাই, ৰাটাৰ চাপ্লাইত যিটো ২০১৯-২০ ৰিভাইছড আছিল ৮৫২১ কোটি টকা কিন্তু প্ৰথমে আমি বাজেটত ধৰিছিলো ৬২০৪ কোটি টকা। এইবাৰ ধৰা হৈছে ৰিভাইছড এষ্টিমেটত ৭৩৭৫ কোটি টকা । যদিও কোৱা হৈছে যে আমাৰ সকলোৰে গ্ৰাম অঞ্চলত পানী পাব, ঘৰে ঘৰে টেপৰ পানী পোৱা যাব। ১৩ শতাংশ কিন্তু আমাৰ বাজেট হ্ৰাস কৰা হৈছে। ঠিক তেনেকৈ স্বাস্থ্যৰ ক্ষেত্ৰতো ১৫ শতাংশ ১৯-২০ ৰিভাছ তকৈ ৬৪৯৬ কোটি টকা ধৰা হৈছে। আটাইতকৈ বেছি দুটা খণ্ডত কমাই দিয়া হৈছে যদিও যোৱা সময়ত আমি সকলোৰে কৈ আছো যে কৃষিক আমি গুৰুত্ব দিম। মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ণ যোজনা হ'ব। আৰু গ্ৰাম্যঞ্চলত পঞ্চায়তৰ কাম আগতকৈ বহুত কৰিম। কৃষি ক্ষেত্ৰত যদি চাওঁ ২০১৯ চনত বাজেট আছিলে ৫৫৯৩ । ইয়াক ৰিভাইজড কৰা হৈছিল ৬৯৬৮ লৈ। কিন্তু এইবছৰ ২০১৯-২০তকৈ কমাই ৫০৭২ কোটি টকা কৰা আবন্টন কৰা হৈছে। যিটো ২৭ শতাংশ কম। গতিকে আমি ৰাজ্যত কৃষি খণ্ডক যদি গুৰুত্ব নিদিও তেন্তে ৰাজ্যৰ অৰ্থনীতি কি হ'ব সকলোৰে অনুভৱ কৰিব পাৰে। ঠিক তেনেকৈ ৰুৰেল ডেভ'ল'পমেন্টৰ ক্ষেত্ৰত ২০১৯-২০ ত ধৰা হৈছিল ৫০৯৩ কোটি টকা আৰু এই বছৰ ধৰা হৈছে ৩৮২৯ কোটি টকা অৰ্থাৎ ৪৫ শতাংশ হ্ৰাস কৰা হৈছে গ্ৰাম্য অঞ্চলৰ বাবে পুঁজিৰ আবন্টন। তাৰ পিছতো আমি কৈ আছে যে আমি বহত কাম কৰিম গাওঁ অঞ্চলৰ বাবে। ঠিক তেনেকৈ আমাৰ মূল ঘোষণা পত্ৰতে আছে যে ব্ৰহ্মপুত্ৰ আৰু উপনৈসমূহৰ বান পানী আৰু খহনীয়াৰ সমস্যা সমাধান কৰিবলৈ এই চৰকাৰখনে অতি আন্তৰিকতাৰে কাম কৰিব

আৰু তাৰ পিছতো আমি দেখা পাইছো ইৰিগেশ্যন আৰু ফ্লাড কনট্ৰ'লৰ বাবে ২৫ শতাং পুঁজি এই বাৰ কমকৈ ধৰা হৈছে- ২০১৯- ২০চনত ২৩৭০ কোটি টকা ধৰা হৈছিল। ইয়াক ৰিভাইছড কৰি কৰা হ'ল ৩৮৪৮ কোটি টকা যিটো আমি চাপ্লিমেন্টৰিৰ যোগেদি আমি পাছ কৰিছো। কিন্তু কিমান ব্যয় হ'ব এই তথ্য এতিয়ালৈকে দিয়া নাই। কিন্তু এতিয়া ৰিভাইছতকৈ কমাই২৮২৫ কোটি টকা কৰা হৈছে। ঠিক তেনেকৈ যদি আমি চাওঁ তেতিয়া হ'লে দেখা পাম যিবিলাক প্ৰকৃততে আমাৰ দীৰ্ঘম্যাদী আমাৰ সকলোৰে সমস্যা সমাধানৰ কাৰণে চৰকাৰখনে কাম কৰাৰ সুযোগ পায়, প্ৰতিশ্ৰুতি দিয়ে, সেই প্ৰতিশ্ৰুতি পূৰণ কৰাৰ বাবে চৰকাৰে ব্যৱস্থা লোৱা নাই বৰং নিৰ্ব্বাচনকেন্দ্ৰীক এখন বাজেট দি হিতাধিকাৰী সৃষ্টি কৰিছে। যিটো ক্ষেত্ৰতো চৰকাৰখনে নিজৰ কথাখিনিকে পুনৰ ঘুৰাই লোৱা যেন লাগে কাৰণ আগতে আমাক কোৱা হৈছে যে কংগ্ৰেছৰ দিনত মাছ খাবলৈ শিকোৱা হ'ল, মাছ ধৰিবলৈ শিকোৱা নহল। এই চৰকাৰখনে সেই পদ্ধতিক পৰিৱৰ্ত্তন কৰি মাছ কেনেকৈ ধৰে সেই কথা শিকাব আৰু তেনেধৰণৰ কাৰ্য্যসূচী ল'ব। কিন্তু এতিয়া মই যিখিনি কলো সেইখিনিৰ পৰা আমি দেখা পাইছো যে চৰকাৰখনে মাত্ৰ হিতাধিকাৰী সৃষ্টি কৰিছে আৰু এই হিতাধিকাৰী সকলে প্ৰকৃততে লাভাম্বিত হ'বনে তেওলোকক এনেধৰণৰ চৰকাৰী টকা হাতত দি ভৱিষ্যতে কি কৰিবলৈ যাম আমি ভৱিষ্যতে এই কথাটোত আমি সন্দিহান হৈছো। কাৰণ জন ধন মেলাৰ নামত বাগানত যিসকলৰ স্থায়ী কৰ্মচাৰী তেখেতসকলক একাউন্ট খুলি দিয়া হৈছিল আৰু কোৱা হৈছিল যেতিয়া প্ৰথম গাইডলাইন দিয়া হৈছিল - Transformation & Development Department ৰ পৰা । তেখেতসকলে অতি কমেও যদি ৬ মাহ ধৰি Bank Transaction কৰে তেতিয়া হ'লে তেখেতসকলক ফাৰ্ষ্ট ইনষ্ট'লমেন্ট ২৫০০ টকাৰ পিছত চেকেণ্ড ইনষ্ট'লমেন্ট মুঠ ৫০০০ হাজাৰ টকা দিয়া হ'ব। কিন্তু এই বিধান স ভাত আমি বহুতবাৰ প্ৰশ্ন তোলাৰ পিছত গম পালো যে ৮৫৩ খন ৰেজিষ্টাৰ্ড বাগানৰ ভিতৰত ৯৯ শতাংশ বাগানত ATM নাই যাৰ ফলত যিটো Cashless Economy কথা সন্মানীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই 'মন কী বাত'ত কৈছিল সেই কথাখিনিও যেন এটা ক'বলগীয়া কথা হৈ পৰিলে। তাৰ পিছত কোৱা হৈছে এইটো ৰিভাইভ কৰি ৰাখিবলৈ ৩০০০ কৈ টকা এই বছৰ দিয়া হ'ব। ঠিক তেনেকৈ বাগান অঞ্চলত যিটো দাবী চৰকাৰে খনে মানি লৈছিল যে,৩৫১ টকা মজুৰী বৃদ্ধি কৰা হ'ব সেইটো নকৰি বিভিন্ন ধৰণৰ আঁচনি ঘোষণা কৰা হৈছে। জনজাতিকৰণৰ কথাটোত কোনো গুৰুত্ব দিয়া হোৱা নাই যিটো কথা আজি ৭ বছৰ কমিটমেন্ট কৰা হৈ গ'ল। কিন্তু ১৪ হাজাৰ যুৱকক উদ্যমী কৰাৰ বাবে ২৫ হাজাৰকৈ টকা দিয়া হ'ব বুলি কৈছে। কিন্তু তেওঁলোকে কেনেকুৱা ইণ্ডাষ্ট্ৰি কৰিব, কি কৰিব এই ক্ষেত্ৰত কেনেধৰণে আগবঢ়া যাব কোৱা নাই। অসমত পূৰ্ব্বতে তেনেধৰণৰ এটা কথা হৈছিলে। এটা সময়ত পি চি ও দিছিল আৰু সকলোৰে পি চি ও দিছিল। যেতিয়া পি চি ও বিলাক বিফল হৈছিল বা বাছৰ পাৰমিট দিয়াৰ ব্যৱস্থা কৰা হৈছিল তেতিয়া সকলো বাছ ব্যৱসায়ী ক্ষতিগ্ৰস্ত হৈছিল। গতিকে এই বাজেটখন যে নিৰ্ব্বাচনমুখী বাজেট এই কথাটো আমি আঁচনিসমূহৰ পৰা গম পাব পাৰো। বিভিন্ন জনগোষ্ঠীয়ে তেওলোকৰ সমস্যাসমূহ সমাধান কৰাৰ বাবে নিজৰ নিজৰ স্বকীয়তা বা সংস্কৃতি ৰক্ষা কৰিবৰ কাৰণে যিসময়ত বিভিন্ন ধৰনৰ চৰকাৰৰ ওচৰত প্ৰস্তাৱ আগবঢ়াইছে সেইখিনি সময়ত বিভিন্ন জনগোষ্ঠীৰ বাবে পুঁজি আবন্টণৰ কথা কোৱা হৈছে। টাই আহোম ডেভল'পমেন্ট কাউন্সিলৰ কথা কোৱা হৈছে, তাত ১২৫ কোটি টকা দিয়াৰ কথা কৈছে। কিন্তু সংবাদ মাধ্যমত দুদিন আগতে প্ৰকাশ পালে, এজন টাই আহোম ডেভল'পমেন্ট কাউন্সিলৰ সদস্যই অভিযোগ কৰিছে যে ৩৫ লাখ

টকা আগৰ চৰকাৰে যিটো দিছিলে তাৰে প্ৰায় ৮০ শতাংশই আত্মসাৎ কৰিছে। ইয়াৰ এটা তদন্ত হ'ব লাগে। তেনেকৈ বান, খহনীয়া, উদ্যোগীকৰণ, বা দিব্যাঙ্গসকলৰ বাবে যেনেধৰণৰ আঁচনি লোৱাৰ কথা চৰকাৰখনে কৈছিল, সেইখিনি ক্ষেত্ৰত আমি কিন্তু একো কাৰ্য্যব্যৱস্থা লোৱা দেখা নাই। প্ৰতিবাৰে বাজেট আঁচনি ঘোষণা কৰা হয়, এককালীন সাহাৰ্য্য, চাইকেল, চিলাই মেচিন, সৌৰ চাকি, ৰিক্সা ইত্যাদি এইবাৰো সেই আঁচনিবিলাকৰ প্ৰয়োভৰ দেখা গৈছে। কিন্তু পূৰ্ব্বৰ চৰকাৰে কৰা আঁচনি যিবিলাকৰ যোগেদি আত্ম সংস্থাপন হ'ব পাৰে, ৰমেন আই টি আই, পিলিটেকেনিক, এইসমূহ এতিয়াও আধৰুৱা হৈ আছে। পাঠ্যক্ৰম আৰম্ভ হোৱা নাই। দক্ষতা নিয়োগ বিভাগে বহু যুৱকক প্ৰশিক্ষণ দি আছে আৰু বিধান সভাত প্ৰশ্ন কৰিছো অসমৰ ভিতৰে বাহিৰে কিমান যুৱকক সংস্থাপন দিয়া হ'ল কিন্তু তাৰ উত্তৰত তথ্য যুগুতাইহে থকা বুলি কৈছে। কিন্তু যোৱা কালি বাজেটত বৃহৎ সংখ্যকক নিযুক্ত হ'ল বুলি কৈছে। অসম চৰকাৰে নতুন নতুন বিশ্ববিদ্যালয় স্থাপন কৰিছে, এইটো অতি ভাল কথা কিন্তু অসমৰ যাৰ যোগেদি আমি বহু কোটি টকা ৰয়েল্টি পাও পেট্ৰ'লিয়াম ইণ্ডাষ্ট্ৰী , এই পেট্ৰ'লিয়াম ইণ্ডাষ্ট্ৰী কোৰ্ছ ডিব্ৰুগড় বিশ্ববিদ্যালয়ত আছে, তেনেকৈ পূৰ্ব্বৰ চৰকাৰে ৰাজীৱ গান্ধী ইনষ্টিটিউট অৱ পেট্ৰলিয়াম টেকন'ল'জি, কেন্দ্ৰীয় চৰকাৰৰ অধীনত ঘোষণা কৰিছিল কিন্তু এইখনৰ বাবে যি ৮০০ কোটি লাগে সেই টকা নিদিয়া বাবে এটা অস্থায়ী ঘৰত চলাই থকা হৈছে। ৰাজীৱ গান্ধী পেট্ৰলিয়াম প্ৰযুক্তিবিদ্যা বিশ্ববিদ্যালয় শিৱসাগৰত যিখন অৱস্থিত, সেইখনৰো বিভিন্ন সমস্যা আছে গৃহকে আদি কৰি, তাৰ শিক্ষক নিযুক্তিৰ আৰু এই গোটেইখিনিৰ ক্ষেত্ৰত বাৰম্বাৰ যোগাযোগ কৰি থকাৰ পিছটো নতুন বিশ্ববিদ্যালয় সমূহক যেনেকৈ পুঁজি আৰু পদৰ প্ৰতিশ্ৰুতি দিয়া হৈছে, এই পুৰণা কেইখনৰ ক্ষেত্ৰত দিয়া হোৱা নাই। আজি গুৱাহাটীৰ মহিলা আৰু বৃদ্ধ সকলক বিনামূলীয়া বাছ সেৱা দিয়াৰ কথা কৈছে, পিংক ৰঙৰ বাছৰ যোগেদি। মই ভাবো যে অসমৰ অন্যান্য অঞ্চলতো এই সেৱা সম্প্ৰাসৰণ কৰিব লাগে। অসমৰ যিসকল মহিলা কনকলতা সৱলিকৰণ আঁচনিয়ে হওঁক বা পূৰ্বৰ আঁচনিৰ ক্ষেত্ৰতে হওঁক তেখেত সকলে বিভিন্ন অঞ্চললৈ ব্যৱসায়ৰ ক্ষেত্ৰত তেওঁলোকৰ অন্যান্য কৰ্ম ক্ষেত্ৰত যোগাযোগ কৰি ইমূৰৰ পৰা সিমূৰলৈ যাব লাগে, বিভিন্ন অফিচলৈ যাব লাগে, সেইগতিকে তেখেত সকলৰ বাবেও এনেকুৱা ধৰণৰ আঁচনি দিব লাগে। চৰকাৰৰ ফালৰ পৰা কেজৰিৱাল ডাঙৰীয়াই যি বিভিন্ন আঁচনি দিছিল তেতিয়া সমালোচনা কৰা হৈছিল। কিন্তু দেখা পাইছো যে স্কুল সমূহৰ নিৰ্মাণ আৰু তেনেকৈ লাইটৰ ক্ষেত্ৰত এটা চাবচিডি দিয়াৰ ব্যৱস্থা চৰকাৰ খনে কৰিছে আৰু তেখেত সকলে মেডিকেলৰ ক্ষেত্ৰত প্ৰত্যক্ষ ভাৱে Benifit transfer কৰি কিছু মেডিকেল সাহাৰ্য্য দিয়াৰ কথাও কৈছে, কিন্তু এই মেডিকেল সাহাৰ্যৰ ক্ষেত্ৰত যদিহে কেজৰিৱাল চৰকাৰৰ নিচিনাকৈ মহলা ক্লিনিকৰ ব্যৱস্থা কৰে তেতিয়াহলে আৰু অধিক ৰাইজ উপকৃত হ'ব বুলি মই আশা কৰো। যিখিনি আঁচনি ইতিমধ্যে ঘোষণা কৰিছে সেইয়ে পূৰ্বৰ আঁচনিখিনিও যে ৰূপায়িত কৰা নাই চৰকাৰ খনে তাত তেওঁলোকৰ যোৱা সময়চোৱাৰ তথ্যৰ পৰাই আমি পাব পাৰো আৰু আটাইতকৈ ২০১৫-১৬ পি আৰ এচ নামাৰ লেইচ এক্টিভ ৰিচাৰ্জ গ্ৰুপ আছে তেখেত সকলে এটা অধ্যয়ন কৰি উলিয়াইছে যে যোৱা তিনি বছৰত আটাইতকৈ কম স্পেনদিং কৰা যিটো ঘোষণা কৰাৰ পিছত শীৰ্ষত আছে অসম, ২৬ শতাংশ কম তেওলোকে বাজেট এমাউন্টতকৈ স্পেনডিং কম কৰি আছে। এনেধৰণে যদি কৰি থাকে তেতিয়াহলে যিখিনি এই বাজেটত প্ৰতিশ্ৰুতি দিয়া যায় এই প্ৰতিশ্ৰুতি কেনেধৰণে ৰূপায়ণ হ'ব আমাৰ যিখিনি আনকি গড়কাপ্তানী বিভাগে হওঁক বা অন্য বিভাগৰ ক্ষেত্ৰত বহুখিনি আঁচনিৰ কথা ঘোষণা কৰিছে। সেই আঁচনি সমূহৰ বাবেও যদি পুঁজি ব্যয় নহয় আৰু যিহেতু আমি দেখা পাইছো আনকি পৰিবহন বিভাগতো য'ত গড়কাপ্তানীও সোমাই

থাকে তাত ১৯ শতাংশতকৈ পুঁজি এইবাৰ কমকৈ ধাৰ্য কৰা হৈছে। ২০১৯-২০ চনত ৭৩৫৬ কোটি টকা বাজেটেত কৰা হৈছিল, ইয়াক ৰিভাইছ কৰি অৱশ্যে চাপ্‌লিমেন্টৰীৰ যোগেদি ১২৪৯৭ কৰা হ'ল আৰু এতিয়া নতুনকৈ ধৰা হৈছে ১০০৮৩ কোটি টকা। অৰ্থাৎ আগতকৈ ১৯ শতাংশ কম। যিকি নহওঁক যিখিনি ঘোষণা কৰিলে সেই ঘোষণা খিনি যদি অকল নিৰ্বাচন কেন্দ্ৰীক হয় তেতিয়াহলে অসমৰ বাবে ই এটা ভাল বাৰ্তা নাযাব। যিহেতু পৰিবৰ্তন বিচাৰিছিল অসমৰ ৰাইজে, সেই পৰিবৰ্তন এই চৰকাৰ খনৰ পৰা নিশ্চিতভাৱে আশা কৰি আছে। আজি দিব্যাংগ সকলক পেন্সন দিয়াৰ কথা কৈছে, পূজাৰ সময়ত তেখেত সকলক এক হাজাৰ টকাকৈ অতিৰিক্ত দিয়াৰ কথা কৈছে, কিন্তু যোৱাকালিও তেখেত সকলে লাষ্টগেটত আন্দোলন কৰিছে, যিহেতু তেখেত সকলক যেনেধৰণে প্ৰতিশ্ৰুতি দিয়া হৈছিল নিযুক্তিৰ ক্ষেত্ৰত, সৰ্বভাৰতীয় এখন আইন থকাৰ পিছতো দিব্যাংগ লোকক যিখিনি সুবিধা দিব লাগে আমাৰ চৰকাৰ খনে সেই সুবিধা এতিয়াও তেওঁলোকক দিয়া নাই। ঠিক তেনেকৈ ৫৩০ জন ফিক্স পে শিক্ষক আছে কিছুমান জিলাত, বাকী জিলা সমূহত তেওঁলোকৰ সমস্যাটো সমধান হ'ল। শিৱসাগৰ, লক্ষিমপুৰ আজি কেইখনমান জিলাত এই সমস্যা সমধান হোৱা নাই। মই আশা কৰো যে মন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত গুৰুত্ব দিব। ঠিক তেনেকৈ ১৫৩০ জন শিৱসাগৰ জিলাৰ শিক্ষককো তেওঁলোকৰ সমস্যাটো যোৱাবছৰত ৪৫ দিনৰ ভিতৰত সমধান কৰি দিব বুলি কোৱা হৈছিল। সেই সমস্যা সমধান হ'ব বুলি মই আশা কৰিছো আৰু বাকী যিখিনি পুঁজিৰ ক্ষেত্ৰত যিহেতু আমি কৰ্মচাৰী সকলক দৰমহা দিয়াৰ ক্ষেত্ৰত এটা কৃতিত্ব লব বিচৰা হয় কিন্তু ১৯৯১ চনৰ পৰা ২০০১ চনলৈকে গোটেই ভাৰত বৰ্ষতে সেইখিনি সময়ত এটা আৰ্থিক সংকট আছিল আৰু ১৯৯১ চনত সোণ বন্ধকত থবলগীয়া অৱস্থা হৈছিল আৰু সেই গতিকে সেইখিনি সময়ৰ বাবে আমাৰ পূৰ্বৰ চৰকাৰ খনক শ্বেত পত্ৰ দাখিলৰ সময়ত বৰ্তমান চৰকাৰৰ বিত্ত মন্ত্ৰীয়ে কাঠগড়াত ঠিয় কৰাব বিচাৰিছিল কিন্তু এই বিলাক কথা যিবিলাক বাজেটৰ আকাৰ ডাঙৰ কৰি মাত্ৰ চমক সৃষ্টি কৰিব পাৰি কিন্তু ইয়াৰ যোগেদি আমি যিখিনি কল্যাণকামী কাম সেইখিনি যদি কৰিবলৈ যত্ন নকৰো তেতিয়াহলে এনেকুৱা ধৰণৰ বাজেটৰ যোগেদি আমাৰ ৰাজ্যখন লাভান্বিত নহ'ব। সেইগতিকে যিখিনি আঁচনি ল'লে যেনেধৰণে আমাৰ যিখিনি মূল সমস্যা বান সমস্যা, খহনীয়া, উৎপাদন হ্ৰাস, উদ্যোগৰ অভাৱ, পুৰণি উদ্যোগ বন্ধ হৈ থকা আৰু সেইবিলাক পুনৰজীৱিত কৰাৰ বাবে যি প্ৰযুক্তি দিব লাগে এই গোটেইবিলাকৰ কোনো প্ৰস্তাৱ এই বাজেটখনত আমি দেখা নাই। সেইগতিকে মই ভাৱো যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সংশোধনী আনি বাজেটত কিছু নতুন বিষয়বস্তু অন্তৰ্ভূক্ত কৰিব। এইখিনিকে মই কলো আৰু শেহতীয়াকৈ মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা ক'ব বিচাৰো যে যোৱাকালি আমি বাজেটখন লিক হৈছিল বুলি আমি জানিছিলো, আমি সদনত আছিলো সেইবাবে আমি সদনৰ জিৰণীৰ সময়ত জানিছিলো তাৰ পৰৱৰ্তী সময়ত আপোনাৰ ধ্যান আকৰ্ষণ কৰিবৰ বাবে মই ১২৯ পৃষ্ঠা ফটোষ্টেট কপি আপোনাৰ হাতত দাখিল কৰিছিলো, পূৰ্বতে এনেকুৱা ঘটনা হোৱা নাই, সেইগতিকে আমি আপোনাৰ হস্তক্ষেপ এতিয়াও কামনা কৰো। আশা কৰো যাতে যিটো সদায় পৰম্পৰা চলি আছে ১৯৩৭ চনৰ পৰা, সেইটো মন্ত্ৰী মহোদয়ে পিছত যেনেকুৱা ধৰণৰ বক্তব্য পিছত ৰাখিছে যে অসমৰ ৰাইজে আগতীয়াকৈ জানিলে কি আপত্তি আছে এনেকুৱা ধৰণৰ কথা যদি আমাৰ সদনত গৃহীত কৰিলে মোৰ নিশ্চয় আপত্তি নাথাকিব যদি এইটো গৃহীত নহয় তেতিয়াহলে আপোনাৰ হস্তক্ষেপ কামনা কৰো যাতে সকলো দলৰ সদস্য সকলৰ লগত আলোচনা কৰি আপুনি এটা ৰুলিং দিয়ে এইখিনিকে কৈ মোৰ বক্তব্য সামৰণি মাৰিছো, ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, মই আহিম পৰৱৰ্তী বক্তালৈ। আমাৰ শইকীয়া ডাঙৰীয়াই যিখিনি

কথা কলে সেইকাৰণে মই যোৱাকালি অকণমান কৈছিলো যে বিষয়টো মই একেবাৰে গুৰুত্ব পূৰ্ণ নহয় বুলি কোৱা নাছিলো। মই ভাবিছিলো যিহেতু বক্তৃতাটো আৰম্ভ হৈছে আৰু গোটেই কথাখিনি যদি মই আগতে জানিলোহেতেন, তেতিয়া মই নিশ্চিত ভাৱে কিবা এটা চিন্তা কৰিলোহেতেন কিন্তু সেই কাৰণে কৈছিলো যে বক্তৃতাটো শেষ হৈ লওক তাৰ পিছত অলপ আলোচনা কৰিম। কিন্তু আপোনালোকৰ পেৰ'গেটিভ থাকে ইচ্ছা কৰিলে সদন ত্যাগ কৰাটো আপোনালোকৰ পেৰ'গেটিভ। গতিকে গ'ল। সেইকাৰণে পিছত মই কথাটো নললো। আজি নিশ্চিতভাৱে মই কালি যিকেইটা কথা কমবুলি ভাৱিছিলো মই ক'ম। এতিয়া দ্বিতীয় বক্তা জনৰ শুনি লও। পদ্ম হাজৰিকা, তাৰ পিছত আমিনুল ইছলাম।

**শ্ৰীপদ্ম হাজৰিকা ঃ** অধ্যক্ষ মহোদয়, যোৱা কালি আমাৰ এইটো কাৰ্যকালৰ শেষৰ খন যি বাজেট উত্থাপন কৰিছে, সেইখন এখন জনমুখী বাজেট। এই বাজেটৰ জৰিয়তে আমৰ ৰাজ্য খনৰ যি বিভিন্ন সমস্যা আছে সমধান হ'ব আৰু জনসাধাৰণ উপকৃত হ'ব। আমাৰ বাজেটত যি বিভিন্ন আঁচনি ইয়াত দাঙি ধৰিছে সেই আঁচনিৰ সম্পৰ্কত ইতিবাচক দিশ বিলাকত অলপ কমকৈ চকু দি আমাৰ বিৰোধী দলৰ দলপতি ডাঙৰীয়াই নেতিবাচক কিছু কথা আঙুলিয়াই দিছে। মই আশা কৰিম আমাৰ চৰকাৰে গঠনমূলক দৃষ্টিৰে তেখেতৰ পৰামৰ্শখিনি গ্ৰহণ কৰিব। আমাৰ আজি বিশ্ব আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত যিটো এটা বিত্তীয় মণ্ডাৰস্থাৰ সৃষ্টি হৈছে সেই সময়ত আমাৰ অসমৰ যিটো বিকাশ বা সুস্থিৰ এটা অৱস্থা বৰ্তাই ৰাখিবলৈ সক্ষম হৈছো তাৰ কাৰণে আমাৰ চৰকাৰ আচলতে ধন্যবাদৰ পাত্ৰ। আমি এই কথা বিলাক বাজেট ভাষণত গোটেইখিনি দাঙি ধৰিছো যে আমাৰ যিটো এতিয়া বাৰ্ষিক বৃদ্ধি এই ২০১৯-২০ ত ১২.৩৮ শতাংশ, গতিকে এইটো আমাৰ কাৰণে এটা ডাঙৰ সফলতা। গতিকে এই ক্ষেত্ৰত মই আশা কৰিম তেখেতসকলেও অন্তত এই কথাটো স্বীকাৰ কৰি ৰাজ্যৰ সঠিক ভাৱে সুস্থিৰ এক বিকাশৰ পদক্ষেপ যে আগবঢ়াইছে সেই কথা তেখেত সকলে স্বীকাৰ কৰিব। তাৰোপৰি এক্সপেনডিচাৰৰ ক্ষেত্ৰত যিটো দাঙি ধৰিছে যে আমাৰ ২০১৫-১৬ত ৫৬ শতাংশ, তাৰপিছত ২০১৬-১৭ত ৬৯ শতাংশ, ২০১৭-১৮ ত ৬৮ শতাংশ আৰু ২০১৮-১৯ ত ৬৭ শতাংশ আৰু অলপ দিন বাকী আছে যিহেতু, যিটোত আমি এইটো বছৰত হয়তো ৭০ শতাংশ পাৰ কৰিম। গতিকে এই সফলতাখিনি তেখেত সকলে স্বীকাৰ কৰিব লাগিব, এইকাৰণে তেখেতসকলৰ দিনত আমাৰ চৰকাৰ আহিয়ে স্বেতপত্ৰৰ জৰিয়তে তেখেত সকলৰ বিত্তীয় পৰিস্থিতি সম্পৰ্কত এইখন পবিত্ৰ সদনতে প্ৰতিফলণ হৈছিল সেই ছবিখন দাঙি ধৰিছে। গতিকে আমাৰ চৰকাৰ খনে যিমান পাৰে জনসাধাৰণৰ কল্যাণৰ বাবে ইয়াত বহু আঁচনি লৈছে। এই আঁচনি বিলাক সফল কৰিবৰ কাৰণে আমাৰ বিৰোধী দল সমূহৰো গঠনমূলক সহযোযোগিতাৰ প্ৰয়োজন হ'ব । গতিকে এই ক্ষেত্ৰত মই আশা কৰিম তেখেত সকলে সহযোগীতা আগবঢ়াব । কোনোবা বিভাগত কিছু পইচা কমাই দিয়া হৈছে। যদি বিগত দিনৰ কৰ্মৰাজী পৰ্য্যালোচনা কৰি চোৱা যায় আমি দেখা পাম যে খৰচ কৰাৰ ক্ষেত্ৰতো আমি যিটো আন্তঃগাঠনি বনাব লাগে বা যেনে ধৰণে আগবাঢ়ি যাব লাগে হয়তো কৰবাত কৰবাত অলপ বিজুতি হৈছে । কিন্তু আজি আমি এটা কথা স্বীকাৰ কৰিব লাগিব PWD বিভাগত যিটো অন্তঃগাঠনি হৈছে বৰ্তমান সময়ত আগতে আমি দেখা পাইছিলো জিলা পৰ্যায়ত, জিলা সদৰ, মহকুমা সদৰত আমাৰ Executive Engineer, SDO ক আমি আমাৰ সমষ্টি বিলাকত তেনেকৈ পোৱা নাযায়। যদিও JE বিলাকৰ আৱাস গৃহ PWD ৰ আছে সেইবিলাক জহি-খহি গৈছে । কিন্তু এতিয়া আমাৰ চৰকাৰৰ দিনত এই আন্তঃগাঠনি নিৰ্মাণ কৰাৰ ক্ষেত্ৰত যিটো পদক্ষেপ গ্ৰহণ কৰিছে এই কথা আমি সকলোৱে স্বীকাৰ কৰিব লাগিব যে আজিৰ দিনতোট সমষ্টি ভিত্তিত এজন এচ ডি অ', ১০

জনকৈ জে ই আৰু দুটা তিনিটা সমষ্টি মিলাই এজন Executive Engineer যোগাযোগ ব্যৱস্থাটো উন্নত কৰিবৰ কাৰণে যিখিনি পদক্ষেপ গ্ৰহণ কৰিছে বা PWD ৰ ৰাস্তা-পদূলি নিৰ্মাণৰ ক্ষেত্ৰত যিখিনি ধন ধাৰ্য্য কৰিছে বা যিমান কিলোমিটাৰ ৰাস্তা আমি নিৰ্মাণ কৰিবলৈ লৈছো, যদি আন্তঃগাঠনিটো ঠিক নাথাকে সেইটো আচলতে সম্ভৱ নহয় । বিগত চৰকাৰৰ দিনত অজন্তা নেওঁগ বাইদেউয়ে যথেষ্ট খিনি চেষ্টা কৰিছিল তেখেতৰ কৃতিত্ব আছে মই নকও যে তেখেতে চেষ্টা কৰা নাছিল বা কাম কৰিব পৰা নাছিল। আমি বিৰোধী বিধায়ক হৈ থাকোতেও তেখেতৰ প্ৰতি সন্তুষ্টি আছিলে। কিন্তু এতিয়া যিটো আন্তঃগাঠনি নিৰ্মাণ কৰিছে সেইটোৰ সুদুৰ প্ৰসাৰী প্ৰভাৱ পৰিব যে প্ৰতিটো সমষ্টিত এজন এচ ডি অ' আৰু তেওঁক এখন বাহন দিয়াৰ ব্যৱস্থা কৰিছে। ৰাস্তা ক'ত বেয়া হৈছে, কি হৈছে সঠিক ভাবে এই পইচা কেইটা খৰচ কৰিবৰ কাৰণে অন্তঃগাঠনি প্ৰস্তুত কৰিছে। গতিকে আমাৰ যোগাযোগ ব্যৱস্থাটো উন্নত হৈছে। ঠিক তেনেকৈ আমি যদি চাওঁ আজি কৃষি বিভাগৰ কথা কৈছে যে কৃষি প্ৰধান ৰাজ্য খনত আমি কৃষি বিভাগত আৰু পইচা দিব লাগে, এই কথা মইও স্বীকাৰ কৰো। আমাৰ অৰ্থনীতি যদি উন্নত কৰিব বিচাৰো আমি যদি নিবনুৱা সকলক সংস্থাপিত কৰিব বিচাৰো, আমি যদি আমাৰ ৰাজ্য খনত শান্তি প্ৰতিষ্ঠা কৰিব বিচাৰো তেতিয়াহ'লে কৃষি বিভাগত আমি গুৰুত্ব প্ৰদান কৰিবই লাগিব । কিন্তু এই কৃষি বিভাগে সঠিক ভাবে কৰ্মসূচী যিখিনি লৈছে যে ধানৰ উৎপাদনৰ ক্ষেত্ৰত সেইটো আমি স্বীকাৰ কৰিব লাগিব আৰু বাকী দিশটো যথেষ্টখিনি কৰিবলগীয়া আছে । আজি মৎস পালনৰ জৰিয়তে আমাৰ চৰকাৰ খনে লাখ লাখ নিবনুৱাক সংস্থাপিত কৰিবৰ কাৰণে চেষ্টা কৰিছে। কৰ্ম সংস্থাপনৰ বাবে বহিঃৰাজ্যত যোৱা ল'ৰা খিনি ঘুৰাই আনিবৰ কাৰণে আমাৰ চৰকাৰে সঠিক পৰিকল্পনা কৰি আগবাঢ়ি যোৱাৰ যি পদক্ষেপ গ্ৰহণ কৰিছে ইয়াত আমাৰ বিৰোধী দল সমূহেও আন্তৰিকতাৰে সহযোগিতা আগবঢ়োৱাৰ প্ৰয়োজন আছে । এই কথাবিলাক ৰাজনৈতিক দৃষ্টিকোণেৰে নলৈ ৰাজ্যখনৰ সামগ্ৰীক উন্নয়নৰ স্বাৰ্থত এখন সমৃদ্ধিশালী অসম গঢ়াৰ ক্ষেত্ৰত তেখেতসকলে গঠন মূলক পৰামৰ্শ বা সহযোগিতাৰ প্ৰয়োজন আছে । আমি স্বীকাৰ কৰো শাসকীয় দলৰ বিধায়ক হলেও এই যিবিলাক আঁচনি জনসাধাৰণৰ কল্যাণৰ বাবে নিবনুৱাৰ স্বাৰ্থৰ কাৰণে গ্ৰহণ কৰো যে আঁচনিবিলাক সঠিক ভাবে ৰূপায়ণ কৰাৰ ক্ষেত্ৰত একাংশ বিষয়া কৰ্মচাৰীৰ অসহযোগিতা, অনিহা এতিয়াও আছে। এই কাৰণে কথা কেইটা কৈছো যে ব্যক্তিগত ভাবে মই ক্ষীপ্ৰ গতিৰে কাম কৰি যাবলৈ পদক্ষেপ গ্ৰহণ কৰোতে কেতিয়াবা কেতিয়াবা মনত বেজাৰ পাবলগীয়া ঘটনা পৰিলক্ষিত হয়। যিখিনি কথা মই মুখ্যমন্ত্ৰী ডাঙৰীয়া, বিত্ত মন্ত্ৰী ডাঙৰীয়াক অৱগত কৰিছো তেওঁলোকে সময় নিৰ্ধাৰণ কৰিছে ১০ দিনৰ ভিতৰত কৰিব লাগিব, ১ মাহৰ ভিতৰত কৰিব লাগিব কিন্তু আমাৰ একাংশ বিষয়া-কৰ্মচাৰীক এতিয়াও ঠিক কৰিবলগীয়া আছে । এইটো এই কাৰণেই হৈছে কোনোৱেই বেয়া পাব নালাগে, আগৰ চৰকাৰে কিছু কাৰ্য্যকালত আমাৰ কিছু দুৰ্নীতি বৃদ্ধি হৈছিল, কৰ্ম সংস্কৃতি হ্ৰাস হৈছিল । এতিয়া আমাৰ চৰকাৰৰ দুৰ্নীতিমুক্ত অসম কৰিবৰ কাৰণে সংকল্প লৈ আগবাঢ়িছে এই ক্ষেত্ৰত সকলোৱে সহযোগিতা লাগিব। কাৰণ একাংশ বিষয়া-কৰ্মচাৰীয়ে তেওঁলোকে দুৰ্নীতি কৰাৰ পৰিৱেশ কৰাৰ চেষ্টা কৰি আছে । আমি জন সাধাৰণৰ কল্যাণৰ বাবে যিখিনি আঁচনি লৈছো সেই আঁচনি খিনিত তেওঁলোকে হেঙাৰ হিচাপে ঠিয় দিয়াৰ যিটো মানসিকতা আছে ইয়াৰ পৰিবৰ্তন কৰিবলৈ ঐক্যবদ্ধ ভাবে আমি নিবনুৱাৰ স্বাৰ্থত এখন সমৃদ্ধিশালী অসম গঢ়াৰ স্বাৰ্থত এটা ভাল পৰিবেশ গঠন কৰাটো বাঞ্চনীয় ।ৰাজনৈতিক দৃষ্টিকোনেৰে চোৱাটো কথা নহয় । একাংশ বিষয়া-কৰ্মচাৰী আছে তেওঁলোকক নাকি লগোৱাৰ আমাৰ চৰকাৰৰ দিনতো এটা শক্তিশালী পদক্ষেপ আগবঢ়োৱাৰ প্ৰয়োজন আছো । এই কথা আমি সকলোৱে স্বীকাৰ

কৰিব লাগিব। এই ক্ষেত্ৰত মই আশা কৰিম আমাৰ বিৰোধী দলেও আমাৰ চৰকাৰ খনক সহযোগীতা আগবঢ়াওক কাৰণ যি লাখ লাখ নিবনুৱা বাহিৰত আছে তেওঁলোকৰ ডেকা কালটো বাহিৰত কটায় আহি বেমাৰ-আজাৰ হৈ তেওঁলোকে যেতিয়া ইয়াত সোমায় কি অৱস্থা হয়। কেনেকৈ মৃত্যু মুখত পৰিছে । মই নিজেই দেখা পাইছো বিয়া কৰায় চলিব নোৱাৰি বাহিৰত গুচি যাব লগীয়া হৈছে । মৃত দেহৰ ওপৰত তেওঁলোকৰ পত্নীয়ে কান্দি কেনেকুৱা অৱস্থা হৈছে। এই নিবনুৱা সকলৰ স্বাৰ্থত যিখিনি ৫০ হাজাৰ টকা ২ লাখ যুৱকক দিবলৈ যিটো পদক্ষেপ গ্ৰহণ কৰিছে আৰু এই ৫০ হাজাৰ টকাৰে এটা ল'ৰাৰ জীৱন গঢ়িব পাৰে,এজন নিবনুৱাক ভৰিৰ ওপৰত থিয় হ'বলৈ শক্তি দিব পাৰে। মই কৈছিলো যে উদ্যোগ বিভাগৰ ক্ষেত্ৰতো চয়ম আঁচনিত আমি যদিও বাচনি কৰি দিছিলো, সেই আঁচনি বিলাক সফল ৰূপায়ণ কৰাৰ ক্ষেত্ৰত বেংক বিলাকৰ যিটো সহযোগিতা থাকিব লাগে সেইটো অভাৱৰ কাৰণে বহু ল'ৰা হতাশ হৈ বাহিৰলৈ যাবলগীয়া হৈছে। সঁচা অৰ্থত নিবনুৱা সকলক সংস্থাপিত কৰিবৰ পাৰিলে ৰাজ্যখনৰ বহু বিশৃংখল পৰিস্থিতি বা হিংসাত্মক পৰিস্থিতি বা উগ্ৰপন্থী সমস্যাৰ আমি সমাধান কৰিব পাৰিম তাৰ কাৰণে কিন্তু জনপ্ৰতিনিধি, দল মত নিৰ্বিশেষে এটা প্ৰয়োজনীয়তা আছে। মই আশা কৰিম যে আমাৰ চৰকাৰটোৱে সঠিক পৰিকল্পনা লৈ আগবাঢ়িব বিচাৰিছে তাক আপোনালোকে ৰাজনৈতিক দৃষ্টিকোনেৰে নলৈ আপোনালোকে ৰাজ্যখনৰ এটা স্থায়ী শান্তি সমাধান অনাৰ ক্ষেত্ৰত সহযোগীতা আগবঢ়াব, নহ'লে ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক একো প্ৰমূল্যবোধ আমাৰ এই সমাজ খনত নাথাকিব । আমাৰ প্ৰায় ১০ হাজাৰ টকাকৈ যি আমাৰ আঁচনি আমাৰ বাজেটত যোৱাকালি ইয়াত কৈছে যে অৰুণোদয় আঁচনিৰ জৰিয়তে আমাৰ দেখুৱাইছে যে মেডিকেল হওঁক বা আমাৰ ল'ৰা-ছোৱালী ভালকৈ খুৱাবলৈ হওঁক বা বিভিন্ন শিতানত দেখুৱাইছে কৰবাত ৪০০, ৫০০,, ২০০০ দেখুৱাইছে। ১০ হাজাৰ টকাকৈ অক্টোবৰত দিয়া কথা কৈছে মই ভাবো এই আঁচনিখনে দুখীয়া ৰাইজক সহায় কৰিবৰ কাৰণে সক্ষম হ'ব। যদি আমি সঁচাকৈ হিতাধিকাৰী বাচনি ভালকৈ কৰো প্ৰতি ঘৰত আমি এই অৰুনোদয় আঁচনিখন কাৰ্য্যকাৰী কৰিব পাৰিম। বিত্তমন্ত্ৰী ডাঙৰীয়াই কৈছে প্ৰথমতে ১ হাজাৰ, পিছত ২ হাজাৰ পাৰিলে মাহত আমি ১০ হাজাৰ টকালৈকে দিয়াৰ লক্ষ্যৰে আগবাঢ়ি যাম। গতিকে এই আঁচনিৰ জৰিয়তে ২৭ লাখ লোক উপকৃত হ'ব। বিত্তমন্ত্ৰী ডাঙৰীয়াই ১ হাজাৰৰ কথাও কৈছে আৰু লক্ষ্য আছে মাহে ১০ হাজাৰকৈ দিয়াৰ লক্ষ্যৰে ইয়াত আঁচনি খন উপস্থাপন কৰিছে। গতিকে এইটো আমি ২০০ টকাৰ যদি ইফাল সিফাল হৈছে তেওঁটো কৈছে যে অক্টোবৰত ১০ হাজাৰকৈ দিয়া কথা । যদি আমি ১ বছৰত দিওঁ তেতিয়াহ'লে ১২ হাজাৰ হ'ব । সেইটো হিচাপ নিকাচ কৰি ল'লে হ'ল। আমাৰ চৰিত্ৰটো এনেকুৱা হোৱা ভাল বেয়া নাপাব, আমি অনবৰতে. নেটিবাচক চিন্তাৰে সকলো কথা ভবাটো ঠিক নহয় ৷আমাৰ ৰাজ্যখনৰ সঁচা অৰ্থত উন্নয়ন হওঁক, নিবনুৱাসকল সংস্থাপিত হওঁক, জনগোষ্ঠী ভিত্তিত যিবিলাক সমস্যা আছে, সেইবিলাক সমাধান কৰাৰ কথাওঁ বাজেটত প্ৰতিফলিত হৈছে, দিব্যাংগ সকলৰ ক্ষেত্ৰতবিৰোধী দলৰ দলপতি ডাঙৰীয়াই যিখিনি কথা কৈছে সেইখিনি সমস্যাও সমাধান কৰাৰ ক্ষেত্ৰতবাজেটত প্ৰতিফলন হৈছে, বিভিন্ন জনগোষ্ঠীৰ যিবিলাক ঐতিহ্য,পৰম্পৰা আছে সেইবিলাক ৰক্ষা কৰাৰ ক্ষেত্ৰতগুৰুত্ব আৰোপ কৰা হৈছে আৰু অসম দৰ্শনৰ জৰিড়তে আমাৰ ঐতিহ্য,পৰম্পৰা ৰক্ষা কৰাৰ ক্ষেত্ৰত যিখিনি আঁচনি গ্ৰহণ কৰিছে সেইখিনিৰ ক্ষেত্ৰটো আমি সকলোৱে সহযোগিতা আগবঢ়োৱাৰ প্ৰয়োজন আছে। হয়, কেতিয়াবা চৰকাৰে কিছুমান আঁচনি লওঁতে বাদপৰি যাব পাৰে। মোৰ সমষ্টিতে তেনেকৈ আঁচনি হোৱা নাই। যিহেতু মোৰ সমষ্টি হয়, মই সেইটো আঙুলিয়াই দিবই লাগিব। প্ৰত্যেক জন বিধায়কেই, শাসকীয় দলৰেই বা বিৰোধী দলৰেই হওঁক বাদ পৰি যোৱা কথাখিনি যদি বিত্ত মন্ত্ৰী

ডাঙৰীয়াক আঙুলিয়াই দিও সেইটোহে ভাল কথা হব। ভাল কথাখিনিটো ভাল বুলি কবই লাগিব।দুই লাখ নিবনুৱাক ৫০ হাজাৰকৈ টকা দিব,এইটো বেয়া কথা নেকি? আমি ক'ব পাৰো যে মোৰ সমষ্টিটো ইমানজনক দিয়াৰ ব্যৱস্থা কৰক। কিন্তু এই ভাল কথাবিলাক আমি ভাল বুলি স্বীকাৰ কৰিবলৈ টান পাও। মোৰ ১৯ বছৰ হ'ল এম,এল,এ হোৱাৰ। ১৫ বছৰত যিমান ৰাস্তা-পদুলি কৰিছিলো, আজি ৪বছৰত তাতকৈ বেছি ৰাস্তা-পদুলি নিৰ্মাণ কৰিছো। দলং আমি বেছি নিৰ্মাণ কৰিছো। আমি এম,জি,এনৰেগাত কোনোবা বছৰত হয়তো ডেৰ কোটি টকা পাইছো।এতিয়া এটা গাওঁপঞ্চায়তত আমি তিনি-চাৰি কোটি টকা এম,জি,এনৰেগাত পাইছো। আজি ফ'ৰটিন ফাইনেন্সত প্ৰতিটো গাওঁ পঞ্চায়তে এক কোটিৰ ওপৰত টকা পাবলৈ সক্ষম হৈছে। তিনি কোটিলৈকে পোৱা হৈছে। গ্ৰাম্যাঞ্চলৰ ৰাস্তা, পদুলি, কালভাৰ্ট, নামঘৰ, ৰঙ্গমঞ্চ, মন্দিৰ, মজজিদ, গীৰ্জা নিৰ্মাণ কৰিবৰ কাৰণে আমি ফ'ৰটিন ফাইনেন্সৰ জড়িয়তে কাম কৰিছো। আগতে এইখন সদনতে বৃদ্ধ পেঞ্চনক লৈ মই কিমান দাবী উত্থাপন কৰিছো। কাৰণ আমি যতেই মিটিং কৰিবলৈ যাও বৃদ্ধসকলে আমাক শোধে কেতিয়া বৃদ্ধ পেঞ্চন পাম। এতিয়া আপোনালোকেও চাগে মিটিং কৰিবলৈ যাওতে কোনো এগৰাকী বৃদ্ধ মানুহে পেঞ্চন সম্পৰ্কত আপোনালোকক প্ৰশ্ন নকৰে আগতে এনেকুৱা কথা থাকে যে এখন গাওঁত লাইট যায়, মানে তাঁৰ আছে,খুটা আছে, ধনী মানুহে লাইটৰ কানেকশ্যন লয়,দুখীয়া মানুহে চাকীৰ পোহৰত পঢ়ে। কিন্তু আজিতো সেই অৱস্থা নাই আগতে দুখীয়া মানুহে লাইটৰ মিটাৰ কিনিবলৈ আৰ্নেষ্ট মানি দিবলৈ পইচা নাই, দুখীয়া মানুহৰ যিটো বিল আহে কামত ব্যস্ত থকা বা গুৰুত্ব নিদিয়াৰ কাৰণে যেতিয়া বিল পাঁচ,ছয়,সাত হাজাৰ টকালৈ হয়, তেতিয়া লাইনটো কাটি দিয়ে। এতিয়া আমাৰ চৰকাৰে সেই কথা হৃদয়ঙ্গম কৰি তেওঁলোকক ৩০ ইউনিটলৈকে কাৰেন্ট ফ্ৰি কৰি দিছে, এইটোক আমি সকলোৱে আদৰনি জনাব লাগিব। সঁচা অৰ্থত অসমত দুখীয়া মানুহৰ কাৰণে এইটো এটা জলন্ত সমস্যা আছিল নে নাই? এই জলন্ত সমস্যাৰ সমাধান সোণোৱাল চৰকাৰে কৰিছেনে নাই? এই কথাটো স্বীকাৰ কৰিব লাগিব। গতিকে ৰাজ্যখনৰ জনসাধাৰণৰ কল্যাণৰ কাৰণে যিখিনি কথা এই বাজেটত উপস্থাপন কৰিছে, তাক ইতিবাচক দৃষ্টিৰে লবলৈ মই সকলোকে আহ্বান জনাইছো। মই প্ৰথমতে ২০০টা গোট বনাইছো প্ৰতি গাওঁ পঞ্চায়তত ১০ জন সদস্যক লৈ। দুই হাজাৰ যুৱকক একত্ৰিত কৰিছো। আই বি এছ আঁচনিৰ জড়িয়তে প্ৰথম পদক্ষেপ ললো। মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰামবিকাশ যোজনাৰ জড়িয়তে আৰু ২০০ টা গোট বনাই আমি যুৱক সকলক সহায় কৰিবলৈ আগবাঢ়ি গৈছো। অৰ্থনৈতিক এটা বিপ্লৱ আমি আৰম্ভ কৰিবলৈ লৈছো। আমাৰ ৰাজ্যখনত খাচীমাংস মাত্ৰ ২৩ শতাংশ উৎপাদন হয়, গাহৰি সাংস মাত্ৰ ২৮ শতাংশ প্ৰডাকশ্যন হয়, গাখীৰ ,মাছ বাহিৰৰ পৰা আহি আছে । মাছৰ ক্ষেত্ৰত মীন মন্ত্ৰী ডাঙৰীয়াই 'ঘৰে ঘৰে পুখুৰী,ঘৰেঘৰে মাছ আঁচনি লৈ চেষ্টা কৰিছে হয়, কিন্তু যিমানখিনি সফল হ'ব লাগে হোৱা নাই। কাৰণ মাছৰ পোণা উৎপাদনতেই গণ্ডগোল। মই এতিয়া লাগি আছো। মোৰ টাৰ্গেট আছে যে এপ্ৰিল মাহত পাঁচকোটি পোণা উৎপাদন কৰিম, আপোনালোকে দেখিব। এই বাজেটত যদি ধনৰাশি নধৰিলেহেতেন তেতিয়াহ'লে আমি এই আঁচনিবিলাক ল'বলৈ সাহস কৰিব নোৱাৰিলোহেতেন। গতিকে এইটো এটা চৰকাৰৰ ইতিবাচক চিন্তা, ইতিবাচক পদক্ষেপ। সেইকাৰণে অধ্যক্ষ ডাঙৰীয়া, আমি মাছ,মাংস,গাখীৰ উৎপাদন বৃদ্ধি কৰাৰ ক্ষেত্ৰত নিবনুৱা সকলক সংগঠিত ৰূপত কামত লগাব লাগিব। আমি স্কীল ডেভেলপমেন্টৰ কথাও কৈছো। চাহ বাগানত যথেষ্ট উন্নয়নমূলক কামো কৰিছো। তেওঁলোকক ট্ৰেইনিং দিয়াও হৈছে। চাহ বাগানৰ জীৱন ধাৰণৰ মানদণ্ড যথেষ্ট নিম্ন সেইটো আমি সকলোৱে স্বীকাৰ কৰো। তেওঁলোকক উন্নত কৰিবলৈ যিখিনি আঁচনি গ্ৰহণ কৰিছো একমুখে সকলোৱে স্বীকাৰ কৰিব লাগিব

যে এই চৰকাৰে পিছপৰা এটা জনগোষ্ঠীক আগুৱাই নিবৰ কাৰণে সঠিকভাৱে এটা শক্তিশালীপদক্ষেপ গ্ৰহণ কৰিছে। আমি ৪০০ গোটক একত্ৰিত কৰি সংগঠিত ৰূপত উৎপাদনমুখীকৰিবলৈ গৈছো। মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে পাৰিলে আঁচনি হিচাপে এইটো কৰি দেখুৱাওক। আমি সমগ্ৰ ৰাজ্যখনত এই পদক্ষেপ লবৰবাবে চিন্তা-চৰ্চা কৰিছো। মই উচ্চ বিষয়াৰ পৰা ভেটেৰিনাৰীৰ ফিল্ড অফিচাৰলৈকে লাগি আছো। একাংশ বিষয়া-কৰ্মচাৰী আছে তেওঁলোকৰ চিন্তাটো নেতিবাচক। তলৰ পৰা ফাইলটো ঠিকেই যায়, এটা সৰু অবজেকশ্যন লৈ আকৌ তললৈ পঠিয়াই দিয়ে। তিনিমাহ পিছত মুখ্যমন্ত্ৰী, বিত্তমন্ত্ৰী ডাঙৰীয়াৰ হস্তক্ষেপ বিচাৰি এতিয়া লাইনত আহিছো। এই কৰ্মসংস্কৃতিৰ পৰিৱেশ আমাৰ ৰাইজৰ টকাৰে দৰমহা লৈ থকা বিষয়া-কৰ্মচাৰী সকলে সঠিকভাৱে কৰিবই লাগিব যদি নকৰে আমাৰ গোটেই বিধায়ক সকলে এই ক্ষেত্ৰত এটা শক্তিশালী পদক্ষেপ গ্ৰহণ কৰাৰ কিন্তু প্ৰয়োজন আছে। এই বাজেটত আমি বহু আঁচনি লৈছো আৰু এই আঁচনিবিলাক সফল কৰিব লাগিব। জলসম্পদ মন্ত্ৰী ডাঙৰীয়া আছে, যিবিলাক আঁচনি এপ্ৰিলত কৰিবলগীয়া আছে সেইখিনি যি কোনো উপায়ে এপ্ৰিল মাহৰ ভিতৰত কৰিবৰ কাৰণে মই আবেদন জনাইছো। এটা তৰ্ক প্ৰতিযোগিতাত সপক্ষে কৈও পুৰস্কাৰ লবপাৰে, বিপক্ষে কৈও পুৰস্কাৰ লবপাৰে। আমাৰ বিষয়াই কৰো বুলি কামটো আগুৱাই লৈ যাব পাৰে, নকৰো বুলি পিচপেলাই দিব পাৰে। আমাৰ বনমন্ত্ৰী ডাঙৰীয়া আছে। হাতী লৈ মোৰো বহুকথা হৈ গৈছে। সেই বিষয়টোত বাজেটত অলপ পইচা ধৰাৰ প্ৰয়োজন আছে। যিটো হাতী-মানুহৰ সংঘাত এইটো আমি এৰাই চলিলে নহ'ব। হাতী-মানুহৰ সংঘাত নোহোৱা কৰিবৰ কাৰণে আমি বন ৰক্ষা কৰিব লাগিব। আমি যদি এভিকচন কৰিবলগা আছে কৰিবলাগে, খাদ্য প্ৰস্তুত কৰিবলগীয়া থাকিলে কৰিবলাগে আৰু য'তেই হাতীৰ উপদ্ৰৱ হয়, তাত একশ্যন গ্ৰুপ বনাবলাগে। ইয়াৰ বাবে বাজেটত টকা ধৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, মই আশা কৰিম এখন সমৃদ্ধিশালী অসম গঢ়াৰ ক্ষেত্ৰত , আমাৰ সমস্যাবিলাক সমাধান কৰাৰ ক্ষেত্ৰত আমাৰ চৰকাৰে এই বাজেটৰ জড়িয়তে যি পদক্ষেপ আগবঢ়াইছে সকলোৰে যদি সহযোগিতা আগবঢ়াই আমি সফল হ'ব পাৰিম ।ধন্যবাদ।

**মাননীয়অধ্যক্ষ ঃ** - Thank you.

আমাৰ মাননীয় বিৰোধী দলৰ দলপতি শ্ৰী দেবব্ৰত শইকীয়াই কথা এটা কৈছিল। মই কালিয়ে কথাটো ভাবিছিলো । মই অলপমান এই কথাটো কৈ দিছো - মাননীয় সদস্যসকলে নিশ্চয় একমত যে digital world ত আমি সকলোৱে গুৰুত্ব দিছো। কিন্তু লগতে আমি সকলোৱে মনত ৰখা উচিত যে digital system ত privacy ৰক্ষা কৰাতো অত্যন্ত গুৰুত্বপূৰ্ণ । আধাৰ কাৰ্ড প্ৰৰ্বতন কৰাৰ পিছত বহুতে ব্যক্তিগত details আৰু data ৰ গোপনীয়তা ৰক্ষা কৰাৰ স্বাৰ্থত এই ব্যৱস্থাৰ বিৰোধ কৰিছিল। আনকি বিৰোধ Supreme Court লৈ যাওঁতে বিষয়তো গুৰুত্ব উপলব্ধি কৰিয়ে আধাৰ কাৰ্ড বাধ্যতামুলক হ'ব নোৱাৰে বুলিও এটা মন্তব্য কৰিছিল। digital facilities ত বিশ্বৰ বিভিন্ন তথ্য হাততে পাব পৰাকৈ ব্যৱস্থা কৰিছে। উৎকৃষ্ট গ্ৰন্থসমূহ, গৱেষণা পত্ৰকে ধৰি আৱশ্যকীয় তথ্য আমাৰ হাততে পাব পৰাকৈ এই ব্যৱস্থাই বৌদ্ধিক বিকাশত অভুতপূৰ্ব সহায় কৰিছে। নিঃসন্দেহে digital ব্যৱস্থাৰ আজি নুই কৰিব নোৱাৰো। আমাৰ বাজেটখন digitalize কৰি সহজে সকলোকে পোৱাৰ ব্যৱস্থাটো নিঃসন্দেহে প্ৰসংশনীয়। বৰ্তমান বিত্তমন্ত্ৰীয়ে এই ব্যৱস্থা প্ৰৱৰ্তন কৰি এটা উল্লেখনীয় পদক্ষেপ গ্ৰহণ কৰিছে। মই কালিও উল্লেখ কৰিছিলো যে এই ব্যৱস্থা নতুন বিধানসভা ভৱনত সম্পূৰ্ণকৈ কৰা হ'ব। E-Vidhan project ৰ দ্বাৰা সমগ্ৰ দেশৰ বিধানসভাসমূহ paperless কৰাৰ ব্যৱস্থা কেন্দ্ৰীয় চৰকাৰে কৰি, কেন্দ্ৰীয় চৰকাৰে প্ৰায় ৭৫০ কোটি টকা ধাৰ্য্য কৰিছে আৰু আপোনালোকক

জনাবলৈ পাই সুখি হৈছো যে সেই Sub-Committee খনত লোক সভাই মোক Chairman হিচাপে দিছে আৰু সেই টকাখিনি কোন কোন ৰাজ্যই কি ভিত্তিত পাব সেই ব্যৱস্থাটো আমি কৰি আছো। নিশ্চয়কৈ আমাৰ ৰাজ্যখনেও তাৰপৰা উপকৃত হ'ব। মই এইক্ষেত্ৰত একমত যে digital system ত data ৰ secrecy ৰক্ষা কৰিব নোৱাৰিলে ই বিপদজনক হোৱাৰো সম্ভাৱনা থাকে। বাজেট leakage য়ে সদনৰ বিশেষ অধিকাৰ ভঙ্গ নকৰে বুলি মই যোৱাকালি ইতিমধ্যে কৈছো। অৱশ্য আমি সকলোৱে নিশ্চয় একমত হম যে প্ৰতি বছৰ আৰম্ভনিতে সদনত সাংবিধানিক দায়িত্ব ৰক্ষা কৰি মহামান্য ৰাজ্যপালে দিয়া ভাষণ আৰু বিত্ত বিভাগৰ দায়িত্ব বহন কৰা মন্ত্ৰীৰ বাজেট বক্তৃতালৈ জনসাধাৰণে উৎকণ্ঠাৰে অপেক্ষা কৰে। বিধান সভাৰ সন্মানীয় সদস্যসকলে অৱগত নোহোৱাকৈ এই গুৰুত্বপূৰ্ণ বক্তৃতা দুটা public domain লৈ গ'লে আপত্তি উঠাটো স্বাভাৱিক। সেয়ে কালি বাজেট বক্তৃতাৰ পিছত বিষয়টোৰ ক্ষেত্ৰত কিছু পৰামৰ্শ দিম বুলি ভাবিছিলো কিন্তু আপোনালোক নাছিল। যি কি নহওঁক, গোটেই বিষয়টো গুৰুত্বসহকাৰে লৈ আজি যিহেতু মাননীয় বিৰোধী দলৰ দলপতি দেবব্ৰত শইকীয়াই কথাটো আকৌ কৈছে, গুৰুত্বসহকাৰে মই লৈছো আৰু এনে ঘটনা কেনেকৈ হ'ব নোৱাৰে তাৰ বাবে চিন্তা কৰাৰ প্ৰয়োজনীয়তা নিশ্চয় আছে সেয়ে আমি সংসদীয় পৰিক্ৰমা মন্ত্ৰী, আইন মন্ত্ৰী আৰু প্ৰতিটো বিৰোধী দলৰ দলপতিৰ লগত আলোচনা কৰিম বুলি ভাবিছো। আৰু আমি আৱশ্যকীয় কিবা ব্যৱস্থা ল'ব লাগে সেই কথাটোও চিন্তা কৰি ব্যৱস্থা লম।

মই এতিয়া মাননীয় সদস্য আমিনুল ইছলাম ডাঙৰীয়াক বক্তব্য ৰাখিবলৈ অনুৰোধ জনাইছো।

**শ্ৰী আমিনুল ইছলাম, ধিং ঃ** মাননীয় অধ্যক্ষ মহোদয়, কালি বিত্তমন্ত্ৰীয়ে যি বাজেট অসম বিধান সভাত দাখিল কৰিলে আৰু বাজেটত যিখিনি কথা কলে, অতি ভাল লাগিছে শুনি। ইতিমধ্যে তেখেতে বাজেট বক্তব্যত ধুনীয়া ধুনীয়া কথা উল্লেখ কৰিছে। একেষাৰতে এই বাজেটত কিছু ভাল কথা নথকা নহয়। মই কথাটো কম যে যিখিনি কথা তেখেতে কৈছে, যদি এইখিনি হয়, সেইটো হ'লে ভাল কথা হ'ব। কিন্তু বিপৰীতক্ৰমে আমি যদি বাজেটৰ আভ্যন্তৰীন যি অৰ্থনৈতিক প্ৰতিশ্ৰুতিবিলাক আছে, সেইখিনি চাওঁ, তেনেহলে দেখা পাম যে এই বাজেটত যথেষ্ট সংশোধনীৰ প্ৰয়োজনীয়তা আছে। এতিয়া এই বাজেটৰ প্ৰথমতে আমি যদি চাওঁ যে ৰাজ্য চৰকাৰে ৭৬৪৯৩.৪৭ কোটি টকা Revenue collection ৰ প্ৰস্তাৱ ৰাখিছে আৰু বিপৰীতক্ৰমে Revenue expenditure estimate কৰা হৈছে ৮২৭৭৬.৯৭ কোটি টকা । সেই মতে চালে আমাৰ প্ৰস্তাৱিত বাজেটত ৬২৮৩.৫ কোটি টকা ৰাজহ ঘাটি যিটো revenue deficit । ঠিক সেইদৰে capital collection ৰ প্ৰস্তাৱ ৰখা হৈছে ১৮৮৩৬.৮১ কোটি টকা আৰু capital expenditure ২০৯৮৪.৬৫ কোটি টকা আৰু সামগ্ৰীকভাৱে আমি দেখা পালো যে ইয়াতো ২১৪৭.৮৪ কোটি টকাৰ ঘাটি যিটো capital deficit দেখা পালো। সেইমতে fiscal deficit হব ৮৪৩১.৩৪ কোটি টকা। যোৱা বছৰৰ বাজেটৰ পৰা আমি যদি চাওঁ যিটো ঘাটি বাজেটৰ প্ৰস্তাৱ দিয়া হৈছিল তাৰপৰা আমাৰ ঘাটি যোৱা বছৰ আছিল আৰু এই বাৰৰ যিটো fiscal deficit এই দুয়োটা লগলগাই আমাৰ বিত্তীয় অৱস্থাটো কি হব, আমাৰ ৰাজ্য চৰকাৰৰ বিত্ত বিভাগে face কৰিব পাৰিব নে নাই সফলতাৰে এই কথাটো স্পষ্টকৈ আভাস নাপালো। তাৰ লগে লগে সমগ্ৰ বাজেট বক্তব্যত আভ্যন্তৰীণ যিটো সুৰ আমি তাত পালো যে এই বাজেটখনৰ জৰিয়তে কিছুমান পৰিয়ালক বা ব্যক্তিক target কৰিব বিচৰা হৈছে। আচলতে আভ্যন্তৰিণ ভাৱে কিমান বেছি পৰিয়ালক বা কিমান বেছি ব্যক্তিক target কৰিব পৰা যায়, এইটো tendency আমি দেখা পালো। সেয়ে বিপৰীতক্ৰমে আমাৰ যিটো infrastratural devel-

opment ৰাজ্যখনত স্থায়ী উন্নয়ন সাধন কৰিব পৰাকৈ নিবনুৱাসকলক সকাহ দিব পৰাকৈ আমি যিটো infrastructure নিৰ্মাণৰ কাৰণে বাজেটত গুৰুত্বতো খুব কম দিয়া হ'ল। সেইকাৰণে হয়তো এই বাজেটখন নিৰ্বাচনমুখী বাজেট বুলি সকলোৱে ক'ব পৰা হৈছে। নিৰ্বাচনমুখী বাজেটৰ ধৰ্ম এইটো থাকে যে বেছিতকৈ বেছি individual beneficiary target কৰা হয় যে কিমান পৰিয়াল আমাৰ বাজেটে সামৰি লব। আজি যদি আমাৰ বাজেটৰ বিভিন্ন শিতানত ৩০ লাখ পৰিয়ালক সামৰি লব পৰা যায়। এই ৩০ লাখ পৰিয়ালৰ পৰা গড়ে চাৰিটা , পাচঁটাকৈ ভোট আহিলে আমাৰ ডেৰকোটি মান ভোট আহে। তাৰকাৰণে infrastratural development তক গুৰুত্ব কম দিয়া হয়। infrastructure development হলে তাৰ সুফলতো সকলোৱে পাব আৰু তাৰ ফলাফলতো স্থায়ী হয়। কিন্তু সেই দিশতো উলংঘা কৰা হ'ল। সেই কথাটো আগতে ভৰা হৈছিল যে সকলো অৰ্থনৈতিক বিশেষজ্ঞ, তেখেতসকলে বাজেটৰ আগতে অনুমান কৰিছিল যে বাজেটখন এনেধৰণে হব। ইয়াত individual beneficiary target কৰা হব, যাতে ভোট সংগ্ৰহৰ হিচাপতো থাকিব। মাননীয় অধ্যক্ষ মহোদয়, আমি দেখা পালো অতি দুৰ্ভাগ্যজনক ভাৱে অসমৰ আটাইতকৈ জলন্ত যিটো সমস্যা গড়াখহনীয়ৰ সমস্যা। এই সমস্যাটো সাংঘাটিক ভাৱে উলংঘা কৰা হ'ল। এই কথাটো আপুনি জানে যে অসমত প্ৰায় ৩ শতকৈ অধিক গাওঁ নদীৰ বুকুত বিলীন হৈ গ'ল। কেইবা লাখ লোক গৃহহীন হৈ, ভেঁটিহীন হৈ গ'ল। এই সকলো লোক ক'ত থাকিব। তেওঁলোকৰ আশ্ৰয় কি হ'ব। তেওঁলোকৰ একো ঠিকনা নাই, ভৰিষ্যৎ নাই। এই লোকসকলে কেতিয়াবা গৈ মথাউৰিত আশ্ৰয় লয় তাৰপৰা উচ্ছেদ কৰি দিলে চৰকাৰী ভুমিত আশ্ৰয় লয়। তাৰপৰা উচ্ছেদ কৰি দিলে বনাঞ্চলত আশ্ৰয় লয়। তাৰপৰা উচ্ছেদ কৰি দিলে বেলেগ ঠাইত যায়। কাৰণ তেওঁলোকৰ সকলো মাটি -ভেটি নদীয়ে লৈ গ'ল। গতিকে এই সমস্যাটো শেষ হোৱা নাই। এইটোৱে নহয় যে এই কেইলক্ষ্য মানুহ অঘৰী হ'ল, মাটিহীন, ভেটিহীন হ'ল। এই সমস্যাটো নতুনকৈও হৈ আছে। নতুন নতুন গড়াখহনীয় হৈ আছে। নতুন নতুন মানুহ মাটিহীন, ভেটিহীন হৈ আছে। এই সমস্যাটো সমাধান কৰাৰ কাৰণে কোনো প্ৰতিশ্ৰুতি এই বাজেটত নাই। যাৰ ফলত law and order situation হয়, মানুহখিনিৰ হাৰাশাস্তিৰ সৃষ্টি হয়, তেওঁলোকক উচ্ছেদ কৰিবলগীয়া হয়। বাজেটত মথাউৰি মেৰামতিৰ নামত মাত্ৰ ৩৫০ কোটি টকা ধাৰ্য কৰা হৈছিল, গৰাখহনীয়াৰ বাবে ধাৰ্য কৰা নাই। অধ্যক্ষ মহোদয়, বাজেটখনত কেইটামান ভাল কথাও আছে। 'জ্যোতিষ্মান অসম' আঁচনিৰ জৰিয়তে প্ৰতিটো পৰিয়ালক 30 unit কৈ বিনামূলীয়া বিজুলী দিয়াৰ যি কথা কৈছে আমি ভাল পাইছো। দিল্লীৰ মুখ্যমন্ত্ৰী কেজৰিৱালে আগতে দিল্লীত 200 unit বিনামূলীয়া বিজুলী দিছিল, তেখেতে এইবাৰ 300 unit কৈ দিয়াৰ কথা কৈছে আৰু দিল্লীৰ মুখ্যমন্ত্ৰীৰ আৰ্হি অনুসৰণ কৰি আমাৰ ৰাজ্য চৰকাৰেও 30 unitকৈ বিনামূলীয়া বিজুলী দিয়াৰ বাবে সাহস কৰিছে। এইটো ভাল পদক্ষেপ লোৱা হৈছে। অধ্যক্ষ মহোদয়, হাইস্কুলৰ ৫,৩০০ জন contractual শিক্ষকক regular payment দিয়াৰ কথা কৈছে, এইটোও এটা ভাল পদক্ষেপ। কেন্দ্ৰীয় চৰকাৰে ধুবুৰী-ফুলবাৰী দলং, কমলাবাৰী-নিমাতীঘাট দলঙৰ বাবে ইতিমধ্যে অনুমোদন জনাইছেই আৰু তাৰ surveyও হৈ আছে। কিন্তু, এইখিনি এইবাৰ বাজেটত পুনৰ উল্লেখ কৰিছে, চৰকাৰে যেন তাৰ কাম নতুনকৈহে আৰম্ভ কৰিব।

বাজেটত 'সবকা সাথ, সবকা বিকাশ' নীতিটো সাংঘাটিকভাৱে উলংঘা কৰা দেখিবলৈ পোৱা গৈছে। আজি বাজেটত দেখিবলৈ পাইছো যে, পাৰ্বত্য জনজাতিৰ বাবে ৭৩১ কোটি টকা, ভৈয়াম জনজাতিৰ বাবে ৪,৭৪৮ কোটি টকা ধাৰ্য কৰা হৈছে, কিন্তু, সংখ্যালঘূ উন্নয়নৰ ক্ষেত্ৰত মাত্ৰ ২০৯ কোটি টকা ধাৰ্য কৰা হৈছে। সংখ্যালঘূ বুলিলে অকল মুছলমান সম্প্ৰদায়ৰ লোকেই নহয়, ইয়াত

খ্ৰীষ্টান, শিখ, পাৰ্চী, বৌদ্ধ সম্প্ৰদায়ৰ লোকসকলো অন্তৰ্ভুক্ত হৈ আছে। এই কেইবাটাও জনগোষ্ঠী মিলি সংখ্যালঘূৰ বাবে মাত্ৰ ২০৯ কোটি টকাহে ধাৰ্য কৰা হৈছে। এই ২০৯ কোটি টকাৰে ই-ৰিক্সা, চলাৰ লাইট, চিলাই মেচিন, power pump, ছাতি, কম্বল আদিৰহে যোগান ধৰিব বুলি কৈছে। তাৰমানে, এই সংখ্যালঘূসকলৰ সামগ্ৰিক উন্নয়নৰ বাবে চৰ-চাপৰি অঞ্চলবোৰত যাতায়তৰ ব্যৱস্থা ভাল কৰা, তাত নতুন হাস্পতাল, শিক্ষানুষ্ঠান স্থাপন কৰা আদিৰ প্ৰস্তাৱ এইবাৰ বাজেটত নাই। ই-ৰিক্সা, ছাতি, কম্বল আদিৰ যোগানেৰে কোনো এটা জনগোষ্ঠী উন্নয়নৰ দিশত আগবাঢ়ি যাব নোৱাৰে, ই মাত্ৰ কেইজনমান beneficiary ৰ ভোট সংগ্ৰহৰ আহিলাহে হয়।

নিবনুৱা সমস্যা সমাধানৰ বাবে কোনো ধৰণৰ বাস্তৱ সন্মত প্ৰতিশ্ৰুতি এইখন বাজেটত দেখিবলৈ নাপালো। অধ্যক্ষ মহোদয়, আপুনি জানে যে অসমত ১১টা গুৰু উদ্যোগ যেনে- জাগীৰোডৰ কাগজ কল, কাছাৰৰ অশোক কাগজ কল ইত্যাদি আৰু ৬৪ টা লঘূ উদ্যোগ যেনে গোলাঘাট চেনিকল, কামৰূপ চেনিকল ইত্যাদি সকলো মৃত্যুৰ মুখত পৰিছে। গতিকে এই উদ্যোগবোৰ পুনৰুজ্জীৱিত কৰিব পাৰিলে নিবনুৱা সমস্যা সমাধানৰ বাট মোকলাব পাৰিলেহেঁতেন। কিন্তু, বাজেটত কোনো এটা ৰুগ্ন উদ্যোগকেপুনৰুজ্জীৱিত কৰাৰ প্ৰস্তাৱ আমি দেখিবলৈ নাপালো। তাৰ লগতে, শ্ৰমিক কল্যাণৰ বাবে মাত্ৰ ৯৫ কোটি টকাহে ধাৰ্য কৰা হৈছে। আমাৰ ইয়াত যিহেতু যথেষ্ট সংখ্যক শ্ৰমিক আছে, গতিকে তেওঁলোকৰ কল্যাণৰ বাবে পুঁজিৰ পৰিমাণ বেছি হ'ব লাগিছিল।

মাননীয় অধ্যক্ষ মহোদয়, দক্ষতা, নিয়োগ আৰু উদ্যোমিতা শিতানত ১৫৮ কোটি টকা Skill Development ৰ বাবে ধাৰ্য কৰা হৈছে । কিন্তু, Skill Developmenৰ ক্ষেত্ৰত কোৱা হৈছে যে যুৱক-যুৱতী সকলক জাপানী, চীন, ফৰাচী, পৰ্টুগীজ, স্পেনিচ, ইটালীয়ান ভাষা সমূহ শিকোৱা হ'ব যাতে এই দেশবোৰত গৈ তেওঁলোকে চাকৰি পাব পাৰে। কিন্তু, সংস্কৃত টোল আৰু আৰবী শিক্ষা বন্ধ কৰিব। আৰবী শিক্ষা গ্ৰহণ কৰিয়েই এইখন অসমৰ হাজাৰ হাজাৰ যুৱক আজি মধ্য প্ৰাচ্যৰ আৰৱত বিভিন্ন খণ্ডত কাম কৰি নিজৰ পৰিয়াললৈ পইচা পঠিয়াই আছে। তাত চাকৰি কৰিবলৈ হ'লে তেওঁলোকে আৰবী ভাষা জনাটো বাধ্যতামূলক। অধ্যক্ষ মহোদয়, আপুনি জানি ভাল পাব যে ভাৰতৰ কেইবা লাখ লোকে মধ্য প্ৰাচ্যৰ দেশ সমূহত কাম কৰে আৰু তাৰে অধিকাংশই অমুছলিম অৰ্থাৎ বেছিভাগেই হিন্দু। তাত কাম কৰিবলৈ হিন্দু মানুহেও আৰবী ভাষাটো শিকি লৈছে। আমি যদি আজি অসমৰ যুৱকক চীনা, ফৰাচী, পৰ্টুগীজ, স্পেনিচ ভাষা শিকাব বিচাৰিছো যাতে তেওঁলোকে সেই দেশ সমূহত কাম কৰিব পাৰে, তেন্তে মধ্য প্ৰাচ্যৰ ৩৪ খন দেশত কাম কৰিবলৈ আমাৰ যুৱকক আৰবী ভাষা শিকাৰ পৰা কিয় বঞ্চিত কৰিব বিচাৰিছো? ইয়াত আঁৰত যদি কিবা সাম্প্ৰদায়িক ধাৰণা আছে তেন্তে ই ভাল কথা নহয়। ইয়াৰ লগে লগে আমি এইটোও দেখিবলৈ পাইছো যে ২০১৬-১৭ বৰ্ষত অৰ্থাৎ এইখন চৰকাৰৰ প্ৰথম বাজেটত ২১খন নতুন Polytechnic College স্থাপন কৰিব বুলি প্ৰতিশ্ৰুতি দিছিল আৰু সেই একেটা প্ৰতিশ্ৰুতিয়েই ২০১৭-১৮, ২০১৮-১৯, ২০১৯-২০ আৰু ২০২০-২১বৰ্ষৰ বাজেটতো উল্লেখ আছে। এনে ধৰণে বহু কথা যোৱা পাঁচ বছৰৰ বাজেটত continuously উল্লেখ হৈ আছে। তাৰোপৰি, ২০১৬-১৭ বৰ্ষৰ বাজেটত 'বণিজ' নামৰ আঁচনিত Rural entrepreneur ৰ বাবে ৮০০ কোটি টকা ধাৰ্য কৰা হৈছিল। কিন্তু, এতিয়ালৈকে সেই পুঁজি মোকলাই দিয়া নাই । আজি কেইবা হাজাৰো ক্ষুদ্ৰ উদ্যোগ ধ্বংসৰ গৰাহলৈ যোৱা দেখিবলৈ পাইছো। ২০১৭-১৮ বৰ্ষৰ বাজেটত 'Mrityunjoy Boat Service' নামেৰে ১০০খন River Ambulance ৰ আঁচনি গ্ৰহণ কৰাৰ পিছত আজিলৈকে তিনিখন বাজেট উত্থাপন কৰা হ'ল কিন্তু, এতিয়া ১০০ খন দূৰৰ কথা যি চাৰিখন

River Ambulance দিয়া হৈছিল, সেইকেইখনো চলা বন্ধ হৈছে। অধ্যক্ষ মহোদয়, ২০১৬-১৭ বৰ্ষৰ বাজেটত উল্লেখ কৰা কেইটামান প্ৰতিশ্ৰুতি মই উল্লেখ কৰিব বিচাৰিছো। চৰকাৰে সেই বাজেটত কৈছিল যে ২,৩৭৫ খন অঙ্গনবাড়ী কেন্দ্ৰ স্থাপন কৰা হ'ব। চাৰি বছৰ পাৰ হৈ যোৱাৰ পাছত এতিয়া দেখা গৈছে যে চৰকাৰে তাৰে ২০%ও স্থাপন কৰিব পৰা নাই। সেই একে বাজেটতে উল্লেখ কৰিছিল যে SDRF শিতানত ৭৬১ কোটি ৩ লাখ টকা দিয়া হ'ব। কিন্তু, সেই বছৰত ১০০ কোটি টকাও মোকলাই দিয়া নহ'ল। ইয়াৰোপৰি, উক্ত বাজেটত গৰাখহনীয়া আৰু নদীৰ গতিপথ সলনি কৰাৰ বাবে ১৫০০ কোটি টকা ধাৰ্য কৰা হৈছিল। কিন্তু, এটকাও মোকলাই দিয়া নহ'ল, River study কৰাও নহ'ল, গৰাখহনীয়া ৰোধৰ এটা কামো নহ'ল, গতিকে এই টকা অথলে গ'ল। লগতে, 'Awesome Assam' আঁচনিৰ বাবে ১০ কোটি টকা ধাৰ্য কৰা হৈছিল, কিন্তু, সেই আঁচনিত আন একো কাম নকৰি কেৱল অভিনেত্ৰী প্ৰিয়ংকা চোপ্ৰাক brand ambassador পাতি টকাসমূহ খৰচ কৰা হ'ল। কিন্তু, অসম যেতিয়া বানপানীত ডুবি থাকে, সেই প্ৰিয়ংকা চোপ্ৰাই এবাৰো চাবলৈ নাহিলে। আনকি, অসমৰ বানপানীৰ কাৰণে সাহাৰ্য দিবলৈ ৰাষ্ট্ৰীয় পৰ্যায়ত এবাৰো কাকো আহ্বান নকৰিলে। আকৌ, ২০১৮-১৯ বৰ্ষৰ বাজেটত কৈছিল যে, এল.পি. আৰু এম.ই. স্কুলসমূহক upgrade কৰি ১০০খন নতুন হাইস্কুল কৰা হ'ব। কিন্তু, দুবছৰ পাৰ হ'ল, এতিয়ালৈকে তেনে হোৱা নাই। এইবাৰবাজেটত দেখিছো, চাহ-বাগিচাত ১০২ খন হাইস্কুল স্থাপনৰ বাবে মাটি লোৱা বুলি পুনৰ উল্লেখ কৰিছে। ইয়াৰোপৰি, Inter-State Boundary Pillar ৰ বাবে ১০ কোটি ধাৰ্য কৰা বুলি কৈছিল। কিন্তু, সেইটোও কাৰ্যকৰী নোহোৱাৰ ফলত এতি য়াও নাগালেণ্ড, মেঘালয়, মণিপুৰৰ পৰা আগ্ৰাসন হৈ আছে। তাৰ পিছত, Transparency and Accountability in Recruitment ৰ বাবে বাজেটত পুঁজি ধাৰ্য কৰা হৈছিল। কিন্তু, অধ্যক্ষ মহোদয়, বৰ্তমান সময়ত যিবিলাক বিভাগত নিযুক্তি প্ৰক্ৰিয়া চলি আছে তাত transparency maintain কৰা নাই। কেইদিনমান আগত, জল সিঞ্চন বিভাগৰ নিযুক্তি প্ৰক্ৰিয়া হাইকোৰ্টে বন্ধ কৰিব লগা হ'ল। এনেদৰে transparency and accountability maintain নোহোৱাৰ ফলত হাইকোৰ্টে কেইবাটাও নিযুক্তি প্ৰক্ৰিয়াত হস্তক্ষেপ কৰিবলগীয়া হৈছে। ইয়াৰোপৰি, 'প্ৰত্যাহ্বান' আঁচনিৰ জৰিয়তে হাইস্কুলবিলাকৰ সকলো আন্তঃগাঁথনিৰ ব্যৱস্থা প্ৰদানৰ লগতে শিক্ষকৰ সমস্যা দূৰ কৰা হ'ব বুলি কৈছিল। কিন্তু, দেখা গ'ল যে চৰকাৰে খালী হোৱা শিক্ষকৰ পদ সমূহ আজিলৈকে পূৰণ কৰা নাই। মোৰ সমষ্টিৰ অধিকাংশ হাইস্কুলত ৭০% পদেই খালী হৈ আছে। দলৈগাওঁ হায়াৰ ছেকেণ্ডাৰী স্কুলৰ ২৩ টা পদৰ ভিতৰত ১৪ টা পদেই খালী হৈ আছে, আজিলৈকে পূৰণ কৰা হোৱা নাই। তাৰ পিছত 'অসম আদৰ্শ গ্ৰাম যোজনা' দিয়া হৈছিল তাৰ পিছত 'অসম আদৰ্শ গ্ৰাম্য যোজনা' দিয়া হৈছিল আৰু তাৰ জৰিয়তে ২০১৬-১৭ ত কোৱা হৈছিল যে প্ৰত্যেক বছৰে ৬,৫০০ খন গাওঁ সামৰি লোৱা হ'ব আৰু ৪ বছৰত ২৫ হাজাৰ গাওঁ সামৰি লোৱা হ'ব। য'ত ১ কোটি ২০ লাখ টকাকৈ সামৰি লোৱা হ'ব। খেলপথাৰ উন্নয়ণ, মন্দিৰ-মছজিদ, নামঘৰ আদিৰ উন্নয়ণ অৰ্থাৎ গাওঁখনক আদৰ্শ গাওঁ কৰা হ'ব। যদি ২০১৬-১৭ ৰ পৰা আজিলৈকে বছৰেকত ৬,৫০০ খন গাওঁ ধৰিলেহেঁতেন এতিয়া লৈকে প্ৰায় ২০ হাজাৰখন গাওঁ সামৰি ল'ব লাগিছিল। কিন্তু আজিলৈকে এখন গাওঁ ও আদৰ্শ গাওঁলৈ ৰূপান্তৰিত কৰা দেখা নাই। ঠিক একেদৰে যি শ্ৰৱন আঁচনিৰ জৰিয়তে ৩ লক্ষ্য কোটি টকা দিয়া হৈছে ১ লাখ যুৱকক শ্ৰৱন আঁচনিৰ জৰিয়তে সংস্থাপন দিয়াৰ কথা কোৱা হৈছে। ১লাখ যুৱকৰ ভিতৰত আমাৰ মাননীয়া অজন্তা নেওঁগ মহোদয়াৰ প্ৰশ্নত আহিল, মাত্ৰ ৫,৪০০ যুৱকক দিয়া হ'ল। গতিকে কথাবিলাক মই এইকাৰণেই উল্লেখ কৰিছো যে মাননীয় অধ্যক্ষ মহোদয়, বাজেটত

যিবিলাক কথা কোৱা হয়, বাজেট বক্তব্যটো খুব ধুনীয়া হয়। আচলতে বাঃ বাঃ বা হাতচাপৰি পাবলৈ কথাবিলাক ধুনীয়াকৈ ক'লে ভাল লাগে। আমাৰো ভাল লাগে। কিন্তু বাজেট আলোচনাটো যেনেকৈ বাজেট দিয়াৰ সময়ত হয়, মই ভাৱো ঠিক তেনেকৈ বছৰৰ শেষত আৰু নতুন বিত্তীয় বৰ্ষৰ আৰম্ভণিতে নতুন বাজেটৰ ওপৰত এটা আলোচনা কৰিব লাগে। আলোচনা কৰিলেহে গম পোৱা যাব যে বক্তব্যত যিমান ধুনীয়াকৈ কথাবোৰ দিয়া হয়, সেইসমূহ বাস্তৱত কিমানখিনি কাৰ্য্যকৰী হ'ল। সেই কাৰণে আমি এটা প্ৰস্তাৱ ৰাখিছো যে বছৰৰ শেষত আৰু নতুন বিত্তীয় বৰ্ষৰ আৰম্ভণিতে বাজেটৰ ওপৰত এটা আলোচনা কৰিব লাগে। গল্প শুনিছিলো যে এজন ৰজাৰ দৰবাৰত এজন গায়কে আহি গান গাইছিল। তেতিয়া ৰজাই ক'লে যে তুমি যি গান গাইছা, তাৰ বাবে তোমাক সোণৰ মোহৰ দিয়া হ'ব আৰু এটা গান গোৱা, মই তোমাক মোৰ গোটেই ৰাজ্য দি দিম। তেওঁ আৰু এটা গান গালে। যেতিয়া কেইদিনমান যোৱাৰ পিচত ৰজাই ৰাজ্য আৰু সোণৰ মোহৰ নিদিলে, তেওঁ কেইদিনমান পিছত ৰজাৰ ওচৰত আহিল আৰু ক'লে যে আপুনি মোক একো নিদিলে। তেতিয়া ৰজাই ক'লে যে তুমি গান গাইছিলা আৰু মোৰ কাণে শুনি শান্তি পাইছিল। মইয়ো এনেকুৱা কথা ক'লো যে তোমাৰ কাণে শুনি শান্তি পালে। তুমি মোক ভাল লগা গান শুনালা আৰু মই তোমাক ভাল লগা কথা ক'লো। গতিকে মই ক'ব বিচাৰিছো যে বাজেটখন যাতে এনেকুৱা নহয়, আমি ভাল লগা কথা শুনালো আৰু কাণে শুনি শান্তি পায় আৰু এটা কথা যে Individual beneficiary টাৰ্গেট কৰিলে তাত এটা অসুবিধা আছে। যোৱাবাৰ কনকলতা মহিলা সৱলীকৰণৰ জৰিয়তে গোট সমূহক ১ লাখ টকাকৈ দিয়া হয় আৰু ১০ গৰাকী মহিলাই ১০ হাজাৰকৈ ভগাই লৈ যায়। আচলতে নিয়মটো এনেকুৱা হ'ব লাগে যে তেওঁলোকে ১ লাখ টকাৰে কিবা এটা ক্ষুদ্ৰ উদ্যোগ কৰক। তেওঁলোকে পইচাটো পোৱাৰ পিছত ভগাই লৈ মোবাইল কিনে, খাই পেলাই, এইটো হয়তো ভোট পোৱাৰ বাবে ভাল হ'ব। তেওঁলোকে টকা ১০ হাজাৰ পালে আৰু তেওঁলোকৰ পৰিয়ালে ভোটটো দিব। আচলতে নিয়মটো হ'ব লাগে যাতে পইচাটো খাব নোৱাৰে। কিবা এটা উন্নয়ণ মূলক খৰচ কৰিব পাৰে। সেয়েহে মই ভাৱো কেৱল Individual beneficiary ক টকাটো দিলে ভাল নহ'ব। গতিকে মই এই কথাটো কৈয়ে মই মোৰ বক্তব্যৰ সামৰিব বিচাৰিছো যে এতিয়াও যদি বাজেটত Infrastructure Development ৰ কথাটোত গুৰুত্ব দি এতিয়াও সংশোধন কৰা হয়। এই বিষয়ে মই আপোনাৰ জৰিয়তে মাননীয় বিত্তমন্ত্ৰীক অনুৰোধ জনাম। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ পৰামৰ্শটো ঠিকেই আছে। পিছত কেতিয়াবা চাব লাগিব। এতিয়া ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই কওঁক।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱাকালি অসম বিধান সভাত মাননীয় বিত্ত মন্ত্ৰীয়ে যি বাজেট দাখিল কৰিলে, মই ভাৱো যে এই বাজেট খন উন্নয়ণমুখী, বাস্তৱমুখী আৰু লগতে অসমৰ জনসাধাৰণৰ আশা-আকাংক্ষাসমূহ প্ৰতিফলিত হৈছে। গতিকে এখন সুন্দৰ বাজেট আৰু এই বাজেটে বিশেষ ভাৱে অসমৰ দৰিদ্ৰত নিৰ্মুল কৰাৰ কাৰণে আৰু লগতে অসমৰ সামাজিক আৰু সাংস্কৃতিক দিশতো যথেষ্ট প্ৰভাৱ পেলাব বুলি মোৰ বিশ্বাস আছে। কাৰণ এইখন বাজেটত আজি দৰিদ্ৰ জনসাধাৰণৰ বাবে যিখিনি টকা ধাৰ্য্য কৰিছে বা যিখিনি আঁচনি গ্ৰহণ কৰিছে, এই আঁচনিখিনিয়ে নিশ্চয় আমাৰ নিম্ন মধ্যবিত্ত শ্ৰেণীৰ যথেষ্ট সহায় হ'ব আৰু লগতে অৰ্থনৈতিক দিশৰ উন্নয়ণৰ ক্ষেত্ৰত এখোজ আগবাঢ়ি যাব। বিশেষভাৱে বাজেটত দেখা গৈছে যে এখন বাজেটৰ তাৰ যিটো অৱস্থা সেই অৱস্থাটো নিৰ্ভৰ কৰে মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ ওপৰত। ইয়াত যিটো উল্লেখ কৰিছে, যে ৰাজ্যখনত মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ ক্ষেত্ৰত যি এটা ব্যৱস্থা বা

অৱস্থান দেখুৱাইছে, এই অৱস্থাটো আমি ক'ব পাৰো যে বিশেষভাৱে যেতিয়া বিশ্ব আৰু ৰাষ্ট্ৰীয় অৰ্থনীতি যেতিয়া মন্দাৱস্থা হৈছিল, সেই সময়ত যদিও অন্যান্য ৰাষ্ট্ৰ বা ৰাজ্যত মন্দাৱস্থাৰ সৃষ্টি হৈছিল, কিন্তু সেই সময়ত অসমত মন্দ্াৱস্থাৰ সৃষ্টি হোৱা নাছিল। যিখন তালিকা প্ৰকাশ কৰিছে ইয়াত দেখা গৈছে ২০১৬-১৭ চনত বাৰ্ষিক বৃদ্ধি হৈছিল-১১.৬৩ শতাংশ আৰু ২০১৭-১৮ চনত বাৰ্ষিক বৃদ্ধি হৈছিল-১৩.৩৭ শতাংশ। ২০১৮-১৯ চনত বাৰ্ষিক বৃদ্ধি হৈছিল-১২.১৫ শতাংশ। ঠিক তেনেকৈ ২০১৯-২০ চনত বাৰ্ষিক বৃদ্ধি হৈছিল-১২.৩৮ শতাংশ। আমি যদি চাওঁ তেতিয়াহ'লে আমাৰ ৰাজ্যিক বিকাশৰ হাৰ ৰাষ্ট্ৰীয় মানতকৈ অধিক। গতিকে দেখা গৈছে যে প্ৰত্যেক বছৰিই ৰাজ্যিক যিটো GDP, এই GDP য়ে এটা বিকাশৰ হাৰ নিশ্চয় যথেষ্ট উন্নত কৰিছে। তাৰ লগে লগে মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ বৃদ্ধিৰ যি উৰ্দ্ধমুখী ধাৰা তাৰ বাজেটৰ ওপৰতো প্ৰতিফলন ঘটে। ইয়াত দেখা গৈছে যে ২০১৫-১৬ চনত আমাৰ বাজেট আছিল ৭৪,৯০৩ কোটি টকা আৰু ইয়াৰ শতকৰা হিচাপে যদি চাওঁ, তেতিয়াহ'লে ৫৬ শতাংশ সেই সময়ত আমাৰ খৰচ হৈছিল। ঠিক তেনেকৈ ২০১৬-১৭ চনত ৬৯ শতাংশ, ২০১৭-১৮ চনত ৬৬ শতাংশ আৰু ২০১৮-১৯ চনত ৬৭ শতাংশ আৰু এতিয়া ৭০ শতাংশলৈ হোৱাৰ সম্ভাৱনা আছে। গতিকে ইয়াৰ পৰা আমি উপলব্ধি কৰিব লাগিব যে বিশেষভাৱে আমাৰ ৰাজ্যখনৰ অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক দিশৰ উন্নয়ণৰ ক্ষেত্ৰত এক গতিশীল অৱস্থাত আছে আৰু এই গতিশীল অৱস্থাটো বৰ্তমানেও অব্যাহত আছে। আমি যদি চাবলৈ যাওঁ তেনেহ'লে এই বাজেটত বিশেষভাৱে প্ৰায় অষ্টাদশ মুকুতাৰ উন্নয়ণী মালা হিচাপে গণ্য কৰি ইতিমধ্যে অষ্টাদশ মুকুতাৰ উন্নয়ণী মালা কিছু গ্ৰহণ কৰিছে। এই আঁচনিসমূহৰ ভিতৰত মই লক্ষ্য কৰিছো যে আমাৰ নিম্ন-মধ্যবিত্ত শ্ৰেণীৰ এই আঁচনিসমূহে অৰ্থনৈতিক দিশত আগুৱাই নিয়াৰ ক্ষেত্ৰত যথেষ্ট সহায় কৰিব। আমাৰ ৰাজ্যখনত এতিয়াও দৰিদ্ৰ সীমাৰেখাৰ তলত থকা পৰিয়াল যথেষ্ট আছে আৰু বিশেষভাৱে আমাৰ ইয়াত অনুসূচীত জাতি- জনজাতি বা চাহ জনগোষ্ঠী আদি বিভিন্ন জনগোষ্ঠীৰ মানুহ ইয়াত বসবাস কৰে। আমাৰ অনুসূচীতি জাতি জনগোষ্ঠী, জনজাতি সকলক অৰ্থনৈতিক ভাৱে আগুৱাই নিয়াৰ মানসেৰে আৰু চাহ জনগোষ্ঠীটোক আগুৱাই নিয়াৰ ক্ষেত্ৰত যথেষ্টখিনি উল্লেযোগ্য আৰু গুৰুত্বপূৰ্ণ কিছু আঁচনি গ্ৰহণ কৰিছে আৰু এই সমূহৰ ভিতৰত বিশেষভাৱে যিখন জ্যোতিষ্মান অসম নামৰ আঁচনি লোৱা হৈছে এই আঁচনিয়ে আমাৰ দৰিদ্ৰ সীমাৰেখাৰ তলত থকা পৰিয়ালক যথেষ্ট সকাহ দিব আৰু ইয়াৰ ফলত মাহিলী ৩০ ইউনিট পৰ্য্যন্ত বিজুলী শক্তি ব্যৱহাৰ কৰা সকলো পৰিয়াললৈ বিনামুলীয়াকৈ এই বিজুলী যোগান ধৰিব আৰু বিশেষভাৱে আমাৰ যিসকল বি পি এল পৰিয়াল আছে, যিসকল চাহ জনগোষ্ঠীৰ পৰিয়াল আছে আৰু যিসকল অনুসূচীত জাতি-জনজাতি ৰ পৰিয়াল আছে এই সকলক, এই আঁচনিত অৰ্ন্তভূক্ত কৰা হৈছে আ ৰু এই আঁচনিৰ জৰিয়তে ৰাজ্য চৰকাৰে যিটো ৰাজসাহাৰ্য্য দিব এই ৰাজ সাহাৰ্য্য আমাৰ ব্যয় হ'ব প্ৰায় ২৫০ কোটি টকা। গতিকে এইটো মই ভাৱো, এটা উল্লেখযোগ্য ভাল আঁচনি আৰু এই আঁচনিৰ জৰিয়তে আমাৰ দুখীয়া পৰিয়াল সকলে যথেষ্ট সকাহ পাব আৰু ইতিমধ্যে আমি লক্ষ্য কৰিছো যে, ক্ৰমশ নিবনুৱা সমস্যাই এটা ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। আজি আমাৰ চৰকাৰী যিবিলাক বিভাগ আছে, এই বিভাগৰ জৰিয়তে আমি নিৰনুৱা সমস্যাৰ সমাধান কবিৰ নোৱাৰো। গতিকে নিৰনুৱা সমস্যা সমাধান কৰিবলৈ হ্'লে কেতবোৰ আমি বিশেষভাৱে আঁচনি গ্ৰহণ কৰিব লাগিব আৰু যিবিলাক আঁচনিৰ জৰিয়তে আমি নিৰনুৱা সমস্যা সমাদান কৰা ক্ষেত্ৰত এটা উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিব পাৰো আৰু সেই কাৰণে ইতিমধ্যে উদ্যোগ বিভাগে Skill Development ৰ নামত যথেষ্ট নিৰনুৱা যুৱকক প্ৰশিক্ষণ দিয়া হৈছে আৰু যিসকলে প্ৰশিক্ষণ পাইছে, সেই সকলক ইতিমধ্যে ২ লাখতকৈ

অধিক নিৰনুৰাই বিভিন্ন স্থানত কৰ্মসংস্থাপিত কৰিছে। ঠিক তেনেকৈ আমাক চৰকাৰে বিশষভাৱে নিৰনুৰা সমস্যা সমাধানৰ ক্ষেত্ৰত আৰু এটা উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে যিটো হৈছে আমাৰ স্বয়ম আঁচনি আৰু এই স্বয়ম আঁচনিৰ জৰিয়তে যিধৰণে মহিলাৰ গোট আছে, তেনেধৰণে যুৱক-যুৱতী সকলৰো গোট গঠন কৰি প্ৰতি গৰাকী নিৰনুৰা যুৱকক ৫০ হাজাৰকৈ টকা দিয়াৰ যিটো ব্যৱস্তা কৰিছে, এই ব্যৱস্থাৰ জৰিয়তে মই ভাৱো, আমাৰ নিৰনুৰা সকলেও কিছু সকাহ পাব আৰু ইয়াৰ বাবে প্ৰায় একহাজাৰ কোটি টকা ধাৰ্য্য কৰিছে। এতিয়া ক'ব পাৰে যে ৫০ হাজাৰ টকাৰে এজন নিৰনুৰা যুৱকে কি কৰিব? কিন্তু এই কথাটো নিৰ্ধাৰণ কৰিছে ৰাজ্য চৰকাৰে যে আমাৰ যিবিলাক সৰু-সুৰা কাম আমাৰ সমষ্টি বিলাকত থাকিব, আজি 14th Finance ৰ জৰিয়তে বিভিন্ন আঁচনি গ্ৰহণ কৰা হৈছে। ঠিক তেনেকৈ বিভিন্ন বিভাগ বিলাকৰ জৰিয়তেও আজি সমষ্টি বিলাকত বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। আম্‌াৰ যিবিলাক সৰু-সুৰা আঁচনি, সেই আঁচনি সমূহত যদি আমাৰ এই যি ৫০ হাজাৰ টকা নিৰনুৰা সকলে পাব, সেই সকলক যদি তেনেধৰণৰ কাম দি তেওঁলোকক যদি তেনেধৰণে সেই কামৰ দায়িত্ব দি কাম কৰা যায়, তেতিয়াহ'লে হয়তো কিছু আৰ্থিক দিশত তেওঁলোক লাভান্বিত হ'ব আৰু তেনেধৰণে হয়তো তেওঁলোকে কিছু অনাগত দিনত অন্য ধৰণে ব্যৱসায় বাণিজ্য কৰি স্বাৱলম্বী হোৱাৰ পথ নিশ্চয় সুগম হ'ব। গতিকে মই ভাৱো, এই আঁচনিখন যথেষ্টভাৱে আমাৰ নিৰনুৰা সকলক সহায় কৰিব। ঠিক তেনেকৈ আজি অৰুন্ধতি স্বৰ্ণ আঁচনি, অৱশ্যে এই আঁচনিখন যোৱা বছৰৰ পৰাই আছে। যোৱা বছৰৰ পৰা এই আঁচনিখন ৰাজ্য চৰকাৰে গ্ৰহণ কৰিছে। এই স্বৰ্ণ আঁচনিৰ জৰিয়তে বিশেষ বিবাহ আইন ১৯৫৪ চনৰ অধীনত বিবাহ পঞ্জীয়ণ কৰাৰ পিছত তেনেধৰণৰ পাছ লাখ টকাকৈ যাৰ বাৰ্ষিক উপাৰ্জন, তেনে ধৰণৰ পৰিয়ালক এক তোলাকৈ সোণ দিয়াৰ ব্যৱস্থা কৰিছিল আৰু ত্ৰিছ হাজাৰ টকাকৈ দিয়াৰ সিদ্ধান্ত লৈছিল। কিন্তু কালি মাননীয় বিত্তমন্ত্ৰীয়ে কৈছে যিহেতু সোণৰ দাম ইতিমধ্যে বৃদ্ধি পাইছে, গতিকে এই ত্ৰিছ হাজাৰ টকাটো চল্লিছ হাজাৰ টকালৈকে বৃদ্ধি কৰি তেনেধৰণে যিখিনি দুখীয়া বিয়া হ'ব সেই সকলক তেনেধৰণে সোণ দিয়াৰ ব্যৱস্থা কৰিছে আৰু ইয়াত ১৫০ কোটি টকা ধাৰ্য্য কৰা হৈছে। ইতিমধ্যে আমাৰ বিশেষভাৱে ৰাজ্য চৰকাৰে বিভিন্ন কল্যাণমূলক আঁচনি গ্ৰহণ কৰিছে। ইন্দিৰা মিৰি সামাজিক বিধবা পেঞ্চন, শ্বহীদ কুশল কোঁৱৰ সাৰ্বজনীন বৃদ্ধ পেঞ্চন, ঠিক তেনেকৈ অবিবাহিত বা বিবাহ বিচ্ছেদ বা বৈবাহিক অকলশৰীয়া সকলো মহিলাকে মাহিলী ২৫০ টকাকৈ পেঞ্চন দিয়াৰো ব্যৱস্থা কৰিছে আৰু ইয়াৰ বাবে বছৰি খৰচ হ'ব ৫০৫ কোটি টকা আৰু ইতিমধ্যে এই টকাও আমাৰ বাজেটত অন্তৰ্ভূক্ত কৰিছে। ঠিক তেনেকৈ কনকলতা মহিলা সৱলীকৰণ আঁচনি এইটো আগতেও আছিল। অসম দৰ্শন আঁচনি, এই আঁচনি বিলাকৰ জৰিয়তে আজি যিবিলাক ধৰ্মীয় অনুষ্ঠান আছে, এই অনুষ্ঠান বিলাকৰ উন্নয়নৰ ক্ষেত্ৰত ইতিমধ্যে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে আৰু বিশেষভাৱে মই ভাৱো যে, আমাৰ বহুদিনীয়া এটা সমস্যা, যিটো সমস্যাই জনসাধাৰণক অতিস্থ কৰি তুলিছিল, সেই সমস্যাটো হৈছে আমাৰ অসমত যিবিলাক ভেঞ্চাৰ স্কুল আছিল, সেই ভেঞ্চাৰ স্কুলসমূহ ইতিমধ্যে প্ৰাদেশিকীকৰণ কৰাৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিছে। আজি ৩২ খন কলেজ, জুনিয়ৰ কলেজ, হায়াৰ চেকেণ্ডাৰী স্কুল, হাইস্কুল, এম ই স্কুল এল পি স্কুল। আজি এই স্কুলসমূহ প্ৰাদেশিকীকৰণ কৰাৰ ক্ষেত্ৰত আমাৰ চৰকাৰখনে ব্যৱস্থা গ্ৰহণ কৰিছে আৰু যিসকল শিক্ষক হ'ব, সেই শিক্ষক সকলকো প্ৰাদেশিকীকৰণ কৰাৰ ক্ষেত্ৰত ইতিমধ্যে ব্যৱস্থা গ্ৰহণ কৰিছে। শিক্ষা বিভাগৰ পৰা প্ৰায় পাছ হাজাৰ ছয় শ একাৱন্ন খন শিক্ষানুষ্ঠান আৰু বিছ হাজাৰ দু শ আঠাসী জন শিক্ষকক প্ৰাদেশিকীকৰণ কৰাৰ ক্ষেত্ৰত ইতিমধ্যে ব্যৱস্থা গ্ৰহণ কৰিছে আৰু ইয়াৰ বাবদ তিনিশ বাসত্তৰ টকা ধাৰ্য্য কৰা হৈছে। গতিকে মই ভাৱো যে, এইটো এটা উল্লেখযোগ্য ব্যৱস্থা আৰু এই

ব্যৱস্থাৰ জৰিয়তে নিশ্চয় ভেঞ্চাৰ স্কুলসমূহ প্ৰাদেশিকীকৰণ কৰাৰ ক্ষেত্ৰত যথেষ্ট সহায়ক হ'ব। এইবাৰ এখন বিশেষ আঁচনি গ্ৰহণ কৰিছেযিখন আঁচনিৰ জৰিয়তে দৰিদ্ৰ সীমাৰেখাৰ তলৰ যিসকল পৰিয়াল আছে, সেই সকলে যথেষ্ট ভাৱে লাভান্বিত হ'ব। এই আঁচনিখন হৈছে 'অৰুণোদয় আঁচনি' আৰু এই আঁচনিৰ জৰিয়তে ধন হস্তান্তৰ আঁচনিৰ আৰম্ভণি কৰিবলৈ প্ৰত্যেকটো পৰিয়ালক মাহে চাৰিশ টকাকৈ দিয়াৰ কথা ইতিমধ্যে বাজেটত ঘোষণা কৰিছে আৰু এই যি ধন চাৰিশ টকা দিয়া হ'ব, এই টকাৰে ঔষধ ক্ৰয় কৰাৰ ক্ষেত্ৰত সেই পৰিয়ালটোক চাৰিশ টকা দিয়াৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছে আৰু পৰিয়াল বিলাকে মাহেকত যাতে দালি কিনিব পাৰে। দালিৰ দাম যিহেতু উৰ্ধমুখী হৈছে, সেয়েহে দালিৰ দামৰ পঞ্চাছ শতাংশ প্ৰতি কেজি Subsidise ৰাজসাহাৰ্য্য দিয়াৰ কাৰণেও ব্যৱস্থা গ্ৰহণ কৰিছে। অৱশ্যে এইটো চাৰি কেজিলৈকে ধৰা হৈছে,পঞ্চাছ শতাংশ প্ৰতি ৰাজসাহাৰ্য্য দিয়াৰ কাৰণে সিদ্ধান্ত গ্ৰহণ কৰিছে আৰু চাৰি কেজিৰ চেনিৰ বাবেও প্ৰতি মাহেও পঞ্চাছ শতাংশ প্ৰতি কেজি Subsidy দিয়াৰ কাৰণেও চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। তাৰোপৰি আমাৰ এই যিটো খৰছ হোৱাৰ ব্যয়ৰ পঞ্চাছ শতাংশ ৰাজ সাহাৰ্য্য পৰিয়াল সমূহকপ্ৰদান কৰিব আৰু ইয়াৰ বাবদ শাক-পাছলি কিনাৰ বাবেও প্ৰতিমাহে প্ৰতিটো দুখীয়াক মাহে ১৫০ টকাকৈ দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছে। গতিকে মই ভাবো যে এই ব্যৱস্থাৰ জৰিয়তে, এই আঁচনিৰ জৰিয়তে ইয়াৰ বাবদ শাক-পাচলি কিনাৰ বাবেও প্ৰতিমাহে প্ৰতিটো দুখীয়া পৰিয়ালক মাহে ১৫০ টকাকৈ দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছে। মই ভাবো যে এই ব্যৱস্থাৰ জৰিয়তে আমাৰ দুখীয়া পৰিয়াল সমূহে নিশ্চয় যথেষ্ট সকাহ পাব। চিকিৎসা আৰু পুষ্টি সাহায্যৰ বাবে পৰিয়াল সমূহক মাহিলী ৮৩০ টকাকৈ দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছে। অৰ্থাৎ দুখীয়া পৰিয়ালৰ অতিৰিক্ত আয় হ'ব বাৰ্ষিক ১০ হাজাৰ টকা। অৰ্থাৎ বাৰ্ষিক ১০ হাজাৰ টকাকৈ এটা পৰিয়ালক দিয়াৰ কাৰণে এই ব্যৱস্থাটো গ্ৰহণ কৰিছে। ইয়াত ২৭ টা পৰিয়ালক অন্তৰ্ভুক্ত কৰা হৈছে। গতিকে মই ভাবো এই আঁচনি সমুহৰ জৰিয়তে নিশ্চয় আমাৰ বিশেষভাবে দুখীয়া বা মধ্যবিত্ত শ্ৰেণীৰ পৰিয়াল সমূহ যথেষ্ট উপকৃত হ'ব পাৰিব। ঠিক তেনেকৈ বিশেষভাবে আজি আমাৰ যি গুৰুত্বপুৰ্ণ বিভাগ কৃষি বিভাগ হওক, জলসিঞ্চন বিভাগ হওক, বাননিয়ন্ত্ৰণ বিভাগ হওক বা উদ্যোগ বিভাগ হওঁক এই বিভাগ সমূহলৈ যথেষ্টখিনি টকাৰ আৱন্টন দিয়া হৈছে। গতিকে মই ভাবো আমাৰ কৃষিৰ লগত জলসিঞ্চন বিভাগৰো যথেষ্ট সম্পৰ্ক আছে। গতিকে কৃষিৰ যদি আমি তিনিটা খেতি কৰিব লাগে, আমাৰ মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই বছৰেকত তিনিটা খেতি কৰাৰ বাবে যি ব্যৱস্থা গ্ৰহণ কৰাৰ কথা কৈছে সেই ব্যৱস্থাৰ কাৰণে বিশেষভাৱে অসমত জলসিঞ্চনৰ প্ৰয়োজন আছে। গতিকে জলসিঞ্চনৰ কাৰণেও ইতিমধ্যে ক্ষুদ্ৰ ক্ষুদ্ৰ বিভিন্ন আঁচনি গ্ৰহণ কৰিছে, যি আঁচনিৰ জৰিয়তে আমাৰ কৃষিৰ উৎপাদন যাতে বৃদ্ধি কৰিব পৰা যায় তাৰ কাৰণে তেনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। মই এটা কথা ক'ব বিচাৰো, কৃষিৰ উৎপাদন বৃদ্ধি হোৱাৰ লগে লগে আমাৰ cold storage ৰ প্ৰয়োজন হ'ব। যদি cold storage কৰা নাযায়, তেতিয়া হলে আমাৰ কৃষিৰ উৎপাদিত সামগ্ৰী সমূহ হয়তো কম দামতেই আমি বেছিবলগীয়া পৰিস্থিতি এটাৰ ইতিমধ্যে সৃষ্টি হৈছে আৰু ভৱিষ্যতেও এই অৱস্থাৰ সৃষ্টি হ'ব। গতিকে মই ভাবো, কৃষিবিভাগে অসমত বিশেষকৈ কিছু cold storage স্থাপন কৰাৰো কিছু ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ইতিমধ্যে যদিও কৰিছে, সেই খিনি আমাৰ কাৰণে পৰ্য্যাপ্ত নহয়। গতিকে পৰ্য্যাপ্ত পৰিমানে আমি কৃষিৰ উৎপাদন বৃদ্ধি কৰিম, কৃষিৰ ক্ষেত্ৰত যিখিনি যাৱতীয় সুবিধা প্ৰদান কৰিব লাগে, আজি গোটেইখিনি সুবিধা প্ৰদান কৰা হৈছে আৰু গোটেইখিনি সুবিধা দিয়াৰ পাছতো, যদি cold storage কৰা নাযায় তেতিয়াহ'লে কিন্তু এইটো ক্ষেত্ৰত যে আমি সফল হম, মোৰ সন্দেহ আছে। গতিকে মই ভাবো যে এইক্ষেত্ৰটো

গুৰুত্ব সহকাৰে লৈ ব্যৱস্থা গ্ৰহণ কৰিব লাগে, আৰু বিশেষভাবে মই ভাবো, আমাৰ গুৱাহাটী উন্নয়ন বিভাগৰ ক্ষেত্ৰত, গুৱাহাটীৰ উন্নয়নৰ ক্ষেত্ৰত যিখিনি পুঁজি ধাৰ্য্য কৰিছে সেইখি নি যথেষ্ট নহয়। গতিকে মই ভাবো যে এই পুঁজিটো গুৱাহাটী উন্নয়নৰ ক্ষেত্ৰত আৰু কিছু পুঁজি বৃদ্ধি কৰাৰ প্ৰয়োজন আছিল। আমি জানো গুৱাহাটী মহানগৰীত তিনিটা পানী যোগান আঁচনিৰ কাম চলি আছে। তিনিটা পানী যোগান আঁচনিৰ কাম ১০ বছৰ ধৰি চলি থকাৰ পাছতো আজিলৈকে কিন্তু সেইটো সম্পূৰ্ণ কৰিব পৰা নাই। গতিকে মই ভাবো, যদি ইয়াত কিবা টকাৰ প্ৰয়োজনীয়তা যদি আছে, টকা বৃদ্ধি কৰি হলেও এই পানীযোগান আঁচনি কেইটা সম্পুৰ্ন কৰিব লাগে। কাৰণ আজি গুৱাহাটীৰ জনসাধাৰণে খোৱা পানীৰ ক্ষেত্ৰত যিটো হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে, আজি গুৱাহাটীৰ নামনিতে নহয়, পাহাৰ অঞ্চলত মানুহে এটোপা পানী পাবৰ কাৰণে ৰাতি দুটা বজাত উঠি লাইন ধৰি পানী সংগ্ৰহ কৰিব লগীয়া এটা অৱস্থাৰ সৃষ্টি হৈছে। গতিকে মই ভাবো যে এই সমস্যা সমূহ সমাধানৰ ক্ষেত্ৰত আমাৰ ৰাজ্য চৰকাৰে গুৰুত্বসহকাৰে লৈ এই সমস্যাখিনি সমাধান কৰাৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ঠিক তেনেকৈ পৰ্য্যটনৰ ক্ষেত্ৰত আমাৰ যথেষ্ট Scope আছে। আজি পৰ্য্যটনৰ ইমান সুবিধা থকাৰ পাছতো, পৰ্য্যটনৰ ক্ষেত্ৰত যিধৰণে বাস্তৱ দৃষ্টিভংগী লৈ আমি আগবাঢ়ি যাব লাগিছিল, যি ধৰণে আঁচনি গ্ৰহণ কৰিব লাগিছিল, মই ভাবো তেনেধৰণৰ আঁচনি কিন্তু আজিলৈকে গ্ৰহণ কৰিব পৰা নাই। কিছু হৈছে, মই কোৱা নাই যে একেবাৰেই পৰ্য্যটনৰ ক্ষেত্ৰত ব্যৱস্থা লোৱা নাই। মই এটা উদাহৰণ দিব বিছাৰিছো, মোৰ সমষ্টি দ্বীপৰ বিল, আজি দ্বিপৰ বিল পৰ্য্যটনৰ আৰ্কষণৰ কাৰণেও আমি বিভিন্ন আঁচনিৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰো। এটা চিগনেচাৰ স্কীমৰ ১০ কোটি টকা আজি আমি দ্বীপৰ বিলত দিছো। আজি আপুনি যদি শ্ৰীনগৰলৈ যায়, আজি শ্ৰীনগৰত যিটো ডাল লেক আছে আপুনি চাব কেনেধৰনে পৰ্য্যটনৰ আৰ্কষণৰ কাৰণে, আজি সেই ডাল লেকটো নিৰ্মাণ কৰি উলিয়াইছে। ঠিক তেনেকৈ উৰিষ্যাৰ চিল্কা হ্ৰদ আজি চিল্কা হ্ৰদৰ কাৰণে সেইখন ৰাজ্যই যথেষ্ট Revenue earn কৰিবৰ কাৰণে সক্ষম হৈছে। আজি আমি দ্বীপৰ বিলকো যদি ডাল লেকৰ দৰে, চিল্কা হ্ৰদৰ দৰে পৰ্য্যটনৰ আকৰ্ষণৰ কাৰণে যদি আমি ব্যৱস্থা গ্ৰহণ কৰিব লাগে তেনেহলে নিশ্চয় আমাৰ ৰাজহ যথেষ্টভাবে সংগ্ৰীহিত হ'ব। ৰাজহ বৃদ্ধি হোৱাৰ যথেষ্ট Scope আছে। মই বাজেটত দেখিছো, দ্বীপৰ বিলৰ ক্ষেত্ৰত কোনোধৰণৰ পুঁজি আৱন্টন দিয়া নাই। গতিকে দ্বীপৰ বিলৰ ক্ষেত্ৰত মই ভাবো, বিশেষভাবে এটা পুঁজি আৱন্টন দিয়াৰ প্ৰয়োজন আছিল। সেই পুঁজি আজি কিন্তু ইয়াত আৱন্টন দিয়া হোৱা নাই। মই আপোনাৰ জৰিয়তে মন্ত্ৰী ডাঙৰীয়াক এই দ্বীপৰ বিলৰ ক্ষেত্ৰত পৰ্য্যটনৰ আকৰ্ষণৰ ক্ষেত্ৰত বা তাৰ pollution ৰোধ কৰাৰ ক্ষেত্ৰত এটা আৰ্থিক অনুদান নিশ্চয় আগবঢ়াব লাগিছিল। কিন্তু তেনেধৰণে আগবঢ়োৱা মোৰ দৃষ্টিগোচৰ হোৱা নাই। ঠিক তেনেকৈ বিশেষভাবে শক্তি বিভাগৰ ক্ষেত্ৰটো আজি আমাৰ অসমত যিমানখিনি পাৱাৰৰ চাহিদা, এই চাহিদা অনুপাতে আমাৰ ইয়াত বিদ্যুৎ নাই। গতিকে আমাৰ বিদ্যুৎৰ ক্ষেত্ৰত নিশ্চয় ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। আমি ভাল পাইছো ইতিমধ্যে আমগুৰি আৰু কাৰ্বিলাংপিত সৌৰশক্তিৰ ক্ষেত্ৰত ডাঙৰ প্ৰজেক্ট লৈছে। মই ভাবো যে আমাৰ নামনি অসমতো এনেধৰণে সৌৰ শক্তিৰ বাবে এটা ডাঙৰ প্ৰকল্প লোৱাৰ ক্ষেত্ৰটো নিশ্চয় ব্যৱস্থা গ্ৰহণ কৰিব লাগিব । আমি সৌৰ শক্তিৰ ওপৰত বেছি গুৰুত্ব প্ৰদান কৰিব লাগিব, আৰু সৌৰ শক্তিৰ জৰিয়তে আমাৰ যিটো বিদ্যুতৰ চাহিদা এই চাহিদাটো আমি নিশ্চয় পুৰণ কৰিব পাৰিম। মই ভাবো তেনে ধৰণৰ আঁচনি যদি গ্ৰহণ কৰি আগবঢ়াই নিয়ে তেতিয়া হ'লে আমাৰ শক্তি বিভাগৰ ক্ষেত্ৰত, বিদ্যুতৰ ক্ষেত্ৰত যি নাটনি হৈছে, এই নাটনিটো যথেষ্ট পৰিমানে লাঘৱ হ'ব। ঠিক তেনেকৈ আজি গড়কাপ্তানি বিভাগত উল্লেখযোগ্য ভুমিকা গ্ৰহণ কৰিছে। যেতিয়া অজন্তা বাইদেউ আছিল

২০০৬ আৰু ১১ চনত মই এম এল এ আছিলো, তেওঁ যথেষ্ট ভাবে সেই সময়ত কাম কৰিছে তেওঁ, এইটো স্বীকাৰ কৰিব লাগিব। কিন্তু আজিও আমি দেখিছো যে আমাৰ চৰকাৰখনে আজি গড়কাপ্তানি বিভাগে, আজি ৰাস্তা-ঘাটৰ ক্ষেত্ৰত এটা বিশেষ ভুমিকা গ্ৰহণ কৰিছে। আজি যি ধৰণে ৰাস্তা-ঘাট নিৰ্মান হৈছে, মই ভাবো যে আজি বিৰোধী দলেও স্বীকাৰ কৰিব লাগিব। আজি ৰাস্তা-ঘাটৰ ক্ষেত্ৰত যথেষ্ট কাম হৈছে। আজি যিবিলাক কাঠৰ দলং আছিল, সেই বিলাকো কংক্ৰীটৰ দলঙলৈ ৰূপান্তৰিত হৈছে। সীমান্ত অঞ্চলটো আজি যথেষ্ট কাম কৰিবৰ কাৰণে সক্ষম হৈছে। গতিকে মই ভাবো আজি গড়কাপ্তানি বিভাগৰ কাম-কাজ আমি সচাঁকৈয়ে স্বীকাৰ কৰিব লাগিব, গড়কাপ্তানি বিভাগে যথেষ্ট কাম কৰিছে। আমাৰ যদি এটা অঞ্চলৰ কথা ক'বলৈ যাওঁ তেতিয়া হ'লে ৰাস্তা-ঘাটেই হৈছে সেই অঞ্চটোৰ উন্নয়নৰ মাপকাঠী। যদি আমি ৰাস্তা-ঘাটবোৰ ভাল কৰিব নোৱাৰো, তেতিয়া অঞ্চল বিলাকৰ বিকাশ হোৱা বুলি ক'ব নোৱাৰো, অসমখনৰ উন্নয়ন হোৱা বুলি আমি ক'ব নোৱাৰো। এতিয়াহে আমি ক'ব পাৰো যে অসমখনৰ উন্নয়ন হৈছে। যিহেতু ৰাস্তা-ঘাট যথেষ্ট পৰিমানে উন্নত হৈছে। আমাৰ কাঠৰ দলং বিলাক যিহেতু পকীকৰণ হৈছে। গতিকে উন্নয়নৰ মাত্ৰা আমাৰ এতিয়া যথেষ্ট পৰিমানে আগবাঢ়ি গৈছে।

**(Hon'ble Deputy Speaker on the Chair)**

যোৱাকালি যিখন বাজেট ইয়াতে উপস্থাপন কৰিলে এই বাজেটত অসমৰ জনসাধাৰণৰ আশা-আকাংক্ষা প্ৰতিফলিত হৈছে আৰু জনসাধাৰণে গ্ৰহণ কৰিছে । আৰু মই ভাবো দৰিদ্ৰতা নিৰ্মূলৰ ক্ষেত্ৰত এই বাজেটখনে যথেষ্ট সহায় কৰিব । ইয়াৰ যোগে অসমৰ সামাজিক আৰু সাংস্কৃতিক দিশতো এটা প্ৰভুত প্ৰভাৱ পৰিব বুলি মোৰ এটা বিশ্বাস আছে গতিকে মই এইখিনিয়েই কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিছো । ধন্যবাদ ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া সন্মানীয় সদস্যা শ্ৰীমতী অজন্তা নেওগ ।

**শ্ৰীমতী অজন্তা নেওঁগ ঃ** উপাধ্যক্ষ ডাঙৰীয়া, বিত্তমন্ত্ৰী ডাঙৰীয়াই সদনত ২০২০-২১ বৰ্ষৰ বাজেট উত্থাপন কৰিছে । বাজেট হৈছে এটা বছৰৰ আনুমানিক সাম্ভাব্য আয়-ব্যয়ৰ খতিয়ান । মন্ত্ৰী ডাঙৰীয়াই ২০১৬ চনৰ পৰাই বাজেটখন উত্থাপন কৰি আহিছে আৰু তেখেতৰ বাজেটৰ বক্তব্য বিলাক শুনিবলৈ অতি ভাললগা, যথেষ্ট শ্লোক আৰু কবিতাৰে সমৃদ্ধ । এইবাৰ বাজেটত তাৰ প্ৰয়োভৰ কিছু কমিছে । এই বাজেটখনত চৰকাৰখনে যথেষ্ট প্ৰতিশ্ৰুতিৰ বন্যা দিছে । সেই গোটেইখিনি প্ৰতিশ্ৰুতিৰ কথা ক'বলৈ নাযাওঁ। এই বাজেটখনত যোৱা বছৰৰ যিবিলাক প্ৰতিশ্ৰুতি আছিল সেইবিলাক আৰু এক নতুন প্ৰতিশ্ৰুতিৰ মিশ্ৰন। তাত মুখ্য ভাৱে কেইটামান প্ৰতিশ্ৰুতি আছিল, সেইকেইটা হৈছে যে ২৭ লাখ পৰিয়ালক ১০ হেজাৰকৈ টকা বছৰি directly bank transfer হ'ব । তাত পুঁজি অনুমোদন কৰা হৈছে প্ৰায় ২৪০০ কোটি টকাৰ এটা সৰ্ববৃহৎ পুঁজি । দ্বিতীয়তে চাহ শ্ৰমিকসকলক ৩০০০ টকাকৈ একাউণ্ট ট্ৰেন্সফাৰ কৰিব । তাতো পুঁজি ৰখা হৈছে । কৃষকসকলক কৃষি সামগ্ৰী ক্ৰয়ৰ বাবে ৫০০০ টকাকৈ একাউণ্ট ট্ৰেন্সফাৰ কৰিব । দুই লাখ যুৱকক ৫০ হাজাৰ টকাকৈ পুঁজি আগবঢ়াব । এতিয়া কথাটো হৈছে আমাৰ ৰাজ্যখনৰ আৰ্থ-সামাজিক সমস্যাবিলাকৰ স্থায়ী পৰিবৰ্তন হ'বনে নে নাই ? আমি দেখিছো যে এই বাজেটখনত বিশেষভাৱে কৃষকসকল, যুৱক-যুৱতীসকলৰ যিখিনি স্থায়ী সমস্যা আছে সেই স্থায়ী সমস্যা সমাধানৰ কিন্তু কোনোধৰণৰ পথ আমি ইয়াতে দেখা নাই । এই আঁচনি বিলাকৰ দ্বাৰা হয়টো এককালীনভাৱে ক্ষন্তেকীয়া কিছু আনন্দ পাব পাৰে কিন্তু মই নাভাবো যে এই ৰাজ্যখনৰ যি আৰ্থসামাজিক দিশ এই আৰ্থসামাজিক দিশটোৰ স্থায়ী পৰিৰৰ্তন আনিবৰ বাবে সক্ষম হ'ব । আজি দেখিছো আমাৰ ৰাজ্যখনত নিবনুৱা যুৱক-যুৱতীৰ সংখ্যা কিমান ? প্ৰায় ২০-২৫

লাখ । ২০১৯-২০ বৰ্ষত বিত্তমন্ত্ৰী ডাঙৰীয়াই এইখন সদনতে বাজেটত এটা কথা কৈছিল যে "Demographic Dividend" অৰ্থাৎ জনপ্ৰাপ্তিক মুনাফা আৰু তেখেতে কৈছে যে আমাৰ ৰাজ্যখনৰ ৫০ শতাংশ মুঠ জনসংখ্যা ২৫ বছৰৰ অনুৰ্দ্ধ । তাৰ লগত সংযোগ হৈছে ৭৩% শিক্ষিতৰ হাৰ । এই দুয়োটা উপাদান মিলি হৈছে জনপ্ৰাপ্তিৰ মুনাফা । ইয়াৰ পৰা আমি আমাৰ ৰাজ্যখনৰ ভৱিষ্যতৰ যিটো উন্নয়ন সেই উন্নয়নৰ স্বপ্ন জনপ্ৰাপ্তিৰ মুনাফাৰ পৰা লাভ কৰিবলৈ সক্ষম হ'ম । এতিয়া কথা হৈছে আমাৰ যি নিবনুৱা সমস্যা এই নিবনুৱা সমস্যাই এটা সৰ্বগ্ৰাসী ৰূপ ধাৰণ কৰিছে আৰু মন্ত্ৰী ডাঙৰীয়াই এই কথাখিনি কোৱাৰ পিছত আমি ভাবিছিলো যে বাজেটত এনেকুৱা ধৰণৰ কিছু আঁচনি আহিব যিবোৰে নিবনুৱা যুৱক-যুৱতীৰ প্ৰাণৰ সঞ্চাৰ কৰিব । আমি দেখিছিলো যে ২০১৯-২০ বৰ্ষৰ বাজেটত এখন আঁচনি ধৰিছিল সেই আঁচনিখনৰ নাম আছিল 'স্বয়ম' । স্বামী বিবেকানন্দৰ নামত এই আঁচনিখন উচৰ্গা কৰা হৈছিল । সেই সময়ত যদিও মই বিৰোধী দলৰ বিধায়িকা, মই মনে মনে ভাল পাইছিলো যে অন্ততঃ চৰকাৰে ১ লাখ নিবনুৱা যুৱক-যুৱতীক বেংকৰ লোন দিব । সেই সময়ত পাটোৱাৰী ডাঙৰীয়াই আমাৰ প্ৰত্যেকজন সদস্যকে পাঁচশ খনকৈ ফৰ্ম দিছিল । সেই ফৰ্মৰ টোপোলাটো কিন্তু আমি সমষ্টি বিলাকত বৰ আনন্দৰে লৈ গৈছিলো যে অন্ততঃ এই পাঁচশ ফৰ্মএ আমাৰ সমষ্টিৰ ৫০০ নিবনুৱা যুৱক-যুৱতীক উপকৃত কৰিব । আমি যুৱক-যুৱতী বিলাকক ফৰ্ম দি অতি আশাৰে বাট চাই ল'লো যে আমাৰ ৫০০ যুৱক-যুৱতীয়ে অন্ততঃ বেংকৰ জৰিয়তে কিবা এটা সংস্থাপনৰ মুখ দেখিব । মই এইবাৰ বিধানসভাত এটা প্ৰশ্ন সুধিছিলো যে এই 'স্বয়ম' আঁচনিত অসমৰ কিমান যুৱক-যুৱতীয়ে ঋণ পালে । উত্তৰটো আহিলে যে টাৰ্গেট আছিল ১ লাখ । সেই ১ লাখৰ ভিতৰত লোন পাবলৈ সক্ষম হৈছে মাত্ৰ ৫৪০০ যুৱক-যুৱতী আৰু মোৰ সমষ্টিত মাত্ৰ ১৮ জন । ইয়াত স্বপ্ন পূৰণৰ কথা কোৱা হৈছিলে,কিন্তু প্ৰকৃততে ইয়াত স্বপ্ন পূৰণ হৈছে নে স্বপ্ন ভঙ্গ হৈছে ? মই মন্ত্ৰী ডাঙৰীয়াক সুধিব বিচাৰিছো যে তাৰ বাবে দায়ী কোন ? আজি যুৱক-যুৱতী সকলক স্বপ্ন আমি দেখুৱালো, এক লাখ যুৱক-যুৱতীক সপোন দেখুৱালো যে তোমালোকে ঋণ পাবা, তোমালোকে নিজৰ ভৰিত থিয় হ'বা কিন্তু বাস্তৱৰ ছবিটো কি ? মাত্ৰ পাঁচ হাজাৰ যুৱক-যুৱতীয়ে আজি ঋণ পাবলৈ সক্ষম হৈছে আৰু ৯৫ হাজাৰ একে অৱস্থাতে আছে । এই বাজেট খনত উল্লেখো কৰিছে এইবাৰ মন্ত্ৰী ডাঙৰীয়াই যে 'স্বয়ম' আঁচনিখনত আমাৰ ভুল হৈছিল। গতিকে স্বপ্ন ভঙ্গ হৈছেনে নাই ? আজি উপাধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখনত নতুন নতুন বহু শিক্ষানুষ্ঠানৰ কথা মন্ত্ৰী মহোদয়ে ঘোষণা কৰিছে আৰু আগতেও ঘোষণা কৰিছিলে । মই আগৰ বিধানসভাৰ বাজেট বক্তব্য বিলাকতো কৈছিলো যে আমাৰ নতুন নতুন Hospital, Medical College, Engineering College, University আমাক লাগে। আমি Welcome কৰিছোঁ । মোৰ জিলাখনত সতী সাধিনীৰ নামত এখন বিশ্ববিদ্যালয় দিছে। মই আন্তৰিকতাৰে আদৰণি জনাইছো এই সিদ্ধান্তক । কিন্তু প্ৰশ্ন উঠিছে যে যিসকল শিক্ষাৰ্থীয়ে আজি এই Engineering College ৰ পৰা ডিগ্ৰী লৈ ঘৰলৈ উভতি আহিছে, Medical College ত ডিগ্ৰী লৈছে, বিশ্ববিদ্যালয়ত ডিগ্ৰী লৈছে, সেই ল'ৰা-ছোৱালীবোৰৰ ভৱিষ্যৎ কি হ'ব ? কিন্তু অতি দুখৰ কথা যে সেই ল'ৰা-ছোৱালীবোৰৰ ভৱিষ্যৎ সুৰক্ষিত কৰিবৰ বাবে একো নতুনত্ব এই বাজেটত প্ৰতিফলিত নহ'ল । এটা সময় আছিল যেতিয়া আমি বিশ্ববিদ্যালয়লৈ গৈছিলো তেতিয়া আমাৰ পিতৃ-মাতৃৰ আমাক লৈ চিন্তা আছিল আৰু আমাৰ শিক্ষাৰ নামত যথেষ্ট টকা ব্যয় কৰিব লগীয়া হৈছিল আৰু যেতিয়া বিশ্ববিদ্যালয়ৰ পৰা ডিগ্ৰী লৈ পাচ কৰি ওলাই আহিছিলো আৰু চাকৰি আদিৰে সংস্থাপিত হৈছিলো তেতিয়া আমাৰ পিতৃ-মাতৃৰ মুখত হাঁহি বিৰিঙিছিল যে সঁচা অৰ্থত আমি ল'ৰা-ছোৱালীবোৰক পঢ়াবলৈ লৈছোঁ আৰু শিক্ষা ল'লৈ আৰু সংস্থাপিত হৈ পৰিয়ালটোক চাইছে। কিন্তু আজিৰ ছবিখন

ওলোটা । আজিৰ পিতৃ-মাতৃসকলে সন্তানক পঢ়ুৱাইছে, সন্তানে বিশ্ববিদ্যালয়ৰ পৰা ডিগ্ৰী লৈছে, তাৰ পিছত আমি শংকিত যে এই ল'ৰা-ছোৱালী বোৰৰ ভৱিষ্যৎ সুৰক্ষিত হ'ব নে ? আমি তেওঁলোকক এক অন্ধকাৰ ভৱিষ্যতৰ দিশে ঠেলি দিছো নেকি ? আজি আমি ৰাজ্যখনত দেখিছো যে নিবনুৱা সমস্যাই যথেষ্টখিনি গা কৰি উঠিছে । যিহেতু উদ্যোগ, কল-কাৰখানা আমাৰ নতুনকৈ স্থাপন নহয় বুলি চৰকাৰে কৈছে । কিন্তু আমি এক সামাজিক সুৰক্ষিত, অৰ্থনৈতিক সুৰক্ষিত জীৱন এওঁলোকক দিব পৰা নাই । ফলশ্ৰুতিত এই ল'ৰা-ছোৱালীবোৰ মানসিকভাৱে ভাঙি পৰিছে আৰু মানসিকভাৱে হতাশগ্ৰস্ত হ'লে কি অৱস্থা হয় মই আৰু পুনৰবাৰ দোহাৰিব খোজা নাই । ল'ৰা-ছোৱালী সকলৰ ভৱিষ্যৎ সুৰক্ষিত কৰাৰ ক্ষেত্ৰত চৰকাৰখনৰ নৈতিক দায়িত্ব আছে । আজি আমাৰ ৰাজ্যখনত যিবিলাক উদ্যোগ আছিল সেই উদ্যোগ বিলাক মৃতপ্ৰায় হৈছে । সেইকাৰণে মই পুনৰবাৰ কৈছো আমি ২ লাখ যুৱক-যুৱতীক ৫০ হাজাৰ টকাৰে গোট খুলি চৰকাৰে ১০০০ কোটি টকা বাজেটত ঘোষণা কৰিছে । মই কৈছোঁ ১০০০ কোটি টকা নহয় যদি গোটেই বাজেটৰ টকা সেই গোটত দিওঁ আমাৰ আপত্তি নাই কিয়নো প্ৰত্যেক পৰিয়ালৰে আমাৰ একো একোজনকৈ সন্তান আছে । আমি যেতিয়া সন্তানসকলৰ মুখত হাঁহি দেখো গোটেই পৰিয়ালটোৱেই আনন্দিত হওঁ, সমাজখন আনন্দিত হয় আৰু আমি সকলোৱে এই পৰিয়ালটোক লৈ সপোন দেখো । সেয়ে আমি এইসকল লোকক যিমান পুঁজি দিলেও আমাৰ কোনো আপত্তি নাই । কিন্তু এই আঁচনিবিলাক সুপৰিকল্পিত হ'ব লাগিব। আজি পদ্ম হাজৰিকা ডাঙৰীয়াই  ভাল কথা কৈছে, তেখেত এজন বলিষ্ঠ বিধায়ক। তেখেতে নিজৰ সমষ্টি নিবনুৱা যুৱক-যুৱতীৰ আত্ম সংস্থাপনৰ বাবে নিজা ববীয়াকৈ উদ্যোগ গঠন কৰিছে। তেখেতক আমি সকলোৱে ধন্যবাদ দিছো। এই যুৱক-যুৱতীসকলৰ কাৰণে পৰিবেশ সৃষ্টি কৰিব লাগিব। আজি এই যিটো আঁচনি তাত ৫০ হাজাৰ টকা দিছে এজন যুৱকক। মই এটা কথাই ক'ব বিচাৰিছো। মোৰ সমষ্টিত ৩-৪ মাহ ধৰি এটা বুবু-বাবা চলি আছে। এটা গোট খুলিব লাগে  একাউন্টত পইচা দিব। মই বুজি পোৱা নাই। কোনো বাজেট নাই , স্কিম নাই। কিহৰ বাবে গোট। এন আৰ এল এমৰ বিষয়াৰ পৰা জানিলো। কেইজনমান লৰাই মোক জনালে ইলেক্শ্যন আহিছে নহয়। শাসক দলৰ লৰাখিনিক ইলেকশ্যন খেলিবলৈ বোলে ৫০ হ াজাৰ টকা দিব। কথাটো সঁচানে মিছা মই নাজানো। গতিকে অধ্যক্ষ মহোদয় আমাক শংকা আছে। ১০০০ কোটি টকা কম নহয়। মোৰ এটা পৰামৰ্শ আছিল যে আমাৰ নিবনুৱা যুৱকসকলক যদি মাহেকত কিছু পুঁজি ভাট্টা হিচাপে দিব পাৰিলেহেঁতেন কিছু হ'লেও আমাৰ যুৱক যুৱতীসকলে সকাহ পালেহেঁতেন। তেওঁলোকৰ যি নিম্নতম খৰচ আছে সেইখিনিৰ বাবে পিতৃ-মাতৃৰ ওচৰত হাত পাতিব নালাগিলেহেঁন। গতিকে চৰকাৰক মই কম যে তেওলোকক মাহেকীয়া ভাট্টা দিয়ক। দ্বিতীয়তে উপাধ্যক্ষ মহোদয়, আমি  যিটো আৰ্থ সামাজিক উন্নয়ণৰ কথা কৈছো । আমাৰ ৰাজ্যখনৰ  স্থায়ী উন্নয়ণৰ কথা কৈছো । আমাৰ ৰাজ্যখনক উন্নয়ণ কৰিব পৰা খণ্ডটো হৈছে কৃষি অৰ্থনীতি। কৃষিক বাদ দি কোনো ৰাজ্যই উন্নত কৰিব নোৱাৰে। আমাৰ ৰাজ্যখনৰ শতকৰা ৮৫ ভাগ মানুহ গাঁৱত বাস কৰে। আমাৰ অৰ্থনীতি হৈছে কৃষিভিত্তিক অৰ্থনীতি।  সেই কাৰণে আমি কৃষিক গুৰুত্ব দিব লাগিব। তাৰ লগে লগে আমাৰ নিবনুৱা সমস্যাও ভালেখিনি লাঘৱ হ'ব বুলি মোৰ বিশ্বাস।  কিন্তু এইখন বাজেটত কৃষি খণ্ডত কিবা নতুনত্ব দেখিছেনে উপাধ্যক্ষ মহোদয়। বছৰ বছৰ ধৰি ট্ৰেডিশ্যনেল পৰম্পৰা ইয়াত চলি আছে। কোনো নতুনত্ব নাই। আমি নতুন যুৱক যুৱতীসকলক আকৰ্ষণ সৃষ্টি কৰিব লাগে কৃষি খণ্ড ত নিয়োজিত হোৱাৰ কাৰণে  লগতে তেওঁলোকক আগবঢ়াই লৈ যোৱাৰ বাবে আমাৰ চেষ্টা থাকিব লাগিব। আমি উৎসাহিত কৰিব লাগে যাতে কৃষি ক্ষেত্ৰত আমাৰ যুৱক যুৱতীসকল আগবাঢ়ি যাব পাৰে। আজি পাঞ্জাৱ, হাৰিয়ানা, পশ্চিম বঙ্গ এই ৰাজ্যবিলাক

কৃষি ক্ষেত্ৰত বহুত আগবাঢ়ি গৈছে। কৃষি খণ্ডটোৱে পাৰ কেপিটা ইনকাম বঢ়োৱাত যথেষ্ট নিৰ্ণায়ক ভূমিকা ল'ব পাৰে। পাঞ্জাৱ, হাৰিয়ানা, পশ্চিম বঙ্গ এই ৰাজ্যবিলাকৰ কৃষি ক্ষেত্ৰত জড়িত কৃষকসকলক প্ৰগ্ৰেচীভ ফাৰমাৰ বুলি কৈছে। কালি যদি আমাৰ উত্তৰসুৰীসকলক কওঁ যে তোমালোকে খেতি কৰা তেওঁলোকে নকৰে। কাৰণ আমি তেওঁলোকক কোনো দিনে উৎসাহিত কৰা নাই। আমি এটা পৰিবেশ সৃষ্টি কৰিব লাগিব। চৰকাৰে যদি এটা কৃষিভিত্তিক আঁচনি দিয়ে য'ত আমি আমাৰ সন্তানসকলক আগবঢ়াই লৈ যাব পাৰো। আজি প্ৰত্যেকজন ব্যক্তিয়ে জানে যে মাছ, কণী, , মাংসৰ চাহিদা পুৰণৰ বাবে এতিয়াও আমি বাহিৰৰ পৰা আমদানি কৰিব লাগে। এই খাদ্যখিনি কিয় আমি ৰাজ্যত উৎপাদন কৰিব পৰা নাই। কিন্তু মই একেবাৰে হোৱা নাই বুলিও নকওঁ। কিছুখিনি হয়তো হৈছে। কিন্তু ইয়াৰে বেছিভাগে হৈছে ব্যক্তিগত খণ্ডত। ব্যক্তিগত উদ্যোগতহে যুৱক-যুৱতীসকল আগবাঢ়ি আহিছে। আমাৰ অসমত সকলোখিনিয়ে আছে। " আমি অসমীয়া নহওঁ দুখীয়া, কিহৰ দুখীয়া হ'ম। সকলো আছিল- সকলো আছে নুশুনো -নলওঁ গম"। অসমৰ উৰ্ব্বৰা মাটিত চন পৰিলেও আমাৰ চাওঁতা কোনো নাই। এতিয়া আমাৰ যুৱক যুৱতীসকল আগবাঢ়ি আহিব লাগিব। ইয়াৰ বাবে আমাৰ নিউ টেকনোলজি লাগিব। নিউ ইনোভেশ্যন লাগিব। ইয়াৰ সহযোগত আমি এই নিবনুৱা লৰা ছোৱালীখিনিক যদি আগবঢ়াই লৈ যাওঁ তেন্তে নিশ্চয় অসমৰ বিকাশ হ'ব। কৃষিৰ জৰিয়তে এক বিশাল সংস্থাপনৰ উৰ্ব্বৰা পথাৰ আছে। এই ক্ষেত্ৰত কৃষি বিভাগৰ অগ্ৰণী ভূমিকা থাকিব লাগিছিল। কিন্তু আমি এইটো বাস্তৱত দেখিবলৈ পোৱা নাই। কোনো নতুনত্ব নোহোৱাকৈ বিভাগটো চলি আছে গতিকে মই চৰকাৰৰ দৃষ্টিগোচৰ কৰিছো। গতিকে মই আশা কৰিম যাতে আহিব লগীয়া সময়ছোৱাত তেখেতসকলৰ কৰণীয়খিনি যাতে কৰে। আপোনালোকে আমাক Government of Assam, Finance Deptt.ৰ পৰা তথ্য দিছিলে। ইয়াত লিখা আছে। The Share of Agriculture and its allied activities in groath domestic products (GDP) at current prices merginally had came down from 19.89% in2011-12 to 16.76 % in 2017-18 and 15.80 % in 2018-19 similarly the contribution of Agriculture allied Sector to total GSDP act constant prices. 2011 snd 2012 has slightly declared by .60% due to lace production of paddy, purchase and some vegitable corps. ইয়াত লিখা আছে, মই কোৱা নাই। উৎপাদন কমিছে। উপাধ্যক্ষ মহোদয় আমাৰ এটা কথা আছে যে বানিজ্যে বসতে লক্ষ্মী। কিন্তু আজি সেই কথা ক'ব নোৱাৰি। কাৰণ উদ্যোগ ক্ষেত্ৰত মন্দা অৱস্থা। অৰ্থনীতিত মন্দা হৈছে তাৰ প্ৰভাৱ অসমৰ লগতে গোটেই ভাৰতবৰ্ষত পৰিছে। জি এচ টি, ডিমনিটেজাইশ্যন, এইবিলাকৰ প্ৰভাৱ উদ্যোগ খণ্ডত পৰিছে। তাৰ ফলত নিৰ্মান খণ্ডত, কৃষি খণ্ডত বিস্তৰ প্ৰভাৱ পৰিছে। সেই কাৰণে আমি দেখা পাইছো আমাৰ কৃষকসকলৰ উৎপাদিত সামগ্ৰী বিলাকৰ বিক্ৰীৰ বজাৰ নাইকীয়া হৈছে। মাৰ্কেট ইকোনমি ডাউন হৈছে। কষ্ট অৱ প্ৰডাকশ্যন তেওঁলোকে কৃষকসকলে পোৱা নাই। লোকচানৰ সন্মূখীন হ'ব লগীয়া হৈছে। ইয়াৰ কাৰণ বিশ্লেষণ কৰিব লগীয়া হৈছে। ইয়াৰ কাৰণ আছে আমি খাদ্য সামগ্ৰী ষ্ট'ৰেজ কৰিব নোৱাৰো। ৰবি শস্য ষ্টৰেজ কৰিব নোৱাৰো তাৰ বাবে কোটি কোটি টকাৰ ৰবি শস্য কৃষকে ৰাস্তাত পেলাই দিয়া দেখিবলৈ পোৱা গৈছে। আৰু এটা হ'ল কৃষকসকল আজি মধ্যভোগীৰ কৱলত। মধ্যভোগীৰ প্ৰকোপত আমাৰ কৃষকসকলে বজাৰৰ দামটো পাবলৈ সক্ষম হোৱা নাই। আমি দেখিছো কৃষকসকলে উৎপাদিত সামগ্ৰী ২ টা-৩ টকাত বিক্ৰী কৰিবলৈ বাধ্য হৈছে কিন্তু সেই একে সময়ত চহৰৰ বজাৰত একে

সামগ্ৰী ৪০-৫০ টকা বজাৰ দৰত বিক্ৰী হৈছে। মধ্যভোগীৰ প্ৰকোপত এই কৃষকসকলৰ অৱস্থা নাইকীয়া হৈছে। কৃষি ঋণৰ কথা কৈছো- যে বহুত কৃষকে কৃষি লোণ ঘুৰাব নোৱাৰি আত্মহত্যা কৰিবলগা হোৱাৰ নিচিনা পৰিৱেশ সৃষ্টি আমাৰ অসমতো হৈছো। গতিকে এই গোটেই কথাখিনিৰ পৰ্য্যালোচনা কৰাৰ সময় আহি পৰিছে। আমি এইটো কথা চিন্তা কৰিব লাগিব যে কৃষিয়ে হৈছে এনেকুৱা এটা খণ্ড যাৰ জৰিয়তে আমাৰ ৰাজ্যৰ গ্ৰাম্য অৰ্থনীতি আমি আগবঢ়াই লৈ যাবলৈ পাৰিম। জনমুৰি আয়ো আমি বৃদ্ধি কৰিব পাৰিম। কিন্তু দুখৰ কথা এতিয়াও ৰাজ্যখনত আমাৰ জনমূৰী আয় যিটো নেচনেল এভাৰেষ্ট আছে তাতকৈ বহুত তলত আমি আছো। আজি চৰকাৰে কৈছে যে যোৱা ২০১৮-১৯, ২০১৯-২০ বিত্তীয় বৰ্ষত ইমান ৭০ হাজাৰ কোটি টকা ৬০ শতাংশ, ৫০ শতাংশ, ৭০ শতাংশ খৰচ কৰিছো। কিন্তু উপাধ্যক্ষ মহোদয়, আপোনাক দুখৰে কৈছো যে আমাৰ হাউচৰ বাহিৰত থকা মানুহ সকলে বাজেটখন বুজি নাপায়। ইয়াত জি ডি পি কিমান grouth কৰিছো, আমি কিমান শতাংশ টকা খৰচ কৰিলো বাহিৰা মানুহে বুজি নাপায়। আমাৰ অসমৰ সেইসকল লোকক কি লাগে যে তেওঁলোকক লাগে অসমৰ আৰ্থসামজিক দিশ বিলাকৰ স্থায়ী সমস্যাৰ সমাধান হ'ব লাগে। আমাৰ সেই সমস্যাবিলাক কি বানপানী, গড়াখহনীয়া, নিবনুৱা সমস্যা আজি মূল্যবৃদ্ধি হৈছে, আমাৰ সামাজিক সমস্যা, Social unrest হৈছে, আজি আমাৰ মানুহ ৰাজপথত উঠিব লগা হৈছে, এই সমস্যাবিলাকৰ সমাধান বিচাৰে। আমি যেতিয়া এখন বাজেট উত্থাপন কৰো তেতিয়া তাত আমি তিনিটা দিশ চাওঁ, সামাজিক দিশটো চাওঁ, অৰ্থনৈতিক দিশটো চাও, ৰাজনৈতিক দিশটো চাওঁ। তিনটা দিশেই চাওঁ। ইয়াত হয়তো ৰাজনৈতিক দিশটো বেছিকৈ চাইছে। কিন্তু সামাজিক দিশটো চাব লাগিব। যে Social unrest হৈছে গোটেই ৰাজ্যখনত। আগৰ বাজেট বোৰৰ প্ৰথম পৃষ্ঠাতে লিখা আছিল যে বিদেশী মুক্ত অসম। আজি সেই দিশত আৰু বহুত বেছি ক'ব নোখোজো। বিদেশীমুক্ত অসম আজি আমি পাবলৈ গৈ আছো নে বিদেশীমুক্ত অসম শ্লোগান এটাত পৰিনত হৈছে উপাধ্যক্ষ মহোদয় মই দুখৰে এই কথাখিনি উত্থপান কৰিছো। আজি জাতি মাটিৰ কথা কোৱা হৈছে যে আমাৰ তিনিটাকৈ তৈলক্ষেত্ৰ নিলাম হ'ল, আমাৰ ৰাজ্যখনত আজি এন আৰ এলৰ কথা কৈছে, এন এল ৰিফাইনেৰী, আমাৰ এটা ৰাজ্যখনৰ বদনামেই আছে যে আমি কিবা এটা পাবলৈ হলে সদায় আন্দোলনে কৰিব লাগে। মই যোৱাবাৰ যেতিয়া নুমলিগড় ৰিফাইনেৰী Disinvestment কৰিবৰ কাৰণে এটা প্ৰস্তাৱ লোৱা হ'ল কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা। তেতিয়া আমি ৰাজপথলৈ ওলাই আহিব লগা হ'ল, ময়ো গৈছিলো তাত আন্দোলন কৰিবৰ কাৰণে। তাৰ পিছত বিভিন্ন ধৰণৰ জনআন্দোলন হ'ল, তাৰ ফলতে চৰকাৰে সেই প্ৰস্তাৱ উঠাই ল'ব লগীয়া হ'ল। কিন্তু সেইখন পিছত বিধান সভা বিলাকত আকৌ প্ৰস্তাৱ অনা হ'ল। আমাৰ কলিতা ডাঙৰীয়া বহি আছে মন্ত্ৰী ডাঙৰীয়াক বহুত প্ৰশংসা কৰিলে। কিন্তু কথা হৈছে অসম চুক্তিৰ ফচল নুমলিগড় ৰিফাইনেৰী, সেই ৰিফাইনেৰীটো দেখো মোডী ডাঙৰীয়াই Disinvestment কৰিবলৈ গৈছিল, এতিয়া আকৌ ধন্যবাদ দিব লগা হ'ল। আজি ব্যৱসায়ৰ তাড়নাৰ ভিত্তিত চৰকাৰে ইনভেষ্টমেন্ট কৰিবই, সেইটোত ব্যৱসায় জড়িত আছে। কিন্তু অসমৰ স্বাৰ্থত জড়িত ৮৫৫ জন শ্বহীদৰ ত্যাগৰে এই নুমলীগড় ৰিফাইনেৰী আমি পালো আকৌ চৰকাৰে সেইটো Disinvestment কৰিব বিচাৰিছিল, আমি আকৌ ঘুৰাই পালো। মই সেইদিনাখন ভাৱিছিলো যে আকৌ এটা নতুন ৰিফাইনেৰী আহিল নেকি, কলিতা ডাঙৰীয়াই ইমানে বেছি ধন্যবাদ দিলে। আমি আমাৰে যিটো শোধানগৰ চৰকাৰে আকৌ তাক Disinvestment কৰিব লৈ গৈছিল আমি আকৌ সেইটো আন্দোলন কৰি নিয়াতো বন্ধ কৰিলো, তাৰ বাবে চৰকাৰ আকৌ আমি ধন্যবাদ দিলো সেইটো কেনেকুৰা ধৰণৰ কথা। মই উদ্যোগ খণ্ডৰ কথা নকওৱে, যে মন্ত্ৰী ডাঙৰীয়াই কৈছে

যে চৰকাৰী ভাৱে নতুন উদ্যোগ নাপাতো, তথাপি তেখেতক উনুকিয়াই দিছো। যে আমাৰ যিকেইটা মৃতপ্ৰায় উদ্যোগ আছে সেই উদ্যোগ বিলাক জীৱিতকৰণ কৰিবৰ কাৰণে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগে, চৰকাৰৰ এইটো নৈতিক দায়িত্ব। আমাৰ জিলাখনতো দুটা মৃতপ্ৰায় উদ্যোগ আছে সেইখিনি উদ্যোগো পুনৰ জীৱিত কৰণ কৰিবৰ কাৰণে নহলে তাৰ যিখিনি ভূমি আছে সেই ভূমি বিলাকৰ বেদখল হৈ গৈছে।

**মাননীয় উপাধ্যক্ষ ঃ** Try to conclude. সময় কম আছে।

**শ্ৰীমতী অজন্তা নেওঁগ ঃ** সেইদিনাখন চৰকাৰে কৈছে যে সন্দেহ যুক্ত লোকবিলাকে তাত বেদখল কৰিছে, কিন্তু উপাধ্যক্ষ মহোদয়, কেৱল সন্দেহযুক্ত লোকে বেদখল কৰাই নহয় তাত থকা যিবোৰ স্থানীয় মানুহ আছে তাৰ জৰিয়তেও বেদখল হয়। চৰকাৰী ভাৱে এই বেদখল ভূমি বিলাক তেওঁলোকে প্ৰতেকচন দি এই স্থানবোৰ সুৰক্ষিত কৰি ৰাখিব লাগে। মই বেছি নকওঁ, শেষত এটা কথাই কৈছো যে বাজেট ভাষণত চৰকাৰ খনে বিভিন্ন ধৰণৰ প্ৰতিশ্ৰুতি ৰাখিছে, বিভিন্ন সপোন দেখুৱাইছে, কিন্তু আজি সেই সপোন বিলাক কিন্তু দিঠকত পৰিণত হোৱাতো দেখা নাই। কথা আছে যে দিবা স্বপ্ন, আজি এইখন বাজেট এটা দিবা স্বপ্নত পৰিণত হৈছে। আমি দিনত যদি সপোন দেখো সেই সপোন কেতিয়াও নফলিয়ায় গতিকে আমি আশা কৰিম এই বাজেটৰ ওপৰত আমাৰ জনসাধৰণৰ চকু আছে, গতিকে আমিও চকু ৰাখিম। যিবিলাক আপোনালোকে আঁচনি দিলে সেই আঁচনিবোৰ প্ৰকৃতাৰ্থত জনগনৰ কল্যাণৰ কাৰণে এই আঁচনিবোৰ দিছে নে কেৱল ভোট ক্ৰয়ৰ স্বাৰ্থত এই আঁচনিবোৰ ইয়াত দিয়া হৈছে কাৰণ নিৰ্বাচন সমাগত। বহুতে কৈছে এইখন বাজেট নিৰ্বাচন মূখী বাজেট। কিন্তু মই এইখন বাজেটক সপোনৰ দেউকাই পাখী মেলি উৰি যোৱা বাজেট বুলি পুনৰবাৰ বিবেচনা কৰি মোৰ বক্তব্যৰ ইমানতে সামৰণি মাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া তেৰছ গোৱালা।

**শ্ৰী তেৰছ গোৱালা ঃ** উপাধ্যক্ষ মহোদয়, যোৱাকালি আমাৰ বিত্ত মন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই অসমৰ ৩.৩০ কোটি মানুহৰ সামগ্ৰিক উন্নয়নৰ স্বাৰ্থত যি বাজেট ইয়াত আগবঢ়াইছে সেই বাজেটক মই আদৰণি জনাইছো। এই বাজেটতো শুনাৰ পিছত এগৰাকী অসমৰ বৰেণ্য কবি ৰূপকোৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতা এটাৰ পংক্তি মোৰ মনত পৰিছে, তেওঁ কৈছিল 'সুন্দৰে যে ফুলাৰ মন্ত্ৰ অহোৰাত্ৰী মাতে সেয়েহে আজি ইমান সুৰ প্ৰভাতে প্ৰভাতে' আৰু মই ভাৱো যে ২০১৬ চনত অসমৰ ৰাইজে ভাৰতীয় জনতা পাৰ্টী, এ জি পি, বিপিএফ মিত্ৰ জোঁটৰ চৰকাৰ গঠন কৰাৰ যি আশীৰ্বাদ দিছিল, সেই আশীৰ্বাদ লৈ আমি পবিত্ৰ বিধান সভাত আমি চৰকাৰ গঠন কৰিছিলো। এই চৰকাৰে ২০১৬ চনত যি বাজেট আছিল তাত আমাৰ মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াই চাৰিটা বিন্দুৰ কথা কৈছিল, (ক) ব্যক্তিজীৱনৰ সততা, (খ) ৰাজনৈতিক অন্তৰ্ভূক্তিকৰণ (গ) প্ৰশাসনীক নায্যতা আৰু (ঘ) জনঅংশীদাৰত্ব। এই চাৰিটা বিন্দুৰে আমি ইতিমধ্যে চাৰিটা বছৰ অতিক্ৰম কৰিছো আৰু যোৱাকালিৰ বাজেটত পুণৰ এক কথা কৈছে যে ভৱিষ্যতৰ এখন সমৃদ্ধ অসমৰ আধাৰশিলা নিৰ্মাণৰ বাবে এই বাজেট। উপাধ্যক্ষ মহোদয়, আধাৰশিলা লাগিব আৰু এই আধাৰশিলাই হৈছে। গতিকে কোনোৱাই কব পাৰে দিব্যা স্বপ্ন, মানুহে দিনতে বহুত কথা ভাৱে, ৰাতি সপোনো কেতিয়াবা ফলিয়াই কেতিয়াবা নফলিয়াই। কিন্তু দিনৰ সপোনবোৰ যে বাস্তৱত ৰূপায়িত হয় সেইকথাই ইয়াত প্ৰমাণ কৰিবলৈ চেষ্টা কৰা হৈছে। মই ভাৱো এই বাজেটৰ মূল চিগ্‌নিফিকেন্‌চটো আছিল এটা কৰ মুক্ত বাজেট। কোনো ধৰণৰ কৰ আৰোপ নকৰাকৈ অষ্টাদশ মুকুটাৰ উন্নয়নি মালা গাঠাৰ যি কথা আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়াই কৈছে কি ধৰণে কৈছে গোটেই পেজটো এক ৰ পৰা ১২৯ পৃষ্ঠাত,

গোটেই কথাখিনি ধুনীয়াকৈ সোমাই আছে। কিন্তু মই বুজি নাপালো যে এই বাজেট যাৰ শুনাৰ ধৰ্য্যই নাই তেওঁলোকে আৰু ক'ব কি বিৰোধী দলে, মই ভাৱো যে এইবোৰ কথা যদি ১৯৫২ চনৰ পৰা হ'ল হেতেন, ১৯৫২ চনৰ পৰা যদি এই ধৰণে সপোন দেখিলে হেতেন, এই ধৰণে আধাৰশিলা স্থাপন হ'ল হেতেন, তেতিয়াহলে নিশ্চয় মই ভাৱো আমাৰ নিচিনা মানুহ বিধায়ক হৈ এই বিধানসভাত নাহিল হেতেন। কাৰণ গোটেইখিনি কাম শেষ কৰি দিলে হেতেন! এই বিলাক যোৱা ৭০ টা বছৰত নোহোৱাৰ কাৰণে অসমৰ ৰাইজে আমাক দায়িত্ব দিছে আৰু এই কাৰণে এই সপোন এই আধাৰশিলা আমি বাস্তৱত ৰূপয়াণ কৰিবলৈ আৰম্ভ কৰিছো। ইয়াত যি আধাৰশিলাৰ কথা কৈছে যে আমি নিজকে কৈছো এই বাজেট জবাবদিহি বিত্তীয় ব্যৱস্থাপনা। তাৰমানে আমি জাবাবদিহি। কাৰণ ৰাইজে আমাক ভোট দি চৰকাৰ বনাবলৈ যি দায়িত্ব দিছে, সেইবাবে আমি জাবাবদিহি। ৰাজহুৱা আন্তগাঠনি নিৰ্মাণত গুৰুত্ব দিয়া হৈছে, মহিলা, কৃষক, যুৱক আৰু বিশেষভাৱে সক্ষম লোকৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰি বিকাশৰ উত্তৰণ মুখী যাত্ৰাত সকলো নাগৰিকৰ অন্তৰ্ভূক্তিকৰণ। স্বাস্থ্যসেৱাৰ গুৰুত্বপূৰ্ণ সূচক সমূহৰ উন্নয়নৰ বাবে সৰ্বাত্মক চেষ্টা কৰা হৈছে। নগৰী আৰু গ্ৰাম্য উন্নয়নৰ বাবে সংহত প্ৰচেষ্টা আমাৰ জনগোষ্ঠী সমূহৰ সামাজিক আৰু সাংস্কৃতিক পুনৰ উত্থাপনৰ বাবে প্ৰচেষ্টা বহনক্ষম উন্নয়ন লক্ষ্যৰে লক্ষ্য-ৰূপলেখাৰ মাজত ওপৰৰ ব্যৱস্থা সমূহ আমি গ্ৰহণ কৰা হৈছে। বিত্তমন্ত্ৰী ডাঙৰীয়াই খোলাখুলিকৈ কৈছে, কথাখিনি। গতিকে এই কথাখিনি হয়তো কালি নুশুনাৰ কাৰণে মাননীয় বিৰোধীদলৰ সদস্য সকলে বুজি পোৱা নাই। যাৰ কাৰণে আজি তেঁওলোকে সপোনৰ কথা কৈ আছে, আমি বাস্তৱৰ কথা কৈ আছো। আমাৰ আচলতে তেনেকুৱা সপোন দেখাৰ নিয়মটো নাই। আমি যি কৰিম বাস্তৱত কৰিবপৰা খিনি কৰিম আৰু ইতিমধ্যে আমাৰ যিটো ৰাজ্যিক ঘৰুৱা উৎপাদন যিটো শতাংশ, ইতিমধ্যে দেখা যায় যে আমি ২০১৬ চনত ১১.৬৩ আছিল আৰু আজি ১২.৩৮ লৈ গৈছো। সেইকাৰণে মই ভাৱো যে মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়া আৰু মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ নেতৃত্ব গঠন হোৱা এই চৰকাৰক মই ধন্যবাদ জনাইছো। এই খন বাজেট আমাৰ পূৰ্ণাঙ্গ বাজেট যদিও শেষ বাজেট তথাপিও মই ভাবো এটা অন্তবৰ্তীকালীন বাজেট পাম। মই আশা ৰাখিছো এই বাজেট খনে জনসাধাৰণক যথেষ্ট উপকৃত কৰিব পৰা বাজেট। উপাধ্যক্ষ মহোদয়, অসমৰ এই ৩০ কোটি ৩০ লাখ জনসাধাৰণৰ ভিতৰত এনেকুৱা এটা জনগোষ্ঠী আছিল, যিটো জনগোষ্ঠীৰ প্ৰায় ১০০ ৰো অধিত জাতিগোষ্ঠি সম্প্ৰদায় আছে যাক আমি অসমত চাহ জনগোষ্ঠি বুলি কওঁ। কোনোবাই আদিবাসী বুলি কয় । এই চাহ জনগোষ্ঠি সকল দেশ স্বাধীনতা হোৱাৰ ৭০ টা কাল কি কৰি আছিল, কাৰ লগত আছিল, তেওঁলোকক কি ধৰণে ৰাজনৈতিক ভাবে ব্যৱহাৰ কৰি আছিল, তেওঁলোকক যে মৰ্য্যদা দিয়া হোৱা নাছিল, সন্মান দিয়া নাছিল তেওঁলোকক কিন্তু আজি বিজেপি নেতৃত্বাধীন মিত্ৰজোত চৰকাৰে আজি প্ৰথম বাৰৰ বাবে অসমৰ প্ৰায় ১ কোটি চাহ জনগোষ্ঠী ৰাইজক সন্মান আৰু মৰ্য্যদা দিবলৈ চেষ্টা কৰিছে তাৰ বাবে মই চৰকাৰক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো । এটা সময়ত নিৰ্বাচনৰ সময়ত আঠুৱা-কম্বল ঘৰে ঘৰে, সকলোৰে নহয় বিশেষ বিশেষ নেতাৰ নেতৃত্বত এইবিলাক হৈছিল । কিন্তু আজিৰ তাৰিখত শাসক দলৰ প্ৰতিনিধিৰ যোগেৰে এই বিলাক নাযায় । এনেকুৱা আঁচনি নাই এতিয়া। এতিয়া চৰকাৰে কৈছে যে স্কুল বনাব লাগিব । চাহ বাগিচা বিলাক এল পি স্কুল নহয়, হাইস্কুল বনাব লাগিব। যাৰ কাৰণে এইবাৰ বাজেটৰ জৰিয়তে ১০২ খন স্কুলৰ আধাৰশিলা কৰিম। আজি মই এজন শাসক দলৰ বিধায়ক হিচাপে মই কৈছো ২০২০ চনৰ এপ্ৰিল মাহত ১০২ খন হাইস্কুল নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰিম । তাৰ পিছত অধ্যক্ষ মহোদয়, প্ৰতি গৰাকী অভি ভাৱকে ভাবে

মোৰ ল'ৰা-ছোৱালী ভালদৰে পঢ়ক। এদিন ডাঙৰ মানুহ হওঁক, সাংসদ হওঁক, বিধায়ক হওঁক, আই এ এছ, এচিএচ হওঁক, কিন্তু আমাৰ সপোন চোৱাৰ কথা কোৱাও মানুহ নাছিল । কিন্তু এই চৰকাৰ অহাৰ পিছত সপোন নহয়,এতিয়া কৈছে চাহ বাগিচাৰ প্ৰতি গৰাকী ল'ৰা-ছোৱালী প্ৰথম শ্ৰেণীৰ পৰা ইউনিভাৰচিটিলৈকে এডমিশ্যন ফ্ৰী কৰি দিয়া হৈছে। আমি বাগানত হাইস্কুল পঢ়িব পৰা নাছিলো, এল পি স্কুল আছে, এম ই স্কুল ও নাছিলে, কিন্তু আজি আমি বিশ্ববিদ্যালয়ত পঢ়িবলৈ সপোন নহয় বাস্তাৱ কৰিবলৈ গৈ আছো । কেৱল এডমিশ্যন ফ্ৰী নহয়, লগতে ইউনিফৰ্ম ফ্ৰি দিবলৈ গৈ আছো । ইয়াৰ উপৰিও Tea Tribes Department ৰ পৰা এই ছাত্ৰ-ছাত্ৰী সকলক scholarship নহয় financia assistance দিয়াৰো ব্যৱস্থা কৰিছে। ৫ হাজাৰৰ পৰা ৪০ হাজাৰলৈকে দিব পৰা ব্যৱস্থা কৰা হৈছে । আজিৰ তাৰিখত আমাৰ চাহ জনগোষ্ঠীৰ মানুহ ১৬৭ টকাকৈ হাজিৰা পোৱা লোকে ডাক্তৰ পঢ়াৰ সপোন জানো কৰিব পাৰে ? কিন্তু এই চৰকাৰে সপোন বাস্তৱত পৰিণত কৰিছে । সিদিনাখন যেতিয়া অসম বিধান সভাৰ কেন্দ্ৰীয় সভাকক্ষত যেতিয়া চিনাকী দিছিল ডিব্ৰুগড় বিশ্ববিদ্যালয়ত পঢ়ি আছে । তেওঁ কলে যে মোৰ এনেকুৱা এটা সমস্যা হৈছে, তেতিয়া মই তেওঁক যি পৰামৰ্শ দিব লাগে সেইটো দিছো। এই ল'ৰাটো হয়তো বিশ্ববিদ্যালয়ত আহিব নোৱাৰিলেহেতেন। কিন্তু যেতিয়া ২০১৬ চনত আমাৰ চৰকাৰ ৰাইজৰ আস্থা, বিশ্বাস লৈ আহি অসমৰ এখন চৰকাৰ হ'ল যিখন চৰকাৰে সকলো শ্ৰেণীৰ মানুহৰ বিকাশৰ হকে কাম কৰিবলৈ চেষ্টা কৰিছে । এই কাৰণে মই ভাবো চাহ জনগোষ্ঠীৰ কাৰণে এটা ডাঙৰ পদক্ষেপ । যোৱাকালি বাজেটত আৰু ঘোষণা কৰিছে যে এইবাৰ যদি চাহ জনগোষ্ঠীৰ ল'ৰ-ছোৱালীয়ে যদি HS আৰু HSLC পাছ কৰে প্ৰতি গৰাকী ছাত্ৰ-ছাত্ৰীক ১০ হাজাৰ টকা দিয়া হ'ব । কিয় আমি মানসিক ভাবে শক্তি নাপাম । এনেকুৱা কথা কোৱা মানুহে নাছিল অসমত। গতিকে মাহী আইৰ দৃষ্টিৰে যে চোৱা হৈছিল এই কথাটো মই কৈছো যিহেতু মই নিজেই চাহ বাগিচাৰ পৰা আহিছো, উপাধ্যক্ষ মহোদয় । উপাধ্যক্ষ মহোদয়, ছাত্ৰ-ছাত্ৰী সকলৰ আজিৰ তাৰিখত চৰকাৰক অনুৰোধ জনাম যে ইউনিভাৰচিটিৰ চিট বঢ়াব লাগে । ইঞ্জিনিয়াৰিং ৰ চিট বঢ়াব লাগে। এই চৰকাৰ অহাৰ পিছত মেডিকেল পঢ়িবৰ কাৰণে ৮ টাৰ পৰা ১৮ টা চিট বঢ়াবলৈ সক্ষম হৈছে । ৭০ বছৰত ৮ টা চিট আৰু ৪ বছৰত ১০ টা চিট হ'ল । তাৰমানে অতিৰিক্ত ১০ গৰাকী ক ডাক্তৰ পঢ়াবলৈ আমি সুবিধা পাইছো প্ৰতি বছৰত । এতিয়া কথা হ'ল চাহ বাগিচাৰ শ্ৰমিক সকল ৪০ বছৰ কাম কৰাৰ পিছত যেতিয়া ৬০ বছৰ হয় তেতিয়া অৱসৰ গ্ৰহণ কৰে । তাৰ পিছত বৃদ্ধাৰ যিটো চৰকাৰী তালিকা, তেওঁলোকৰ নামটো নাহে, কাৰণ তেওঁলোক বাগানৰ মানুহ । কিন্তু এই চৰকাৰ অহাৰ পিছত প্ৰথম বাৰৰ বাবে কলে চাহ বাগিচাৰ শ্ৰমিক সকল বৃদ্ধ পেঞ্চন সাৰ্বজনীন ভাবে পাব লাগিব আৰু যাৰ কাম আৰম্ভ হৈ গল । শাসক বিৰোধী সকলোৰে আজি হয়তো আমি কওঁ যে এই ফৰ্মটো ফিলাপ কৰিলে নে নাই । তাৰ মানে দ্বায়িত্ব আৰু কৰ্তব্য আমি পালন কৰিব লাগিব । এই পবিত্ৰ বিধান সভাত এদিন আলোচনা হৈছিল যে গৰ্ভৱতী মহিলাৰ কথা আৰু এই কথা মইও কৈছিলো । উপাধ্যক্ষ মহোদয়, parmanent worker হয় তেতিয়াহ'লে তেওঁক কোম্পানীৰ ফালৰ পৰা এম্বুলেঞ্চ দিয়া হয়, মেটাৰনিটি লিভ দিয়া হয় । তেওঁক হাজিৰা দিয়া হয় । কিন্তু যদি temporary শ্ৰমিক হয় তেওঁ একো নাপায় । চৰকাৰৰ চকুত নাহে । এই চৰকাৰ অহাৰ পিছত যোৱা বছৰত আৰম্ভ কৰিলে গৰ্ভৱতী মহিলাক ১২ হাজাৰ টকা দিয়া ৬ মাহ কোমপেনশ্যনত দিয়া আৰম্ভ হ'ল। কিন্তু যোৱাকালি শুনি আমাৰ আৰু ভাল লাগিছে গৰ্ভৱতী মহিলাই লাভ কৰা ১২ হাজাৰ টকা এতিয়া ১৮ হাজাৰ টকালৈ বৃদ্ধি কৰা হ'ল । সেই কাৰণে চৰকাৰক মই ধন্যবাদ জনালো। উপাধ্যক্ষ মহোদয়, ১৯৯৬ চনত অসম চাহ শ্ৰমিক সকলৰ কলা

দিন আছিল ।বাগিচা কৰ্মচৰী সকলৰ বাবে বিদ্যুৎ সংযোগ কৰাৰ কথা আছিল ।কিন্তু বিদ্যুৎ সংযোগ কৰা হ'ল, কাৰ মাথাত নাৰিকল ভাঙিলে- মালিকৰ মাথাত ।কাৰেন্ট ও গ'ল, কোম্পানীয়ে এটা এনেকুৱা এগ্ৰীমেন্ট কৰিলে আসাম ক্লাৰ উদ্যোগ সংঘ আৰু চি চি বি এ য়ে শ্ৰমিক জনৰ ক্লাছ মিটাৰ থাকিব, এই মিটাৰৰ অধীনত সেই চেকশ্যনত যিমান কৰ্মচাৰী আছে তাৰ পৰা কানেকশ্যন ল'ব । লোৱাৰ পিছত যিমান বিল হ'ব সেইটো গড় হিচাপত কৰিব । তাৰ পিছত আমি দেখিছো এজন শ্ৰমিকে যদি ১২০০ বা ১৫০০ টকা দৰমহা হয় তাৰে ৬০০ বা ৭০০ টকা দৰমহাৰ পৰা কৰ্তন কৰে আৰু দৰমহা লৈ কান্দি ঘুৰি আহে ।এই কথাটো পবিত্ৰ বিধান স ভাত কোৱা হ'ল ।যেতিয়া আমাৰ মানুহে মুখ্যমন্ত্ৰীক কোৱা হ'ল তেতিয়া মুখ্যমন্ত্ৰীয়ে লগে লগে ভাগ্য আঁচনিৰ দ্বাৰা প্ৰতি গৰাকী শ্ৰমিকক বিনামূলীয়াভাবে বিদ্যুৎ দিয়াৰ ব্যৱস্থা কৰিলে ।এতিয়া এই শ্ৰমিক সকলৰ মাহেকত বিল আহে ১০০ বা ১৫০ টকা। সেই কাৰণে কৈছো এইখন চৰকাৰ সকলো শ্ৰেণীৰ বাবে কাম কৰাৰ চৰকাৰ ।এইবাৰ আৰু এটা ভাল সুবিধা আহিছে যে শ্ৰমিকৰ লগতে প্ৰত্যেক গৰাকী দুখীয়া শ্ৰেণীৰ বাবে । যিবোৰৰ বি পি এল কাৰ্ড আছে তেওঁলোকক ৩০ ইউনিটলৈ বিল ৰেহাই দিয়াৰ ব্যৱস্থা কৰিছো লগতে এল ই ডি লাইট ফ্ৰীটে দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছে ।কিন্তু এই আমাৰ চৰকাৰ অহাৰ পৰা পিছত মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত এটা আঁচনি আহি উজ্বলা আঁচনি আহিল ।এই আঁচনিৰ জৰিয়তে আমি অন্তত গেছ দিব পাৰিছো । আমি কল্পনাই কৰা নাছিলো আৰু সপোন ও দেখা নাছিলো, কিন্তু এই সপোন এই চৰকাৰে দেখুৱালে আৰু কাম কৰি দেখুৱাই দিলে। ইয়াৰ প্ৰমান পাবলৈ হ'লে 'মাংৰাবোধৰ লাইনত' গলে সকলোৱে দেখিব। যি সকল বিৰোধীয়ে দেখা নাই, মই ভাবো বিধান সভাই এখন সমিতি বনাওঁক, দৰকাৰ হ'লে আমিও লগত যাম আৰু দেখুউৱা হব গেছ তেওলোকে পাইছেনে নাই ? গতিকে এই খন চৰকাৰৰ এইটো এটা ডাঙৰ পদক্ষেপ আছিল। উপাধ্যক্ষ মহোদয়, আমি সদায় দেখো চাহ বাগিচাৰ বাংললৈ যোৱা ৰাস্তাটো একেবাৰে 'টাৰ্পেটিং', ষ্টাফলৈ যোৱা ৰাস্তাটো বহুত ধুনীয়া কিন্তু শ্ৰমিকৰ ৰাস্তাটো একেবাৰে জৰাজীৰ্ণ। যেতিয়া এগৰাকী গৰ্ভৱতী মহিলা প্ৰসৱৰ বেদনাত চটফটাই থাকে সময় মতে এম্বুলেঞ্চ আহি নাপায়, তেতিয়া কেতিয়াবা চাঙিত উঠাই আনে আৰু কেতিয়াবা দাঙি আনে। যেতিয়া বিধান সভাত কোৱা হ'ল তাত এটা ৰাস্তা বনাব লাগে তেতিয়া লগে লগে এইখন চৰকাৰে আজি প্ৰতিখন চাহ বাগিচাত ১ কোটিকৈ টকা দি ৰাস্তা বনাবৰ বাবে আঁচনি কাৰ্য্যকৰি কৰিলে। মই যোৱাবাৰ প্ৰায় ১৭ খন বাগানৰ বাবে ১ কোটি টকা কৈ প্ৰায় ১৭ কোটি টকা পালো। মোৰ দৰে সকলো বিধায়কে কম বেচি পৰিমানে টকা পাইছে। যোৱা কালি আকৌ ঘোষণা কৰিছে এইবাৰ ডিভিজনলৈকে পইচা দিব। এনেকুৱা কাম এইখন চৰকাৰে আৰম্ভ কৰিছে। তাৰ পিছত দেখিছো, আমাৰ চাহ জনগোষ্ঠীৰ বহু ল'ৰা-ছোৱালী আজি শিক্ষিত হ'ল। আাজি যিবোৰ প্ৰতিযোগিতামুলক পৰীক্ষা ব্যৱস্থা, এ চি এচ বা আই এচ হওঁক তাৰ বাবে আমি সক্ষম নাছিলো, তাৰ কাৰণে চৰকাৰে ঠিক কৰিলে যে Directorate of Tea Tribes Welfare ৰ পৰা আমাৰ প্ৰতি বছৰে ৫০ জনকৈ ছাত্ৰ-ছাত্ৰী এ চি এচ আৰু এ পি এচ চি ৰ কাৰণে coaching ৰ ব্যৱস্থা কৰা হ'ল যাতে প্ৰতিযোগিতামুলক পৰীক্ষত অৱতীৰ্ণ হব পাৰো। আমাৰও এ চি এচ অফিচাৰ হোৱাৰ সপোন আছে। উপাধ্যক্ষ মহোদয়, আমি কিয় এ চি এচ বা আই এচ বিষয়া হব নোৱাৰো ! কাৰণ আমাৰ অৰ্থনৈতিক ব্যৱস্থা ভাল নহয় অথচ কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ ৰাজকোষত আমি Revenue কিন্তু বৃটিছৰ দিনৰ পৰাই দি আহিছো। যিমান বিলাক উদ্যোগ আহিলে পিচত আহিলে, কিন্তু চাহ উদ্যোগ মই ভাবো আটাইতকৈ পূৰণি উদ্যোগ। য'ত চৰকাৰক Revenue দি আহিছে। আজি এই Revenue দি থকা এটা উদ্যোগত সদায় ৰাজনৈতিক ভাৱে

শ্ৰমিক সকলক ব্যৱহাৰ কৰা হ'ল, কিন্তু এইবাৰ এই চৰকাৰ অহাৰ পিছত প্ৰথম বাৰৰ বাবে মান-সন্মান সহকাৰে ভাৰতীয় নাগৰিক হিচাবে তেওঁলোকক যিখিনি দিউজ আছে দিবলৈ চেষ্টা কৰিছে। সেই কাৰণে মই ধন্যবাদ জনাইছো চৰকাৰক।

উপাধ্যক্ষ মহোদয়, চাহ বাগিচাৰ শ্ৰমিকৰ ছোৱালী জি এন এম পঢ়িবৰ কাৰণে যোৱা বছৰ ঘোষণা কৰিছিল। ইতিমধ্য ২৫০ জনী ছোৱালী জি এন এম পঢ়িবৰ কাৰণে এডমিছন হৈ গ'ল আৰু এতিয়া কৈছে ৫০০ জনী ছোৱালী এডমিছন দিব, মই চৰকাৰক ধন্যবাদ জনাইছো। কিন্তু চৰকাৰক এইটোও আহ্বান জনাইছো, ছোৱালী হোষ্টেলৰ সংখ্যা বঢ়াব লাগিব। ছোৱালী হোষ্টেল নথকাৰ বাবে আমাৰ থকা-মেলাৰ অসুবিধা হৈছে। এই ক্ষেত্ৰত যাতে খৰতকীয়া ব্যৱস্থা লয় তাৰ কাৰণে আহ্বান জনাইছো। ইয়াৰোপৰি 'পেৰা মেডিকেলৰ' কাৰণে এইবাৰৰ পৰা এক সুকীয়া ব্যৱস্থা কৰিছে, প্ৰশিক্ষনৰ বাবে । তাৰ বাবে ধন্যবাদ জনাইছো। উপাধ্যক্ষ মহোদয়, "অন্ন যোজনা," আগত ৫০ পইচা দামত বোলে চাউল দিয়া হয়। আচল কথা এইযে ৫০ পইচাৰ চাউলটো যে দিয়ে কেন্দ্ৰীয় চৰকাৰে যে চাবচিডি দিয়ে এই কথাতো কোৱা হোৱা নাছিল। যেতিয়া নেচনেল ফুড চিকিউৰিটি এক্ট আহিলে মাননীয় প্ৰধান মন্ত্ৰীয়ে কলে যে ৰেচন কাৰ্ড থকা প্ৰতি গৰাকী ভাৰতীয় নাগৰিকে এই তিনি টকীয়া চাউলটো পাব। এই কাম যেতিয়া আৰম্ভ হ'ল এই চৰকাৰ অহাৰ পিছত মাননীয় মুখ্য মন্ত্ৰী সোনোৱাল ডাঙৰীয়াৰ সবল নেতৃত্বত আৰু বিত্ত মন্ত্ৰীৰ ঘোষণা মতে আমি প্ৰায় ছয় লাখৰ অধিক চাহ শ্ৰমিকে বিনামুলীয়াকৈ চাউল পাইছিলো। উপাধ্যক্ষ মহোদয়, ১৬৭ টকাত যদিও আমি হাজিৰা কাম কৰো পাচ কেজিকৈ চাউল বিনামুলীয়াকৈ পোৱাৰ বাবে এটা ডাঙৰ সহায় হৈছে। এই বাৰ ঘোষণা কৰিছে যে ৫১ লাখ পৰিয়ালক বিনামুলীয়াকৈ চাউল দিয়াৰ এটা প্ৰস্তাৱ আহিছে। ইয়াৰ বাবে আমি নিশ্চয় চৰকাৰক ধন্যবাদ দিব লাগিব। আৰু এটা আছিল চাহ বাগিচাত 'ধন পুৰস্কাৰ'। চাহ বাগিচাৰ এটা ডাঙৰ চেকচন প্ৰায় ৰজ্ঞ লাখ কৰ্মীৰ একাউন্ট খোলাৰ সামৰ্থ নাছিল এইখন অসমত। বিজেপি নেতৃত্বাধীন চৰকাৰে প্ৰমান কৰি দেখুৱালে যে চাহ বাগানৰ শ্ৰমিকৰো একাউন্ট খুলিব পাৰি। ১ বছৰ তিনি মাহত ৭ লাখৰ অধিক শ্ৰমিকৰ একাউন্ট খুলি প্ৰমান কৰি দেখুৱালে যে প্ৰধান মন্ত্ৰীয়ে কোৱা "সবকা সাথ সবকা বিকাশ" এইটো সম্ভৱ হয়। তেওঁলোকে কৈছে যে তিনিটা জেনেৰেচন শেষ হোৱাৰ পিছত আমি আজি প্ৰথম বাৰৰ বাবে পোনপটীয়াকৈ একাউন্টত ৫ হাজাৰ কৈ টকা পাইছো। এই টকা যাতে কোনো মধ্যভোগীয়ে খাব নোৱাৰে তাৰো ব্যৱস্থা কৰা হৈছে। মধ্যভোগীয়ে পইচা খাব নোৱাৰে কাৰণে বহুতৰ মনত দুখ। যিসকলে আগৰে পৰা শ্ৰমিক সকলক শোষণ কৰি আহিছে তেওঁলোকৰ মনত বহুত দুখ।

মাননীয় উপাধ্যক্ষ মহোদয়, তেওঁলোকে কৈছে যে বাজেটখন হিতাধিকাৰী সৃষ্টি কৰা এখন বাজেট। প্ৰায় ৫,৬৫১ খন স্কুল, ৩২ খন নিউ কলেজ, নিউ হাইস্কুল ৩৫৮ খন,নিউ চিনিয়ৰ চেকেণ্ডাৰী ১৫৪ খন, নিউ হায়াৰ চেকেণ্ডাৰী ১১৪ খন, নিউ আপাৰ প্ৰাইমাৰী স্কুল ২২৯৮ খন, নিউ ল'য়াৰ প্ৰাইমাৰী স্কুল ২৬৯৫ খন, সৰ্বমুঠ ৫৬৫১ খন স্কুল প্ৰভিঞ্চিয়েলাইজৰ কাৰণে প্ৰস্তাৱ আহিছে। ইয়াৰো প্ৰায় ২০২৮৮ গৰাকী শিক্ষকক আমি প্ৰভিঞ্চিয়েলাইজ কৰিম। চাৰ এই যে ২০ হাজাৰ লৰা-ছোৱালীৰ কথা আমি চিন্তা নকৰিম নেকি? এই ভেঞ্চাৰ স্কুলত কাম কৰি থকা ৫৬৫১ গৰাকী শিক্ষকৰ কথা আমি চিন্তা নকৰিম নেকি? শিক্ষক সকলে যেতিয়া আমাৰ ওচৰত আহি মনৰ দুখৰ কথা কয়, যাৰ মানৱীয়তা গুন আছে তেওঁলোকেহে বুজি পাব। এই ডাঙৰ পদক্ষেপটো লোৱাৰ বাবে মওই চৰকাৰক ধন্যবাদ জনাইছো। অধ্যক্ষ মহোদয়, আপুনি জানে যে চাহ বাগিচাৰ কাম বিলাক মেনেজাৰে নচলাই, চাহ বাগিচাৰ চৰ্দাৰেহে চলাই। এই চৰ্দাৰজনে এটা চেকচনত কাম

কৰি থাকিলে কোনোবা শ্ৰমিক যদি অসুস্থ হৈ যায় তেতিয়া চৰ্দাৰজনে মহৰীবাবুক কয়, মহৰীয়ে জামাদাৰাক কয়, জামাদাৰে বাগানৰ এচিচটেন্টক কয় আৰু এচিচটেন্টে ডাক্তৰক কয়। কিমান নেটৱাৰ্ক পাৰ হোৱাৰ পিছতহে এম্বুলেঞ্চ বিছাৰি পোৱা যায়। এতিয়া আমাৰ চৰকাৰে কৈছে চৰ্দাৰ সকলকো মবাইল দিব লাগে। এতিয়া মবাইলৰ জড়িয়তে পোনপটিয়াকৈ চেকচনৰ পৰাই ডাক্তৰক ফোন কৰিব পাৰে বা এম্বুলেঞ্চ মাতি আনিব পাৰে। এনেকুৱা সপোন আমি দেখা নাছিলো। সেই বাবে চৰকাৰক পুনৰ ধন্যবাদ জনালো। চি এম ফুটবল ইতিধ্যে আৰম্ভ হৈছে। চাহ বাগিচাত এতিয়া ফুটবলৰ পৰিবেশ আছে। মাজতে অপমৃত্যু হৈছিল। এইবাৰ ঘোষণা কৰিছে যে প্ৰতিখন চাহ বাগিচাত খেল পথাৰ নিৰ্মাণৰ বাবে ৫ লাখকৈ টকা দিব। সেয়ে মই চৰকাৰক ধন্যবাদ জনাইছো। ইয়াৰোপৰি অধ্যক্ষ মহোদয়, আমাৰ এজন বিৰোধী দলৰ মাননীয় বিধায়কে কৈছে যে আমাৰ মাইনৰিটিৰ কাৰণে একো নিদিলে । 'অটল অমৃত অভিযান' যিটো আচনি আছে ইয়াত কোনো জাতি -গোষ্ঠী- ধৰ্মৰ কথা লিখা নাই, তাৰ পৰাও আমি পইচা পাম, 'আয়ুস্মান ভাৰত' ৰ জড়িয়তে পইচা পাম, ৰাস্তাৰ নামত পাইছো, বিদ্যুতৰ নামত পাইছো, ৰেচনৰ নামত পাইছো, এই বিলাক বাজেটত আহিব লাগিব। Specially Development ৰ কাৰণে তেওঁলোকক পইচা দিছে হয়, তেনেদৰে আমাকো দিছে। গতিকে এই বাজেট কেতিয়াওঁ নিৰ্বাচনমুখী হব নোৱাৰে, ই এখন জনকল্যাণকামী বাজেট। এইবাৰ 'জীৱিকা সাৰথিৰ' কথা কৈছে, জীৱিকা সাৰথি বিলাকে কিমান কষ্ট কৰে, যোৱাকালি মই গম পালো যে তেওঁলোকক এখনকৈ স্কুটি দিয়া হ'ব।। স্কুটিৰ জড়িয়তে অন্ততঃ self help group বিলাকক তেওঁলোকে কাম-কাজ আগুৱাই নিয়াত সহায় কৰিব পাৰিব। এইবাৰ প্ৰথম বাৰৰ কাৰণে চাহ বাগিচাত self help group আৰম্ভ হৈছে। কি হ'ব নাজানো, কিন্তু আৰম্ভ হৈছে। এই Self Help Group য়ে অন্ততঃ চৰকাৰৰ যিখিনি benefit তেওঁলোকে অন্তৰ্ভূক্তি হ'বলৈ চেষ্টা কৰিবলৈ সুবিধা পাব। আমাৰ এগৰাকী জ্যেষ্ঠ সদস্যই কৈ আছিল agriculture ৰ কথা। কেৱল agriculture বুলি কৈ থাকিলে নহ'ব, মোৰ দেউতাই কৈছিল উত্তম কৃষি, মধ্যম ব্যৱসায়, অধম চাকৰি। এই যে দেশ স্বাধীন হোৱাৰ ৭০ বছৰত যিসকলৰ চৰকাৰ আছিল। তেওঁলোকে অসমৰ মানুহক এনেকুৱা মানসিকতা দিলে যে চাকৰিয়ে সৰ্বোচ্চ, চাকৰিৰ নামতে আমি degree diploma লৈ, certificate লৈ দৌৰি আছো, কিন্তু আমি ব্যৱসায়ৰ কাৰণে চেষ্টা নকৰো যাৰ কাৰণে **২৫** হাজাৰকৈ টকা, **৫০** হাজাৰকৈ টকা দিয়াৰ কথা কৈছে যে আমি ব্যৱসায় কৰিব লাগিব। Agriculture ৰ লগতে Irrigation আছে। Irrigation development ৰ প্ৰায় **১৫৯২** কোটি টকা দিয়াৰ কথা কৈছে। APDCLক শক্তিশালী কৰিবৰ কাৰণে চৰকাৰে পইচা দিবলৈ চেষ্টা কৰিছে।

সেই কাৰণে মই ধন্যবাদ জনাইছো এখন চৰকাৰক যে সঁচা অৰ্থাৎ এই চৰকাৰে যদি আজিৰ পৰা **৪০** বছৰ আগতে আহিলেহেঁতেন তেতিয়া হ'লে ছাত্ৰ-ছাত্ৰী, দিব্যাংগ, বিধৱা আদি সকলো জাতি-জনগোষ্ঠীৰ ৰাইজ হয়তো আগবাঢ়ি গ'লহেঁতেনে। হয়তো আমাৰ নিচিনা বিধান সভাত নাহিলহেঁতেন। কাৰণ তেওঁলোকে সকলো কাম শেষ কৰি দিলেহেতেন।

এই কাৰণে মই ক'ব খুজিছো এই বাজেটখন এখন জনকল্যাণকামী বাজেট। এই বাজেট অসমৰ **৩.৩০** কোটি মানুহৰ সামগ্ৰীক উন্নয়ন বাজেট। এই বাজেট অনাৰ কাৰণে এই চৰকাৰক ধন্যবাদ আৰু কৃতজ্ঞতা জনাই মই মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া মাননীয় সদস্য সত্যব্ৰত কলিতা।

**শ্ৰী সত্যব্ৰত কলিতা (কমলপুৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালি আমাৰ এই পবিত্ৰ সদনত যিখন পঞ্চমবাৰ কাৰণে বাজেট দাখিল কৰা হ'ল। এই বাজেটখনক লৈ বহু বিৰোধী পক্ষ বা বিভিন্ন

বাতৰি কাকতত দেখিছো যে কোনোবাই কৈছে এইখন নিৰ্বাচনমুখী বাজেট, জনমুখী বাজেট, বিভিন্ন বিশ্লেষণ দিয়া হৈছে। আৰু অলপ আগতে বিৰোধীপক্ষৰ পৰা আমাৰ বাইদেউয়ে কৈছে যে সপোনৰ ডেউকা মেলি উৰা বাজেট। প্ৰথম কথাটো হ'ল যে সপোন দেখাটো ভুল নেকি। সপোন যিয়ে নেদেখে সি জীৱনত কেতিয়াও আগবাঢ়ি ব নোৱাৰিব। সপোন মানুহৰ থাকিবই লাগিব। নিউটনে আপেলটো তললৈ পৰা দেখিলে। কিন্তু তাৰ আগতেও আপেল পৰি আছিল। ফল বিলাক গছৰ পৰা তললৈ পৰে। কিন্তু কোনেও চিন্তা কৰা নাছিল যে মধ্যাকাৰ্ষণ শক্তিৰ কাৰণে গছৰ পৰা ফল তললৈ পৰে। গতিকে আমি যদি উচিত সময়ত উচিত সিদ্ধান্ত লবলৈ সক্ষম হওঁ বা সপোন দেখিবলৈ শিকো তেতিয়াহে এখন সমাজ, ৰাজ্য বা এখন দেশ আগবঢ়িব পাৰে। সেই কাৰণে মই ভাৱো ইয়াত যি সপোন আছে, এই সপোনবোৰক বাস্তৱত পৰিণত কৰাতো হ'ল আমাৰ প্ৰত্যেক গৰাকী সদস্যৰে এক নৈতিক দায়িত্ব। মাননীয় বিত্তমন্ত্ৰীয়ে সপোন দেখুৱাইছে, এই সপোনটোক আমি কেনেধৰণে জনসাধৰণৰ মাজলৈ লৈ যাব পাৰো, সেইটোহে আমাৰ পবিত্ৰ কৰ্তব্য বুলি যদি চৰকাৰী আৰু বিৰোধীদলৰ প্ৰত্যেকজন সদস্যই উপলব্ধি কৰো আৰু তেতিয়াহে বাস্তৱত মাননীয় বিত্তমন্ত্ৰী আৰু মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই দেখা সপোনতো আমি জনসাধৰণৰ মাজলৈ লৈ যাবলৈ সক্ষম হব পাৰিম। সেইকাৰণে মই ভাৱো যে সপোন সকলোৱে দেখা উচিত।

মই যেতিয়া বিদ্যালয় বা কলেজত যাও, ছাত্ৰ-ছাত্ৰীক প্ৰথমে এটাই কওঁ যে সপোন দেখা ডক্তৰ হোৱা, ইঞ্জিনিয়াৰ হোৱা, মুখ্যমন্ত্ৰী হোৱা, প্ৰধানমন্ত্ৰী হোৱা, ব্যৱসায় কৰা বা যিয়ে হোৱা প্ৰথম সপোন দেখিবা। মই বিধায়ক হোৱাৰ আগতে ৫০ কি.মি. ৰাস্তাও নাছিল। সপোন দেখিছিলো মোৰ সমষ্টিত ৰাস্তাতো হ'ব লাগিব। আজি এই পবিত্ৰ সদনত জনাবলৈ পাই সুখী যে এই চাৰে তিনি বছৰত ২৪৭ কি.মি. ৰাস্তা পকা হৈছে। আজি এই পঞ্চমখন বাজেট দিলে তাৰ প্ৰথম বিশেষত্বটোৱে হ'ল যে এই বাজেটত কোনো নতুন কৰৰ ধাৰণা অহা নাই। ইয়াত কোনো কৰ আৰোপ কৰা হোৱা নাই। বিধায়ক হোৱাৰ আগতে খুব আগ্ৰহৰে বাজেটখন চাইছিলো। তেতিয়া বাজেটত এটা কথাই লক্ষ্য কৰো কোনোটো বস্তুৰ দাম কমিল, কোনোটো বস্তুৰ দাম বাঢ়িল। এই ধৰণৰ কথা বিলাক চাইছিলো। বাজেট মানে ভাবিছিলো যে কিবা বস্তুৰ দাম কমিব, কিবা বস্তুৰ দাম বাঢ়িব। এইটোৱে আমাৰ ধাৰণা আছিল। কিন্তু আজিৰ দিনৰ চৰকাৰে এটা ধাৰণা মানুহৰ মাজত দিবলৈ বিচাৰিছে যে আমি কৰ আৰোপ কৰা নাই। বস্তুৰ দাম বৃদ্ধি কৰাৰ চেষ্টা কৰা নাই । যিখিনি মানুহে কৰ দি আছে স্বচ্ছ ভাৱে এই কৰখিনি যাতে চৰকাৰৰ ঘৰলৈ আহে সেইটো আমাৰ পৰিবহণ বিভাগে হওঁক, আৱকাৰী বিভাগে হওঁক আগতেও পইচা বিলাক আছিল, এই পইচা বিলাকৰ mismanagement অৰ্থাৎ সঠিক ভাৱে চৰকাৰৰ ঘৰলৈ অহাৰ যিটো পদ্ধতি, এই পদ্ধতিতো বাজেট ব্যৱস্থাই আমাক আনি দিছে। যাৰ কাৰণে আজি ৰাজ্যখনে আগতকৈ হলেও কিছু বেছি কৰ পাবলৈ সক্ষম হৈছে। আৰু তাৰ যোগেদি অসমৰ যি পৰিচালনা ৰাজ্যিক ৰাজহ সৃষ্টি কৰিবৰ কাৰণে চেষ্টা কৰিছে। আৰু সেই কাৰণে আমি কিছু অভিলাসী আঁচনি জনসাধৰণৰ মাজলৈ লৈ যাবলৈ সক্ষম হৈছো। petrol, diesel ৰ দাম আমাৰ কাৰণে বৰ sensitive বিষয়, দহ পইচা বাঢ়িলোও হাহাকাৰ হৈ যায়। আজি এই বাজেটে ৫০ পইচা কমাই দিয়াৰ কাৰণে মানুহ মাজত সেই প্ৰতিক্ৰিয়াতো হৈছেনে মই নাজানো। কিন্তু এই বাজেটত ৫০ পইচা কমাই দিয়াতো আমাৰ কাৰণে অতি গুৰুত্ব পূৰ্ণ কথা।

মই দেখিছো যে বাজেটখনত অকল বিধায়কসকলক বাদ দি দিব্যাংগ, গৰ্ভৱতী মহিলা, জ্যেষ্ঠ নাগৰিক, যুৱক-যুৱতী, ছাত্ৰ-ছাত্ৰী, বিবাহিত বা বিয়াৰ কাৰণে প্ৰস্তুতি চলোৱা, বিয়া নোহেৱা, divorcee, আশাকৰ্মী, হোমগাৰ্ড, জীৱিকা সখী সকলোৱে ইয়াত benefit লাভ কৰিবলৈ সক্ষম হৈছে।

গোটেই বাজেটখন ইমান কম সময়ত পৰ্য্যালোচনা কৰাটো সম্ভৱ নহয়। অৰ্থাৎ সমাজখনৰ সকলো শ্ৰেণীৰ মানুহক লৈ এখন বাজেট প্ৰস্তুত কৰা হৈছে। ইয়াক নিৰ্বাচনীমুখী বাজেট বুলি কোৱা হৈছে, মই ভাল পাইছো কাৰণ প্ৰতিখন বাজেট নিৰ্বাচন মুখী হ'ব লাগে। কাৰণ আমি নিৰ্বাচনকহে ভয় কৰো। প্ৰতিগৰাকী বিত্তমন্ত্ৰীয়ে যদি নিৰ্বাচনক আগত লৈ বাজেট কৰিলেহেতেন অসমৰ অৱস্থাটো আজি নতুনকৈ ভাবিবলগীয়া নহ'লেহেঁতেন। সেইকাৰণে মই ভাৱো পৰৱৰ্তী সময়ত যদি কোনোৱা বিত্তমন্ত্ৰী আহে তেওঁলোকে প্ৰতিখন বাজেট এইটো ভাবি কৰক যে আমাৰ সন্মুখত নিৰ্বাচন আছে। গতিকে আমি জনসাধৰণৰ হিতৰ কাৰণে, জনসাধৰণৰ স্বাৰ্থৰ কাৰণে, সামাজিক স্বাৰ্থৰ কাৰণে, অৰ্থনৈতিক বুনিয়াদ গঢ়ি তোলাৰ কাৰণে, ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰাৰ কৰাণে, নিবনুৱা যুৱক-যুৱতীসকলক উৎসাহিত কৰাৰ কাৰণে বাজেট তৈয়াৰ কৰিব লাগে। ঘৰত বহি থকা মহিলাগৰাকীক আমি আশাকৰ্মীসকলৰ দৰে বা কনকলতা আঁচনিৰ যোগিদে তেওঁলোকক নিজৰ পৰিয়ালৰ মুৰব্বী জনক পইচা নোখোজাকৈ অকনমান সংস্থাপিত কৰিব পাৰো, যাতে তেওঁলোকে নিজৰ কাৰণে অলপ আয় কৰিব পাৰে। তেতিয়াও মই ভাৱো কিছুপৰিমানে সকাহ হয়। আৰু এইখন চৰকাৰে মহিলা সকলক সেইদৰে উৎসাহিত কৰিছে। তেওঁলোকক স্ব-নিৰ্ভশীল হবলৈ আগবঢ়াই দিছে। মই দেখিছো ইয়াত বহুখিনি কলকলতা আঁচনিৰ যোগেদি মহিলাসকল বহুখিনি উপকৃত হৈছে। অলপতে মাননীয় সদস্য তেৰছ গোৱালাই কৈছে যে জীৱিকা সখীসকলক স্কুটি দিয়া হৈছে। মই সেইদিনা কৈছিলো যে ৫০০ টকাকৈ হলেও বেছি দিয়া হৈছে। তেওঁলোকে বহু কাম কৰিব লাগে। আশাকৰ্মী সকলে বহু কাম কৰিব লাগে।

আমাৰ হোমগাৰ্ড বিলাকক দেখা পাওঁ যে সিহতৰ দৰমহাৰে এটা পৰিয়াল নচলে। তেওঁলোকৰ বিপদ হ'লে তেওঁলোকক সহায় কৰিবলৈ কোনো নথাকে। সেইসকলৰ কথাও কিন্তু এই বাজেটখনত অন্তৰ্ভক্ত কৰা হৈছে। যাতে আজি নভবাকৈ যদি তেওঁলোকৰ পৰিয়ালৰ কিবা এটা দুৰ্ঘটনা বা তেনেকুৱা কিবা এটা হলে, তেতিয়া চৰকাৰখনে আগবাঢ়ি আহিব পাৰিব, সহায় কৰিব পাৰিব এই কথাখিনি বাজেটত আছে।

আৰু এটা ঐতিহাসিক সিদ্ধান্ত এই বাজেটখনত আছে, তাত অৰ্থনৈতিক কথা নাই। সেইটো হ'ল যে অসমীয়া বিষয়টো দশম শ্ৰেণীলৈকে বাধ্যতামুলক কৰা কথাটো অন্তৰ্ভূক্ত হৈছে। তাৰ কাৰণে মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু বিত্তমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো। যিটো কথা আমি বহুদিনৰ পৰাই চিঞঁৰি চিঞঁৰি ছাত্ৰসন্থাত থকা অৱস্থাৰ পৰাই কৈ আছো, কিন্তু আজি কথাটো বাস্তৱত এই বাজেটৰ জৰিয়তে প্ৰতিফলন হৈছে যে এইখন চৰকাৰে অসমীয়া ভাষা-সংস্কৃতিৰ প্ৰতি অধিক গুৰুত্ব আৰোপ কৰিছে। আমাৰ গুৰুজনাই সৃষ্টি কৰা নামঘৰ সমূহক কেৱল ধৰ্মীয় উপসনাৰ থলি বুলি কওঁ, সদায়ে কৈ আছো যে নামঘৰ বিলাক আমাৰ এটা এটা সাংস্কৃতিক কেন্দ্ৰ, তাত আদালত হৈছিল, ভাওঁনা হৈছিল, নামঘৰ অসমীয়া জীৱনৰ এক হৃদপিণ্ড স্বৰূপ। তাৰ যোগেদি সমাজ পৰিচালনা হৈছিল। আমাৰ গাঁৱৰ ক্ষমতাতো যদি নামঘৰৰ নিয়ন্ত্ৰণত আহে, পুলিচ থানা বিলাকৰ প্ৰয়োজন নহ'ব। আৰু যদি নামঘৰ, মন্দিৰ মহজিদ নহ'লেহেঁতেন। প্ৰতিটো চুবুৰীতে কিজানি এখন সমাজ পৰিচালনা হৈছিল। মই গাওঁ অঞ্চলবোৰতো কওঁ যে গাঁৱৰ ক্ষমতা যদি নামঘৰৰ নিয়ন্ত্ৰণত আহে তেন্তে পুলিচ থানাৰ প্ৰয়োজনেই নহ'ব। নামঘৰ, মছজিদ, মন্দিৰ যদি আমাৰ মাজত নহ'লহেঁতেন, তেন্তে প্ৰতিটো চুবুৰীতে হয়তো এখন এখন আৰক্ষী থানা স্থাপন কৰিবলগীয়া হ'লহেঁতেন। সেয়েহে, আমি ভাৱো যে নামঘৰবোৰ সুন্দৰ হ'ব লাগে, নামঘৰলৈ আমাৰ গাঁৱৰ মানুহৰ নিয়ন্ত্ৰণ আহিব লাগে। গতিকে, এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি মই ভাৱো। বটদ্ৰৱা সত্ৰক অধিক আটকধুনীয়াকৈ

সজাই তোলাৰ বাবে বাজেটত পৰিকল্পনা কৰিছে আৰু তাৰ বাবে মই বিত্ত মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো। ইয়াৰ লগে লগে বৰপেটাৰ পাটবাউসী সত্ৰৰ বিষয়টো যদি বাজেটত অন্তৰ্ভুক্ত হ'লহেঁতেন তেন্তে মই আৰু ভাল পালোহেঁতেন। আমাৰ মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াইও কিজানি এই কথাটো উপলব্ধি কৰে, কিয়নো তেখেতৰ সমষ্টিৰ ওচৰতে আছে এই পাটবাউসী সত্ৰ। এই সত্ৰখনতে গুৰুজনাই ১৮ বছৰ ৬ মাহ কাল কটাইছিল। অসমীয়া সাহিত্যৰ আটাইতকৈ গুৰুত্বপূৰ্ণ পুথি তথা গুৰুজনাৰ আটাইতকৈ মূল্যবান গ্ৰন্থ 'কীৰ্তন ঘোষা' এই সত্ৰখনতেই ৰচনা কৰা হৈছিল। এই পাটবাউসী সত্ৰতেই ৰত্নাৱলী, ভাগৱতৰ কেইবাটাও স্কন্ধৰ অনুবাদৰ লগতে বৰগীত ৰচনা কৰাও হৈছিল। বটদ্ৰৱা হ'ল গুৰুজনাৰ জন্মভূমি, বৰপেটা হ'ল গুৰুজনাৰ কৰ্মভূমি আৰু মধুপুৰ সত্ৰত তেখেতৰ দেহৰসান হৈছিল। গতিকে, এইবাৰ যদি পৰা যায়, গুৰুজনাৰ কৰ্মভূমি পাটবাউসী সত্ৰকো সুন্দৰকৈ সজাই তোলাৰ বাবে মই আহ্বান জনাইছো। আমাৰ সন্মানীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগতে আমি বিধায়কৰ দল এটা মধুপুৰ সত্ৰলৈ গৈছিলো। এই সত্ৰখনৰো সংৰক্ষণৰ যথেষ্ট প্ৰয়োজন আছে। অসমৰ বাহিৰত গুৰুজনাৰ একমাত্ৰ কীৰ্তিচিহ্ন বুলিলে এই মধুপুৰ সত্ৰখনেই আছে। সেয়েহে, এই সত্ৰখনকো আটকধুনীয়াকৈ সজাই তোলাৰ প্ৰয়োজন আছে বুলি মই বিশ্বাস কৰোঁ। 'অসম দৰ্শন'ৰ জৰিয়তে আমাৰ প্ৰতিটো সমষ্টিৰে ৩-৪ টাকৈ পুৰণি সত্ৰ, নামঘৰ, মছজিদ আদি দৰ্শনৰ বাবে সুযোগ দিছে, গতিকে তাৰ বাবে মই ধন্যবাদ জ্ঞাপন কৰিছো। বাজেটত অসমীয়া সংস্কৃতিৰ হৃদপিণ্ড স্বৰূপ সত্ৰ, নামঘৰ আৰু বিশেষকৈ গুৰুজনাৰ সৃষ্টিসমূহৰ সংৰক্ষণৰ বাবে লোৱা পদক্ষেপৰ যি প্ৰতিফলন ঘটিছে, আমাৰ বাবে সেইয়া এক গুৰুত্বপূৰ্ণ কথা। এইবাৰ বাজেটত আৰু এটা গুৰুত্বপূৰ্ণ কথা প্ৰতিফলিত হৈছে, যি বিষয়ে আমি নিৰ্বাচনৰ সময়ত প্ৰতিটো সমষ্টিতে কওঁ। বিধান সভাৰ অধিবেশনৰ সময়ত আমাৰ প্ৰায়সংখ্যক বিধায়কৰ ঘৰত ভেঞ্চাৰ স্কুলৰ শিক্ষকসকল সঘনাই আহে। তেওঁলোকৰো চিন্তাৰ যৱনিকা হ'ব। এই ভেঞ্চাৰ শিক্ষকসকলৰ প্ৰাদেশিকীকৰণৰ ক্ষেত্ৰত বাজেটত যি প্ৰতিফলন হৈছে, তাৰ বাবে মই বাজেটখনক আটাইতকৈ গুৰু ত্বপূৰ্ণ বুলি ভাৱো। আগৰ চৰকাৰৰ দিনত যি ঠিকাভিত্তিক শিক্ষকৰ নিযুক্তি হৈছিল তাত গাঁৱৰ আটাইতকৈ মেধা ছাত্ৰ জনকে ঠিকাভিত্তিক শিক্ষক হিচাপে নিযুক্তি দিয়া হৈছিল। আগতে তেওঁলোকক ১৫০০০ টকা বেতন দিয়া হৈছিল, কিন্তু এইবাৰ বাজেটত কোৱা হৈছে যে তেওঁলোকক ৬০ বছৰ বয়সলৈকে চৰকাৰী শিক্ষকৰ সমহাৰত দৰমহা দিয়াৰ ব্যৱস্থা কৰা হৈছে। টেট শিক্ষকসকলকো চৰকাৰী শিক্ষকৰ হাৰত দৰমহা দিয়াৰ কথা কোৱা হৈছে। সৰ্বশিক্ষাত প্ৰায় ১২-১৪ হাজাৰজন কৰ্মী আছে। টেট শিক্ষকক দিয়াৰ লগে লগে সৰ্বশিক্ষাৰ কৰ্মী এজনে মোক ফোন কৰি সুধিছে যে- 'টেট আৰু ঠিকাভিত্তিক শিক্ষকক চৰকাৰী শিক্ষকৰ হাৰত দৰমহা দিলে, কিন্তু আমাক কিয় নিদিলে?' গতিকে এই ক্ষেত্ৰত মাননীয় বিত্ত মন্ত্ৰী মহোদয়ে যদি বিবেচনা কৰে তেন্তে আমি নিশ্চয় ভাল পাম।

অধ্যক্ষ মহোদয়, বিত্ত মন্ত্ৰী মহোদয়ৰ 'প্ৰত্যাহ্বান' আঁচনিখন মই সদায় হৃদয়ংগম কৰোঁ। আমি আমাৰ বেছিভাগ ল'ৰা-ছোৱালীকে ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানসমূহত পঢ়াও। কিন্তু, গাওঁ অঞ্চলত আমি যদি দুখনকৈ প্ৰাথমিক পৰ্যায়ত আদৰ্শ স্কুল গঢ়ি তুলিব পাৰো, তেন্তে, ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানৰ লগত এটা প্ৰত্যাহ্বান গঢ়ি তুলিবলৈ সক্ষম হ'ম। ব্ৰিটিছৰ দিনৰ পিছত চৰকাৰৰ উদ্যোগত কোনো শিক্ষানুষ্ঠান গঢ় লৈ উঠা নাই, ৰাইজে নিজেই শিক্ষানুষ্ঠান পাতে, ১০ ৰ পৰা ২০ বছৰ ভেঞ্চাৰ স্কুল হিচাপে চলোৱাৰ পিছত প্ৰাদেশিকীকৃত স্কুল বুলি চাইন বোৰ্ড লগাই দি আমি আমাৰ দায়িত্ব শেষ কৰিছো। কিন্তু, এতিয়া চৰকাৰৰ উদ্যোগত বিজ্ঞান মহাবিদ্যালয় স্থাপন হৈছে আৰু সকলো প্ৰত্যাহ্বান গ্ৰহণ কৰিবৰ বাবে ২০০খন প্ৰাথমিক বিদ্যালয় স্থাপন কৰাৰ যি সিদ্ধান্ত লৈছে

তাৰ বাবে মই মাননীয় বিত্ত মন্ত্রী ডাঙৰীয়াক অভিনন্দন জনাইছো। ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানৰ ক্ষেত্রত আমি সকলোৱে জাঙুৰ খাই উঠো, কিন্তু, এই ক্ষেত্রত আমি সকলোৱে 'আকবৰ-বীৰবল'ৰ সৰল ৰেখা চুটি কৰা সাধুটো সদায় মনত কৰিব লাগে। আকবৰে এডাল সৰল ৰেখা অংকন কৰি তেওঁৰ প্রজাসকলক সেই ৰেখাডাল নুচুৱাকৈয়ে চুটি কৰিব দিছিল, তেতিয়া বীৰবলে নিজৰ বুদ্ধিমতাৰে সেই ৰেখাডালৰ সমান্তৰালকৈ আন এডাল দীঘল সৰল ৰেখা আঁকি দিছিল। গতিকে আমিও এনেদৰেই প্রত্যাহ্বান গ্রহণ কৰি সমাজ ব্যৱস্থা ঠিক কৰিবলৈ চেষ্টা কৰিব লাগিব।

**মাননীয় অধ্যক্ষঃ** Please try to conclude.

**শ্রী সত্যব্রত কলিতা (কমলপুৰ)ঃ** অধ্যক্ষ মহোদয়, আমাৰ বিধায়কসকলে নিশ্চয় কেইবাটাও কথা কৈছে। বাজেটত উল্লেখিত মোৰ আটাইতকৈ ভাল লগা কথাকেইটা মই ২ মিনিটৰ ভিতৰত কৈ শেষ কৰিব বিচাৰিম। 'প্রজ্ঞান ভাৰতী'ৰ যোগেৰে আমি ছাত্র-ছাত্রীসকলক যথেষ্ট উৎসাহ যোগাবলৈ সক্ষম হৈছো। খাদ্যৰ কথা উল্লেখ নকৰিলেও হ'ব। এই ক্ষেত্রত প্রতিটো দুখীয়া পৰিয়াললৈ ঔষধৰ যোগান, দালি-চেনি ইত্যাদি সামগ্রী যোগানৰ ব্যৱস্থাৰে একো একোটা দুখীয়া পৰিয়াল কিমানখিনি উপকৃত হৈছে, আমি সকলোৱে অনুভৱ কৰোঁ। ইয়াৰোপৰি, গুৱাহাটীত জ্যেষ্ঠ নাগৰিকসকলৰ বাবে বিনামূলীয়া বাছ সেৱাৰ যি ব্যৱস্থা কৰি দিছে, তাৰ বাবে মই ধন্যবাদ জ্ঞাপন কৰিছো। কিন্তু, মই যেতিয়া সমষ্টিলৈ যাওঁ তেতিয়া বহু জ্যেষ্ঠ নাগৰিক মোৰ ওচৰলৈ আহি কয় যে তেওঁলোকক একেলগে বহি টি.ভি. চাই সময় কটোৱাৰ বাবে club খুলি দিব লাগে। এই ক্ষেত্রত মই ভাৱো আজিকালি যিহেতু জ্যেষ্ঠ নাগৰিকসকলৰ বহুতো সন্থা হৈছে, গতিকে গাঁৱত বসবাস কৰা জ্যেষ্ঠ নাগৰিকসকলৰ মনোৰঞ্জন তথা আশ্রয়ৰ বাবে প্রতিটো সমষ্টিতে যদি অকণমান ঠাইৰ ব্যৱস্থা কৰাৰ বিষয়টো বাজেটত প্রতিফলিত হ'লে ভাল পালোহেঁতেন। নহ'লেও মই এই পৱিত্র সদনত কৈছো যে মোৰ সমষ্টিত MLA fund ৰে হ'লেও অন্ততঃ কেইটামান club বনাই দিয়াৰ ব্যৱস্থা কৰিম যাতে জ্যেষ্ঠ নাগৰিকসকলক ঘৰত অৱহেলিত বুলি জ্ঞান কৰা নহয়।

অধ্যক্ষ মহোদয়, আমাৰ গাওঁ অঞ্চলৰ বাসিন্দাসকলে প্রায়ে অভিযোগ আনে যে তেওঁলোকৰ বিদ্যুৎ সংযোগ কাটি দিয়া হ'ল, কিয়নো তেওঁলোকে বহুদিনলৈ Bill payment নকৰে। গতিকে, এতিয়া চৰকাৰে 30 unit কৈ বিদ্যুৎ ৰেহাই দিয়াৰ যি পদক্ষেপ লৈছে সেইটো এটা অতি সাহসী সিদ্ধান্ত গ্রহণ কৰিছে। ইয়াৰ জৰিয়তে বহুতো দুখীয়া পৰিয়াল উপকৃত হ'ব।

**মাননীয় অধ্যক্ষঃ** আপুনি আৰু আন বিষয় নল'ব, বাকীকেইটা বিষয় ভৰেন ভড়ালী ডাঙৰীয়াক দিয়ক। আপোনাক ক'বলৈ আৰু সময় দিলে ভৰেন ভড়ালী ডাঙৰীয়াই বেছি সময় নাপাব।

**শ্রী সত্যব্রত কলিতা, (কমলপুৰ)ঃ** হয় অধ্যক্ষ মহোদয়, মই আৰু এটা কথা কৈ শেষ কৰিম। যোৱাকালি প্রতিটো সমষ্টিতে এখনকৈ ভাল দলং নির্মাণৰ কথা কৈছিল। মোৰ কমলপুৰ সমষ্টিৰ হৃদপিণ্ডস্বৰূপ পুঠিমাৰী নদীখনৰ ভাঙি যোৱা মথাউৰিৰ নির্মাণৰ কাম প্রায় ৭০ কোটি টকাৰে জলসম্পদ বিভাগৰ উদ্যোগত কৰা হৈছে। সেই পুঠিমাৰী নদীৰ ওচৰতে বৰদেকপাৰ গাওঁ পঞ্চায়তখন আছে। সেই গাওঁপঞ্চায়তৰ কার্যালয়লৈ যাবলৈ হ'লে আমি ২০ কিঃমিঃ বাট ঘূৰি যাব লাগে। গতিকে, এই নদীখনৰ ওপৰত এখন দলং নির্মাণ কৰিব লাগে। চতুর্দশ বিধান সভাৰ প্রথম অধিবেশনতে মই উত্থাপন কৰিছিলো যে কমলপুৰ ৰাজহ চক্রৰ কার্যালয়টো ৰঙিয়া আৰু গোৰেশ্বৰত ভাগ ভাগ হৈ থকাৰ ফলত কাম কৰাত যথেষ্ট অসুবিধা হয়। গতিকে, তিনিটা মৌজা লৈ বিহদিয়া জাজীকণা block ৰ ওচৰত মই কমলপুৰ ৰাজহ চক্রৰ কার্যালয় গঠন কৰাৰ কথা কৈছিলো, এই কথাবোৰো নিশ্চয় সময়ত হৈ উঠিব। গতিকে, মই আশা কৰো আমাৰ চৰকাৰখনে এনেধৰণেৰে

আমাৰ প্ৰশাসনীয় ব্যৱস্থাটো তৃণমূল পৰ্যায়লৈ লৈ গৈ বিধায়ক সকলক কাম কৰাৰ সুযোগ দিব। মোৰ ক'বলগীয়া বহুত আছিল, মই আশা কৰো মোৰ পিছৰ বক্তাসকলে সেই কথাবোৰত নিশ্চয় দৃষ্টিনিক্ষেপ কৰিবলৈ সক্ষম হ'ব। এই বাজেটে পুনৰবাৰ অসমত এটা শ্ল'গান মনত পেলাই দিছে-

"বাজক ডবা, বাজক শংখ
বাজক মৃদং-খোল,
অসম আকৌ উন্নতিৰ পথত
জয় আই অসম বোল।"

আশা কৰোঁ এই বাজেটে সেই ধ্বনি অসমৰ জনসাধাৰণৰ মাজত লৈ যাবৰ বাবে সক্ষম হ'ব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** আপুনি এটা কথা কৈছে সেইটো হয় আৰু ময়ো অনুভৱ কৰো যে আমাৰ বাজেট ভাষণ খন দিয়াৰ পিচ দিনাৰ পৰা বাজেট বিতৰ্ক হয়, কিন্তু আমি যদি দুই-তিনি দিন মান ৰখি বাজেট বিতৰ্ক কৰিব পাৰিলোহেঁতেন। তেতিয়াহ'লে আমি নিজৰ নিজৰ বিধায়নী দলৰ মাজতো হাইলাইট কৰিবলৈ কেইটামান ভাব কৰি ল'ব পাৰিলোহেঁতেন। নহ'লে আমাৰ সকলো কথা ক'বলৈ মন যায়। কিন্তু সময়ো নাথাকে। ভৱিষ্যতলৈ এইটো কেতিয়াবা চাব লাগিব। পাৰ্লিয়ামেণ্টত হয়তো এনেকুৱা নিয়ম আছে। বাজেট দিয়াৰ দুই-তিনি দিন পিছত আলোচনা কৰিবলৈ দিয়ে। এতিয়া তৰুণ গগৈ ডাঙৰীয়াই কওঁক।

**শ্ৰী তৰুণ গগৈ, (তিতাবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি চাব লাগিব যে আমি যেতিয়া ক্ষমতালৈ আহিছিলো, অসমৰ অৰ্থনৈতিক অৱস্থা কেনেকুৱা আছিল। তেতিয়া আমাৰ দৰমহা দিবৰ বাবে আমাৰ যিখিনি উপাৰ্জন, সেইখিনি আমাৰ নাছিল। উন্নয়নমূলক কাম সকলোবোৰ বন্ধ হৈছিল। বেংক সকলো সময়ত বন্ধ আছিল, over draft আছিল। সন্ত্ৰাসবাদৰ কাৰণে চাৰিওফালৰ পৰা অসমত অশান্তি আছিল। সেই কাৰণে এনেকুৱা এটা অৱস্থা য'ত গুপ্ত হত্যা হৈছিল। আনকি বি জে পি চৰকাৰ সেই সময়ত কেন্দ্ৰত আছিল। চৰকাৰী চাকৰি দিয়াও বন্ধই কৰিছিল। তেনে এটা বেয়া দিনত আমি শাসনৰ দায়িত্ব লৈছিলো। ইয়াৰ আগতে অৱশ্যে মহন্তৰ দিনতো বেয়া অৱস্থা আছিল। আটাইতকৈ যদি লাকী মুখ্যমন্ত্ৰী বুলি কওঁ, তেতিয়া মই সৰ্বানন্দ সোণোৱালকে ক'ম। কাৰণ তেখেতৰ দিনত এতিয়া সন্ত্ৰাসবাদো বহু কমি গ'ল। আলফাই কওঁক, এন ডি এফেই কওঁক, কাৰ্বি আংলঙেই কওঁক, ডিমা হাছাৱেই কওঁক, অৰ্থনীতিৰ অৱস্থা টনকিয়াল হ'ল। চৰকাৰী চাকৰিয়াল সকলক দৰমহা দিবলৈ যিখিনি টকা লাগে, সেইখিনি আছিল। আমাৰ স্কুল-কলেজ, হস্পিতাল, খেলপথাৰ আদিৰ বাবে উন্নয়নমূলক কাম কৰিবলৈ যিখিনি টকা-পইচা লাগে সেইখিনি আছেই। কেৱল সেইটোৱেই নহয়, আজি যেতিয়া বিত্ত মন্ত্ৰী হ'ল, তেতিয়া টকা ১০ হাজাৰ থৈ গৈছিলো। তেখেতে কিন্তু আমাক ভুল আখ্যা দিছিল। তেতিয়া হোৱাইট পেপাৰ কৈছিল আৰু ১০ হাজাৰ টকা লোকচানত আছিল বুলি কৈছিল। কিন্তু ১ বছৰ পিছত যেতিয়া নুৰুল হুদা ডাঙৰীয়াই প্ৰশ্ন কৰিলে যে ৰিজাৰ্ভ বেংকত আমি যিদিনা চৰকাৰ এৰিলো, সেইদিনা কিমান টকা আছিল ? তেতিয়া তেখেতে উত্তৰ দিলে ১০,০৫৪ টকা থকা বুলি। তেখেতে কালিও কৈছে সেই সময়ত পেৰেলাইচিচ আছিল বুলি। কিন্তু পেৰেলাইচিচ একে দিনাই ভাল হয় নেকি ? হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া অহাৰ লগে লগে সেই বছৰতে পেৰেলাইচিচ একেবাৰে ভাল হৈ গ'ল। পেৰেলাইচিচৰ দায়ী তেওঁ ও হয়। কাৰণ সেই সময়ত তেওঁ ও মোৰ লগতে আছিল। অসম চৰকাৰৰ পেৰেলাইচচ হোৱাৰ কাৰণে যদি আমি দায়ী, তেওঁ ও দায়ী। মই সেই কথাটোকে ক'ব বিচাৰিছো। গতানুগতিক চৰকাৰ থাকিলে উন্নতি হ'বই। কিন্তু এইটো ও ঠিক

যে “বাজক দবা, বাজক শঙ্খ” এইটো আমাৰ দিনতে আৰম্ভ হ’ল আৰু উজ্বলিব লাগে। “বাজক দবা, বাজক শঙ্খ” আগতেও আছিল আৰু তাৰ বাবে মই কেন্দ্ৰীয় চৰকাৰকো ধন্যবাদ দিওঁ। মই বাজপেয়ী ডাঙৰীয়াকো ধন্যবাদ দিওঁ। তেওঁলোক বেলেগ দল হ’ব পাৰে, কাৰণ সেই সময়ত তেওঁ কেনেকৈ মোক সহায় কৰিলে সেইটো ৰেকৰ্ডত থাকিলে ভাল হয়। ভাৰত চৰকাৰক আমি যিখিনি অসম চৰকাৰে ২৫ শতাংশ অনুদান দিব লাগে সেইখিনি দিব নোৱাৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে তেওঁলোকৰ ভাগটো নিদিয়ে। তেতিয়া আমাৰ উন্নয়নত শূন্য হৈ গ’ল। সেইকাৰণে প্ৰফুল্ল মহন্ত ডাঙৰীয়া আৰু মই দৰমহা দিব নোৱাৰা হ’লো। তেতিয়া আমি একেদিনাই আহি ক’ৰ পৰা পইচা পাম। মই তেতিয়া বাজপেয়ী ডাঙৰীয়াক আমাৰ এই অৱস্থাৰ বিষয়ে ক’লো আৰু পইচা দিব নোৱাৰো বুলি ক’লো। মোক আপোনালোকে মাফ কৰি দিয়ক। আপোনালোকৰ ৭৫ শতাংশ টকাখিনি মোকলাই দিয়ক। নহ’লে মোৰ সমস্যা শেষ ন’হব, উন্নয়ন নহ’ব। আলফা আদি সংগঠনসমূহ আৰু বাঢ়িব। তেতিয়া বাজপেয়ী ডাঙৰীয়াই সমৰ্থন কৰিলে আৰু প্লেনিং কমিশ্যনলৈ পঠিয়াই দিলে। কাৰণ প্লেনিং কমিশ্যনে প্লেনিং কৰে। কিন্তু প্লেনিং কমিশ্যনে মানি নল’লে। তেতিয়া কমিশ্যনত কে চি পাল আছিল। কিন্তু তেওঁলোকে ক’লে যে আমি যদি অসমক দি দিওঁ বেলেগ ৰাজ্যও দিব আৰু সেইটোৰেই নহয়, তেওঁলোকে ক’লে যে অসমে যদি নিদিয়ে অসম ২৫ শতাংশ পিছুৱাই যাব। সেই কাৰণে তেওঁলোকক বাধ্য কৰাব লাগিব। তেতিয়া আমি পুনৰ বিপদত পৰিলো। তেতিয়া আমি কি কৰিলো সেইটোহে ক’ব বিচাৰিছো। সেইটো আজিও ক’তো হোৱা নাই। এতিয়ালৈকে হোৱা নাই। তেতিয়া আমি এটা বুদ্ধি কৰি। Deferred payment কৰিলো। আমি ক’লো আমি এতিয়া নিদিও। আপোনালোকে পেমেণ্টখিনি মোকলাই দিয়ক। মই আপোনাক Deferred payment কৰি দিম। তেতিয়া তেখেতে সমৰ্থন কৰিলে। তেখেতে Deferred payment নকৰা হ’লে আমি এই অৱস্থালৈ আহিব নোৱাৰিলোহেঁতেন। প্ৰথমে আমাৰো অসুবিধা হৈছিল। লাহে লাহে দিয়া আৰম্ভ কৰিলো। কেৱল এইটোৱে নহয়, তেতিয়া আমাৰ ড’নাৰ মিনিষ্টাৰ অৰুণ ট’ৰি আছিল। তেখেতে তেতিয়া আমাক চৰকাৰৰ ফালৰ পৰা সহায় কৰিব নোৱাৰো বুলি ক’লে। তেতিয়া আমি external added fund ল’লো। আমি এছিয়ান ডেভলপ্‌মেণ্ট বেংকৰ পৰা ধাৰ মাৰিবলৈ টকা আনিলো। ইক’নমিক মেনেজমেণ্টৰ কথাটো ৰেকৰ্ডত থাকিব লাগে। কাৰণ তেতিয়া আমি টকা আনিলো In the name of Finance management. ধাৰ মাৰিবলৈ বুলি ক’লে টকা নিদিয়ে। নহ’লে তেওঁ এতিয়া ট্ৰান্সপ’ৰ্ট বিভাগটো কেনেকৈ পাৰিলেহেঁতেন? ট্ৰান্সপ’ৰ্ট বিভাগ, পাৱাৰ জেনেৰেশ্যন এই সকলোবোৰ ধাৰতআছিল। তেতিয়াতো আৰু ধাৰ নিদিয়ে। আমি তেতিয়া এই ধৰণে কৰিছিলো। আজি অৱস্থা ভাল যদিও ভাৰত বৰ্ষৰেই অৱস্থা বেয়া। তেনেক্ষেত্ৰত অসমৰ অৱস্থা ক’ৰ পৰা ভাল হ’ব। হিমন্ত বিশ্ব শৰ্মা দেৱে যিমানেই ডাংকোপ নামাৰক কিয়, গোটেই দেশখনেই দেউলীয়া হৈ আছে। যাৰ কাৰণে এল আই চি, এয়াৰ ইণ্ডিয়া, গুৱাহাটী এয়াৰপ’ৰ্ট বিক্ৰী কৰিবলগীয়া হৈছে। নুমলীগড় শোধানাগাৰৰ কথাতো চলিয়েই আছে। আমাৰ দুটা কাগজ কল বন্ধ হৈ আছে। ৰেলৰে ষ্টেশ্যন বিক্ৰী কৰাৰ কথাও ওলাইছে। এনেকুৱা এটা অৱস্থা আহিছে যে কেইদিনমান পিচত আমাকো বিক্ৰী নকৰিলেই হ’ল। মই সেইখিনি কথাহে ক’ব বিচাৰিছো। আজি দেশৰ অৱস্থা একেবাৰে বেয়া। এই ক্ষেত্ৰত আমাৰ অসমত কি কৰিব লাগিব। আমাৰ অসমত এতিয়া যি বাজেট হৈছে, সেইটো Short sighted বাজেট। কেন্দ্ৰীয় বাজেট খনকো মই Short sighted বাজেট বুলি কওঁ। কেন্দ্ৰীয় বাজেটখনক তেওঁলোকে corporate ৰ মানুহখিনিক সুবিধা দিয়াতকৈ যদি সৰ্বসাধাৰণ মানুহৰ purchasing power বঢ়োৱাৰ প্ৰয়োজন

আছিল। purchasing power বঢ়িলে হে বস্তু কিনিব পাৰিব। আজি অসমৰ অৰ্থনীতি বা ভাৰতৰ অৰ্থনীতি কেনেকৈ বিচাৰ কৰিব? দোকানবিলাকলৈ গ'লে বিক্ৰী যদি ভাল হৈছে, তেতিয়া বুজিব যে অৰ্থনীতি ভাল হৈছে। দোকানৰ বিক্ৰী তেতিয়া হ'ব যেতিয়া সৰ্বসাধাৰণ লোকৰ purchasing power বাঢ়িব। এই সৰ্বসাধাৰণ মানুহৰ purchasing power বাঢ়িব হ'লে আজি আমি এনেকুৱা কিছুমান কাম কৰিব লাগিব যাতে আমি গাঁৱৰ ওপৰত আটাইতকৈ বেছি পইচা খৰচ কৰোঁ। বেছিভাগ মানুহ গাঁৱত আছে। গাওঁত যদি আজি আপোনালোকে বেছি খৰচ নকৰে, আজি হয়, কাৰোবাক ই মান টকা দিছে, ক'ৰবাত কিবা দিছে, এই অনুদানৰ পৰা দিয়ক। কিন্তু গাওঁৰ যদি সৰ্বসাধাৰণ কৃষক সকলৰ যদি উপাৰ্জন কৰিব পাৰো। আজি যদি আপোনালোকৰ বাজেটত দেখা যায়, পঞ্চায়ত আৰু গ্ৰাম্য উন্নয়নত পইচা খৰচ কম কৰিছে। আপোনালোকৰ যিখন হিচাপ আছে, তাতে দেখা যাব।পঞ্চায়ত আৰু গ্ৰাম্য উন্নয়নত আমাৰ হিচাপ আছে। ২০১৮-১৯ ৰ কথা কৈছো, এতিয়াও হয়তো একেটাই আছে।পঞ্চায়ত আৰু গ্ৰাম্য উন্নয়নত তেত্ৰিছ শতাংশ খৰচ কৰিছে। এইটো আপোনালোকৰে হিচাপ, মোৰ হিচাব নহয়। য'ত গাওঁত বেছিভাগ মানুহ থাকে, তাত যদি মই খৰচ নকৰো, সেইকাৰণে আটাইতকৈ বেছি পইচা ক'ত খৰচ কৰিব লাগিব, Agriculture ত কৰিব লাগিব, Irrigation ত কৰিব লাগিব, Horticulture ত কৰিব লাগিব, Poultry ত কৰিব লাগিব, Sericulture ত কৰিব লাগিব, Weaving তে হওঁক, ঠিক সেই ধৰণে আমাৰ যদি হ'বলৈ হয় তেতিয়াহলে flood and erosionৰ ওপৰত গুৰুত্ব দিব লাগে। আজি flood and erosion ৰ ওপৰত কেন্দ্ৰীয় চৰকাৰে যিটো গুৰুত্ব দিব লাগিছিল, সেইটো দিয়া নাই। বৰঞ্চ এতিয়া ওলোটাহে ক'ব বিচাৰিছে যে, ৰাজ্য চৰকাৰৰ resource য়ে manage কৰিব লাগে। কেনেকৈ পাৰিব? আগতে কেন্দ্ৰীয় চৰকাৰে কিছু দিছিল, সম্পূৰ্ণ দিছে বুলি কোৱা নাই, কিন্তু এতিয়া আকৌ তেওঁলোকে কৈছে যে, এইটো ৰাজ্য চৰকাৰেহে কৰিব, Disaster management ত অলপ টকা দিয়ে। কিন্তু বাকী বিলাক Disaster management অস্থায়ীভাৱে হয়। আজি সেই কাৰণে flood, Irrigation ৰ ওপৰত আজিও বাজেটখনত গুৰুত্ব দিয়া নাই। সেয়েহে আমি কৈছো যে, আমি য'ত গুৰুত্ব দিব লাগে, তাত গুৰুত্ব দিয়া নাই। উদ্যোগখণ্ডত দিব লাগিব। আজি উদ্যোগখণ্ডৰ অৱস্থা বেয়া। চাহ উদ্যোগ, কাগজ উদ্যোগ সকলোবিলাক উদ্যেগ খণ্ডৰ অৱস্থা বেয়া, গোটেই ভাৰতবৰ্ষতেই, মই কেৱল অসমৰে কথা কোৱা নাই। কাৰণ মানুহৰ purchasing power নাই, purchasing power নহ'লে উদ্যোগখণ্ড কেনেকৈ ভাল হ'ব? Purchasing power হ'লে উদ্যোগ আহিবই। যদি purchasing power নাথাকে, আমি যিমানেই বিজ্ঞাপন নকৰো, Advantage Assam নকৰো publicity নিদিও, কোনো লাভ নাই। যেতিয়া মোৰ purchasing power হ'ব, তেতিয়া দুটা চাৰ্ট কিনিম, কেতিয়াবা গাড়ী কিনিম, ঘৰ কিনিম। আজি ঘৰ কতো বিক্ৰী নাই, দোকান বিলাকৰ বিক্ৰী কমি গৈছে। তেতিয়াহ'লে নিযুক্তি ক'ত হ'ব? নিযুক্তিকৰণৰ অৱস্থা ইমান বেয়া, মই অকল ইয়াতেই কোৱা নাই, গোটেই ভাৰতবৰ্ষৰে কথা কৈছো। ঠিক এইধৰণে যদি চায়, ইয়াতেই ওলাইছে Prime Minister's Employment Generation Programme. গোটেই ভাৰতবৰ্ষত বেয়া। তাৰ ভিতৰত অসম কিন্তু lowest. এইটো তেওঁলোকে দিয়া figure ফিগাৰ। এইটো মই দিয়া figure নহয়। আপোনালোকে জানি এতিয়া বিচ্যুতি খাব, Deendayal Antyodaya Yojana- National Urban Livelihoods Mission. এইতো মোৰ হিচাপত নহয়, Government of India ৰ হিচাপৰ কথাহে কৈ আছো। তেওঁলোকে কৈছে,

Mission ত তেওঁলোকৰ ২০১৮-১৯ চনত প্ৰথমে এক লাখ আঠ হাজাৰৰ পৰা এতিয়া গৈ চৌৰাল্লিছ হাজাৰলৈ কমিলে। সেইটো মোৰ হিচাব নহয়। চৰকাৰতে যদি Livelihoods Mission. ত মাত্ৰ চৌৰাল্লিছ হাজাৰত প্লেছমেণ্ট হৈছে। অসমত কি পাব? গোটেই ভাৰতবৰ্ষত। সেইটো আমাৰ হিচাপ নহয়। ঠিক সেইদৰে Mahatma Gandhi National Rural Employment Guarantee Scheme তো আপোনালোকে যদি Mandate চায়, তেতিয়াহ'লে দেখিব তাত আগতে আছিল ২০১৮-১৯ চনত চাৰিছ হাজাৰ সাত শ চিয়ানব্বৈ তাৰ পৰা কমি বিছ হাজাৰ পাঁচ শ সাতাৰন্ন। এইধৰণে আকৌ যদি চায়, Deendayal Skill Development বুলি কয়। মই এইখন দি দিবলৈ পাৰো। এইতো Government of India ৰ হিচাপ, মোৰ হিচাপত নহয়, তেওঁলোকে হিচাপ কৰি দিছে। তেওঁলোকে decline কৰিছে। 'দীনদয়াল উপাধ্যায় গ্ৰামীণ কৌশল্য যোজনা' Skill Development ৰ কথা কৈছে। Decline কৰিলে কিমানৰ পৰা, numbers of person trained কৰিছিল, দুই লাখ চাৰি হাজাৰৰ পৰা নামি এক লাখ চৌসত্তৰ। এইবোৰ decline হে হৈছে। Placement কিমান হ'ব? এইটো ভাৰতবৰ্ষৰ হিচাপ। আজি সেয়েহে কৈছো, যে কিয় এইটো হ'ল? কাৰণ মানুহৰ যদি purchasing power নহয়, উদ্যোগ যদি নহয়, এই মানুহবিলাকে চাকৰি ক'ত পাব? আমি Skill Training ও দিব লাগিব common মানুহৰ purchasing power ত আমি বঢ়াব লাগিব। আজি আমি সেয়ে কৈছো, যে এই ধৰণৰ আমি যদি কৰো, নিশ্চয় আমি বাজেটখন এটা short term, long term হ'ব লাগে। Short term ও লাগিব, এইটো কোৱা নাই, যে Short term টো নালাগিব।

Long term visionary, যিটো infrastucture যদি নহয়। আজি যদি শিক্ষাৰ কথা মই কম। শিক্ষাক আজি এক নম্বৰ দিব লাগে শিক্ষা মন্ত্ৰীয়ে কৈছে যে তিনি হাজাৰ প্ৰাইমেৰী স্কুলত এজন এজন শিক্ষক আছে বুলি। এইটো মোৰ নহয়। প্ৰাইমেৰী স্কুলত তিনি হাজাৰত কৈছে এজন এজন। তোমাৰ টকাও আছে, তুমি কিয় employment বোৰ দিয়া নাই। হাইস্কুলবিলাকৰ শিক্ষক খালী আছে, কলেজ বিলাকৰ শিক্ষক খালী আছে। আজি যদি দিয়া নাই, অহাবাৰকে দিম। এই চাৰিটা বছৰত কিয় দিয়া নাই। আজি য'ত শিক্ষাক আটাইতকৈ গুৰুত্ব দিব লাগে আৰু সেইকাৰণে এইবাৰ কি হৈছে, Highest drop out in primary school in India, অসম। Highest drop out মোৰ নহয় এইবিলাক,তেন্তে আমি কি বুলি গৌৰৱ কৰিম। আজি আমি সেইটোৰে কৈছো যে হয়, স্কুল ঘৰ বিলাকৰ আজি কি অৱস্থা হৈছে। নামঘৰ দিছে মই বেয়া পোৱা নাই। স্কুল ঘৰ বিলাকো, নামঘৰবিলাকত কৈ কম গুৰুত্বপূৰ্ণ নহয়। প্ৰাইমেৰী স্কুল বিলাক, যিবিলাক পুৰণা স্কুলেই হওঁক, হাইস্কুল বিলাকেই কওঁক, কলেজ বিলাকেই কওঁক সেইবিলাকো দিয়ক। নামঘৰ দিছে ঠিক আছে, ক'ৰবাত হয়তো মছজিদকো দিছে, ক'ৰবাত দিছে দিয়ক। কিন্তু আজি স্কুল ঘৰবিলাকো প্ৰাইমেৰী আমাক দিয়ক। ঠিক সেইদৰে আজি হস্পিতাল বিলাকৰ infrastucture ও মই কৈছো। আজি বৰপেটা মেডিকেলেই কওঁক, যোৰহাট মেডিকেলই কওঁক বা তেজপুৰ মেডিকেল কলেজেই হওঁক এই infrastucture বিলাকক যদি আমি নিদিও, বিল্ডিংটো বনালেইতো নহ'ব। মেডিকেলত ডাক্তৰো লাগিব, নাৰ্চো ও লাগিব। ঠিক সেইধৰণে আজি medical facilities আৰু improve কৰিব লাগিব। কাৰণ আজি health is number one. সেইকাৰণে drinking water ৰ ওপৰত আমি গুৰুত্ব দিব লাগি ব আৰু drinking water কৰাৰ অৱস্থা ইমান বেয়া যে গুৱাহাটীতে আমি পানী দিব নোৱাৰো। আনকি জাইকা আমি যিখন কৰিছিলো ২০১৬ চনতে দিব লাগিছিল। কিন্তু আজিলৈকে দিয়া নাই। তাত হয়তো enquiry আছে, enquiry

কৰি লওঁক, enquiry টো বিচাৰিছিল মুখ্যমন্ত্ৰী শ্ৰীসৰ্বানন্দ সোনোৱালে। মোৰ বিৰুদ্ধেও বিচাৰিছে, এতিয়া নকৰে কিয়, সেইটো মই বুজি নাপালো। মই কৈছো যে সেইটো enquiry কৰক আৰু সেইটো নহয়। সেইটো পানী আজিলৈকে দিয়া নাই। যদি গুৱাহাটীতে পানী নাই তি তাবৰত মই পানী ক'ত পাম। গুৱাহাটীতেই পানী নাই, তিতাবৰত মই পানী ক'ত পাম, মাজুলীয়ে ক'ত পাব? মোৰ কেইটামান অঞ্চলত পানী দিয়াই নাই। দৈমাৰীয়ে এইবাৰ দিম বুলি কৈছে। এইবাৰ পইচা আহিছে বুলি কৈছে, আহিছেনে নাই মই নাজানো। পালেতো মই ভাল পাম। অকল মোকে নালাগে সকলোৰে পাওঁক এইটো টো মই কোৱা নাই, যে মইহে পাব লাগে। ঠিক সেই ধৰণে, আজি তেওঁলোকে দলং ৰ বাহ বাহ মাৰিছে, মাজুলীতে দলং এখনো হোৱা নাই, আৰ চি চি ৰ মই তাকে কৈছো । আমি দিলো ১৭ খন। ক'ৰবাত হৈছে যদি মই নাজানো। মই মাজুলীৰ কথা কৈছো। আজি ৰাস্তাঘাটৰ ক্ষেত্ৰত যোৰহাটত যদি সকলো ৰাস্তা ভালে আছে মোৰ ক'বলগা একো নাই। পানী যোগানৰটো জানেই, হয়, এতিয়া এখন অভাৰ ব্ৰীজ কৰিছে। মইতো কেৱল মোৰ কাৰণে বিচৰা নাই। মোৰ অঞ্চলৰ ৰাস্তা ঠিকেই আছে। কিন্তু ক'ৰবাত ক'ৰবাত বেয়া আছে। যিবিলাক বেয়া হৈ গৈছে, যেনে ধোদৰ আলীটো একেবাৰে বেয়া হৈ আছে। এইটোও কথা কলো, কেন্দ্ৰৰ পৰা যিখিনি টকা পাব লাগে, সেইখিনিওটো পোৱা নাই। কেন্দ্ৰীয় চৰকাৰেও দিয়া নাই। মই হিচাপ দি দিব পাৰো। কিন্তু মোৰ হাতত সময় নাই। তেখেত সকলে কেন্দ্ৰীয় চৰকাৰৰ পৰা বেছি টকা পোৱাই নাই। চন্দ্ৰমোহন পাটোৱাৰীহে কৈছে ১১শ নে কিমান বাছ আছে? তাৰে ৭৫০ খন মান চলাইছে বুলি তেখেতেই কৈছে, মই কোৱা নাই। ট'লগেটৰ কথা কোৱা হৈছে, ট'লগেট নোহোৱাকৈ ৪ লাইন হৈ আছিলে, এতিয়া কৈছে যে ট'লগেট নকৰা হ'লে পইচাকে নিদিওঁ। সেই কাৰণে মই এইটো ক'ব বিচাৰিছো আজি এইখন বাজেট short Sighted Budget কেৱল election oriented কৰিলেই লাভ নহয়, বৰঞ্চ ইয়াৰ পৰা মানুহৰ লোকচানহে হ'ব। কাৰণ ইয়াত basic যিটো Infrastructure বুলি কয়, যে কৃষকৰ ওপৰত দিয়া নাই। বাগানৰ কথা কৈছো, বাগানত তেখেত সকলে কৈছিল ৩৫০ টকা দিম বুলি, আজি ক'ত দিলে? ১০০ খন স্কুল দিছে। ট্ৰাইবে'ল বিলাকৰ Development Council ৰ কথা কৈছো। যোৰহাটৰ যিখন হোমিঅ'পেথিক কলেজ সেইখনো আজি বন্ধ কৰিব বিচাৰিছে। অধ্যক্ষ আছে, তেখেতৰ সমষ্টিতে মোৰ সমষ্টিত নহয়, আৰু সেইখনেই আটাইতকৈ পুৰণি কলেজ, য'ত হস্পিতালো আছে। আনত আকৌ expand কৰে আমাৰ তাত আকৌ ভাঙিব খুজিছে। চৰকাৰৰ বহুত অনুদান দিছে, কালি দিব্যাংগ (বিশেষ ভাৱে সক্ষম) যি সকল আছিল তেওঁলোকে বিৰোধিতা কৰিছে ১০০০ টকা যিটো পায়, সেইটো পোৱা নাই বুলি কৈছে আৰু কৈছে যে তেওঁলোকে ৪০০ মান পোষ্ট পাব লাগে, সেই পোষ্টবোৰো পোৱা নাই। সেই ক্ষেত্ৰত কেলেংকাৰী হৈছে। নামো দিছে কোনে কেলেংকাৰী কৰিছে, আৰু যোৱাবাৰ বিৰোধিতা কৰোতে, তেওঁলোকৰ ওপৰত লাঠিচালনা কৰিছে বুলিও কৈছে। তেওঁলোকেহে কৈছে মই কোৱা নাই। ঠিক সেই ধৰণে আজি যি Development Council আছে, এইবাৰ কৈছে। কিন্তু যোৱা ৪ বছৰে এই টকা বিলাকটো দিয়া নাই। আজি বড়োৱেই হওঁক বা বেলেগ জনজাতিয়েই হওঁক, ট্ৰাইবেলেই হওঁক, বাকীবিলাকৰো মই এইকাৰণেই কৈছো আৰু চৰকাৰে আগেয়ে যিবোৰ promise কৰিছিল সেইবোৰ যাতে পালন কৰে আৰু এইটোও বিচাৰিছো এইবাৰ যদিও নাই দিয়া যোৱা ৪ টা বছৰে, এইবাৰটো শেষ হ'ল। কিমানখিনি বাজেটত তেওঁলোকে আশ্বাস দিছিল কিমান কৰিলে, সোণ কিমানে পালে, তাকো মই নাজানো, সেয়েহে আজি আমি বিচাৰিছো, বৰং সামাজিক যিটো টেনশ্যন আনিছে, কা আনিয়েই হওঁক, আমি সেই কথাটোও কৈছো, এই সামাজিক চিন্তাৰ কাৰণে ভাৰতটো প্ৰভাৰ

পৰিছে, আমাৰ ইয়াতো হৈছে। সেইটো হৈছে সব কা চাথ সবকা বিকাশৰ কথা কৈছে, কিন্তু অসমত সকলোতো বিনাশেই হৈছে। মই সেয়েহে কৈছো, মই ভাবো , এই চৰকাৰে প্ৰকৃত উন্নয়নৰ কাৰণে , প্ৰকৃত আঁচনি ললে, অসমৰ উন্নতি হ'ব। তেনে আঁচনি লওঁক, তেনে আঁচনিত আমিও সমৰ্থন কৰিম ধন্যবাদ।

**মাননীয় অধ্যক্ষ মহোদয় ঃ-** ধন্যবাদ। এতিয়া কিশোৰ নাথ।

**শ্ৰী কিশোৰ নাথ (বৰখলা) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালি যি বাজেট আহিছে, এই বাজেট অসমৰ কাৰণে এখন ঐতিহাসিক বাজেট এনেকুৱা বাজেট আগতে কেতিয়াও অহা নাই বুলি মই ভাবো। সব কা চাথ সব কা বিকাশ, মই ভাবো এই কথাটো কালি বাজেটত অসমৰ ৰাইজে গম পালে। প্ৰত্যেক চেক্টৰত উন্নতি হৈ আছে , যেনেকৈ গড়কাপ্তানি বিভাগ, শক্তি বিভাগ, কৃষি বিভাগ, স্বাস্থ্য বিভাগ, শিক্ষা বিভাগ, জলসিঞ্চন বিভাগ, ফৰেষ্ট বিভাগ কোনো বিভাগেই বাদ পৰা নাই। প্ৰত্যেক বিভাগৰ উন্নতি হৈছে। কিন্তু বিৰোধী দলৰ কোনো কোনোৱে সহ্য কৰিব পৰা নাই, মানি ল'ব পৰা নাই। তেওঁলোকে ভাবি আছে, এই বাজেটো ভাল হোৱা নাই। যিটো অলপ কোনো ঠাইত যদি কোনো পইন্ট পাইছে, সেইটো পইন্টক লৈ বিৰোধী দলে কৈ আছে। কিন্তু ক'ত ক'ত ভাল হৈছে, কিমান ভাল হৈছে, চিন্তা ভাৱনা কৰা নাই অধ্যক্ষ মহোদয়, মই এটা কথা ক'বলৈ বিচাৰিছো ভগৱান শ্ৰীকৃষ্ণই কেতিয়াও মানুহক সুখী কৰিব পৰা নাই। আমাৰ মানুহৰ মনটো এনেকুৱা যে সকলোৱেই যিমান পূজা পাঠ কৰে কিন্তু শ্ৰীকৃষ্ণই সকলোকে সুখী কৰিব পৰা নাই। কিয়নো Human wants are unlimited মই কেইটামান পইন্ট মোৰ সমষ্টিক লৈ আৰু কেইটামান অসমক লৈ ক'ব বিচাৰিছো মোৰ সমষ্টি বৰাকভেলীৰ কথা কওঁ, আজিৰ পৰা বৰাকভেলী ক'ৰ পৰা ক'ত গৈ পালে? আগৰ দিনত বৰাকভেলী ক'ত আছিলে আৰু আজি ক'ত গ'ল? বৰাকভেলীৰ পৰা ওলাই আহোতে আমাক আগতে ১৫-১৬ ঘন্টা লাগিছিল, য'ত আজি কালি ৬-৭ ঘন্টা লাগে। তাৰমানে বৰাকভেলীৰ যাতায়ত একেবাৰে ভাল হৈ গ'ল। এইটো আমি মানিবই লাগিব। বি জে পি পাৰ্টীৰ হওঁক বা বিৰোধী পাৰ্টীৰ হওঁক, এই কথাটো মানিবই লাগিব, যিটো নেকি সচাঁ কথা। তাৰ ভিতৰত কৰিমগঞ্জত এটা মেডিকেল কলেজ, শিলচৰৰ যিখন মেডিকেল কলেজ আছে, সেই মেডিকেল কলেজক up-gradation কৰা হৈছে। কেঞ্চাৰ হস্পিতালক up-gradation কৰা হৈ আছে। মোৰ সমষ্টিৰ এটা কথা কওঁ মোৰ সমষ্টি আৰু শিলচৰ দুটাৰ ভিতৰত মাত্ৰ দুৰত্ব ৪০০ মিঃ। কিন্তু মই মোৰ সমষ্টিত যাবলৈ হ'লে ৩৫ কিঃমিঃ ঘূৰি যাব লগা হৈছিল। যোৱা ৭০ বছৰৰ পৰা। কিন্তু আমাৰ এইখন চৰকাৰ অহাৰ পাছত আমিও কথা দিছিলো, যাৰ কাৰণে কোৱাৰ আগতে, ধন্যবাদ দি লৈছো, আমাৰ মুখ্যমন্ত্ৰী মহোদয়ক আৰু আমাৰ বিত্ত মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্ম্মা ডাঙৰীয়াক আগতে মই ধন্যবাদ দি লৈছো। তেওঁলোকৰ কাৰণে আগতে আমাৰ সমষ্টিৰ মানুহে ৩৫ কিঃ মিঃ ঘূৰি যাব লাগিছিল । সেইটো আজি আৰু ৩৫ কিঃ মিঃ ঘূৰি যাব নালাগে। বৰাকৰ ওপৰত এখন দলং যোৱা ৫০ বছৰৰ পৰা এইটো সপোন আছিলে আমাৰ বৰখোলাৰ ৰাইজৰ মানুহৰ। এই ৫০ বছৰত কিমান মন্ত্ৰী বিধায়ক আহি গ'ল। সকলোৱে প্ৰতিশ্ৰুতি দিছিলে, কিন্তু সেই দলংৰ কাম কোনেও কৰা নাছিল। আমাৰ চৰকাৰ অহাৰ পাছত tender value ৭৮ কোটিমান হৈ tender খন হৈছে। এইকাৰণে আমাৰ মানুহ সুখী যে ৫০ বছৰৰ সপোনটো পূৰণ হ'ল। তাৰ লগতে অধ্যক্ষ মহোদয়, আৰু বহুত কাম তাত কৰিব বাকী আছে। Industry Department ৰ কথা যদি কওঁ বৰাক ভেলীত এটা Logistic Hub হ'বলৈ গৈ আছে। তাৰ কাৰণে Asian Development Bank ৰ পৰা এটা team আহিছে, তাত survey ও কৰি গ'ল আৰু আশা কৰিছো বৰাক ভেলীত এই Lo-

gistic Hub টো অতি সোনকালেই হ'ব। লগতে নতুন এখন Green Field Airport হ'ব বুলিও আমি আশা কৰি আছো। আপোনালোকে সকলোৰে জানে যে বৰাক নদীৰ খনন হোৱাৰ প্ৰধান কাৰণটোৰেই আছিল যে বাংলাদেশৰ পৰা কলিকতা হৈ জাহাজ আহিব শিলচৰলৈ। যেতিয়া এই কামবোৰ, উদ্যোগবোৰ setup হ'ব, নিৰনুৱা হৈ থকা বহুত লৰা-ছোৱালীৰ কৰ্ম সংস্থাপন হ'ব। এতিয়া এই যে development বোৰ হৈ আছে, সেইবোৰ ক'বও লাগিব আৰু মানিবও লাগিব। হাফলং আৰু বৰখলাৰ মাজত কিছু এলেকাত সন্ত্ৰাসবাদীৰ অসুবিধা থকাৰ কাৰণে বহুবছৰ ধৰি ৰাস্তাবোৰ বন্ধ হৈ আছিল আৰু এতিয়া আমাৰ চৰকাৰ অহাৰ পিছত দেখিছো যে তাত এতিয়া সন্ত্ৰাসবাদীৰ কোনো অসুবিধা নাই । এতিয়া তাত ভালদৰে কামবোৰ চলি আছে। মাননীয় অধ্যক্ষ মহোদয়, ডিমা হাচাও পাৰ হোৱাৰ পিছত চকু বন্ধ কৰিবলৈ মন যোৱা নাছিল। মাহুৰ, মাইবং, লামডিং, হোজাই, ডবকা, লঙ্কা, নগাওঁ আদিৰ ৰাস্তাবোৰ বহুত ধুনীয়া হ'ল। এইবোৰ চাই মনটো বহুত ভাল লাগিছিল । এই পৰিৱৰ্তন কিন্তু যোৱা ৪০ বছৰে হোৱা নাছিল। আমাৰ চৰকাৰৰ দিনত ৪ বছৰতে এই পৰিৱৰ্তনটো হৈছে। এনেকুৱা পৰিৱৰ্তন আৰু বহুত হৈছে অধ্যক্ষ মহোদয়, মই Water Resource Department ৰ দুই এটা কথা কৈছো। মই মোৰ সমষ্টিৰ কথাই প্ৰথম ক'ব বিচাৰিছো। যিদিনা মই প্ৰথম বিধায়ক হৈ আহো মোৰ সমষ্টিত flood আছিল আৰু সেইদিনাই মই flood চাবলৈ গৈছিলো। সেই পৰিপ্ৰেক্ষিতত প্ৰত্যেক বছৰে মানুহে তালৈকে কেমেৰা লৈ যায়, ফটো তোলে আৰু চাই আহে যে মানুহে তাত কি কষ্ট কৰি আছে। আমি তাত কথা দিছিলো যে যদি আমাৰ চৰকাৰ আহে তেন্তে সেইবোৰ বান্ধ মেৰামতি কৰা হ'ব। এতিয়া আজিৰ দিনত সদনে জানি সুখী হ'ব যে যিকেইটা নদী বান্ধ আছিল, যেনে- ৰায়পুৰ, মানিকপুৰ, নন্দীগ্ৰাম, ঘগ্ৰাপাৰ এই গোটেইকেইটা sanction, tender ইতিমধ্যে হৈ গৈছে আৰু এইকেইটাৰ কাম চলি আছে । তাৰ কাৰণে ৪৫ কোটি টকা sanction কৰা হৈছে। Flood control লৈ মোৰ সমষ্টিৰ ৰাইজে যি কষ্ট পাই আছিল আশা কৰো অহা বছৰৰ পৰা আৰু তেওঁলোকে সেই কষ্ট নাপায়। মাননীয় অধ্যক্ষ মহোদয়, মই যেতিয়া বিধায়ক হৈ আহিছিলো, মোৰ সমষ্টিত ৩০ শতাংশ electrified আছিল আৰু ৭০ শতাংশ আছিল অন্ধকাৰ। আজিৰ দিনত মোৰ সমষ্টিত মই ক'ব পাৰো যে ৯৫ শতাংশ electrified হৈছে আৰু ৫ শতাংশৰ কাম আজিৰ দিনত চলি আছে । যিবিলাক পাহাৰীয়া অঞ্চলত আমি electrification কৰিব পৰা নাই সেইবোৰ ঠাইত আমি solar ৰ ব্যৱস্থা কৰি দিছো। সেইবোৰ ঠাইতো electrical problem solve হৈ গ'ল। লগতে যদি মই health ৰ কথা কওঁ, health ৰ মাধ্যমত আমি অটল অমৃত অভিযান কাৰ্ড পালো, আয়ুস্মান ভাৰতৰ কাৰ্ডো পালো। সেই দুটা কাৰ্ডেৰে আজিৰ দিনত বহুত মানুহ উপকৃত হৈছে। বহুতে এই কাৰ্ডৰ মূল্যটো বুজি নাপায়। মই সভা সমিতিত কেতিয়াবা কওঁ যে আমাৰ চৰকাৰে দিয়া কাৰ্ড আপোনালোকৰ দৰকাৰ নহ'লেই ভাল। যিমান দিন পাৰে box ৰ ভিতৰত তলা মাৰি থৈ দিয়ক। মানুহৰ বিপদ কেতিয়া আহিব কোনেও নাজানে। অটল অমৃত অভিযানৰ জৰিয়তে ২ লাখ আৰু আয়ুস্মান কাৰ্ডৰ জৰিয়তে ৫ লাখ টকাকৈ মুঠ সাত লাখ টকা এজন মানুহৰ ঘৰত দি থোৱা আছে । এইবোৰ পৰিৱৰ্তন নহয় নেকি অধ্যক্ষ মহোদয়? বিৰোধী দলৰ কিছুমান মানুহে এইবোৰ নাচাই আমাক কিবাকিবি কৈ থাকে। মাননীয় অধ্যক্ষ মহোদয়, তাৰ লগতে মই P&RD বিভাগৰো কিছুমান কথা কৈ আছো। আমাৰ চৰকাৰ অহাৰ পিছত আমি ষাঠি বছৰৰ উৰ্দ্ধত যিমান বৃদ্ধ আছে সকলোকে বৃদ্ধভাত্তা ফৰ্ম দিছো। আমি বৃদ্ধভাত্তা ফৰ্ম দিয়াৰ সময়ত কাকো সোধা নাই যে আপুনি কোন পাৰ্টিৰ হয় বা কোন ধৰ্মৰ হয়? আমি 'সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস' এই নীতি পালন কৰিছো । অৰ্থাৎ ষাঠি

বছৰৰ উৰ্দ্ধত যিমান বৃদ্ধ আছে সকলোকে বৃদ্ধাভাত্তা ফৰ্ম দিয়া হ'ল আৰু সকলোৰে একাউণ্টত ডাইৰেক্টলী পইচাটো সোমাইছে । আগৰ দিনত মুখ চিনিহে বৃদ্ধভাত্তা দিয়া হৈছিল। আজিৰ দিনত কিন্তু তেনেকুৱা নহয় । ঠিক একেদৰে আমি বিধৱাভাত্তা ফৰ্ম ও দিছো। বিধৱাভাত্তা ফৰ্ম দিয়াৰ ক্ষেত্ৰতো আমি জাতি-ধৰ্ম বিচাৰ কৰা নাই। আৰু সকলোৱে ইয়াৰ পৰা উপকৃত হৈছে । একেদৰে Education ৰ ক্ষেত্ৰত ইউনিফৰ্ম, এডমিশ্যনৰ ক্ষেত্ৰটো আমি কাকো সোধা নাই । সকলোকে আমি সমান চকুৰে চাইছো । বিৰোধী দলৰ কিছুমানে কয় 'সবকা সাথ, সবকা বিকাশ' এইটো মুখৰ কথা কামৰ কথা নহয় । এইবিলাক কাম যদি 'সবকা সাথ সবকা বিকাশ' নহয় তেনেহ'লে বিৰোধীসকলে কোনটো কথা 'সবকা সাথ সবকা বিকাশ' বুলি ক'ব বিচাৰিছে । এই কথা মই প্ৰমাণ সহকাৰে কৈ আছো। বিৰোধীয়ে হওঁক বা আন কোনোবাই নকওঁক কিয় আজিৰ দিনত অসমৰ ৰাইজে কৈ আছে যে যোৱা চল্লিছ বছৰত কংগ্ৰেছ চৰকাৰে যিটো কৰা নাই, আমাৰ চৰকাৰে এই চাৰি বছৰতেই সেইবিলাক কাম কৰিলে। এইক্ষেত্ৰত এটা প্ৰবাদ আছে যে আমি ৰাতিপুৱা সদায় ভগৱানক প্ৰাৰ্থনা কৰি নিজৰ নিজৰ মনৰ কথা কওঁ, কিন্তু ভগৱানে সকলোকে সমানে নিদিয়ে। আমি সকলোৱে ভগবানক পূজা কৰো, প্ৰাৰ্থনা কৰো। কোনোবা মচজিদত যায়। কোনোৱা গীৰ্জাত যায়। সকলোৱে প্ৰাৰ্থনা কৰে। কিন্তু ভগবানে সকলোকে বৰাবৰ আৰ্শীবাদ দিছেনেকি অধ্যক্ষ মহোদয়। পূজাতো সকলোৱে কৰে। যিজন মানুহে ৰিক্সা চলায়, যিজন মানুহে হাজিৰা কাম কৰে, তেঁৰো পূজা কৰে। টাটা- বিৰলা কোম্পানীৰ মালিকো পূজা কৰে। কোনোবাই পূজা কৰোতে ৫৬ কে জিৰ লাড়ু দিয়ে কোনোৱা এটা নকুল বাতাসা দি পূজা কৰে। নিজৰ অন্তৰেৰে মানুহে ভগবানক পূজা কৰে। কিন্তু ভগবানেতো সকলোকে আৰ্শীবাদ সমানে দিয়া নাই। আজিৰ দিনত মানুহে কয় আমি এইটো পোৱা নাই, আমি সেইটো পোৱা নাই। পোৱা নাই বুলিয়েই আমাক মানুহে বেয়া পায় বা আমাৰ মানুহে মাননীয় মুখ্যমন্ত্ৰীক ,আমাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়াক কয়। সকলোকে বৰাবৰ আৰ্শীবাদ ভগবানেও দিব পৰা নাই। তেনেহ'লে আমাৰ মন্ত্ৰীয়ে কেনেকৈ পাৰিব। আমি কেনেকৈ পাৰিম । অলপতো কম বেছি থাকিবই, অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** Try to conclude.15 minute gone. বহু গৰাকীয়ে ক'ব।

**শ্ৰীকিশোৰ নাথ (বৰখলা) ঃ** শেষ কৰিছো অধ্যক্ষ মহোদয়, - উদাহৰণস্বৰূপে এজন পুজাৰীৰ কথাকে কওঁ। তেওঁ সদায় ভগবানক পূজা কৰে। তেওৰ হাতত বাহীও থাকে আৰু মালাও থাকে। তেওঁৰ পূজা কৰোতেই জীৱন গ'ল। তেও ভাবিলে মই ইমান পূজা কৰো ভগবানে মোক একো নিদিলে। আন কোনোবাই নিজে পূজা নকৰে পণ্ডিত বা পূজাৰীৰ হতুৱাই পূজা কৰে আৰু তেওঁকেই ইমান ধন সম্পত্তি দিয়ে। তেতিয়া তেওঁৰ অলপ খং উঠি গ'ল আৰু ভগবানৰ ওচৰত গৈ ক'লে যে " ভগবান তোকে ভজনাৰে ভয়ে গোপালা, লে তেৰে মুৰলী, লে তেৰে মালা"। এইবিলাক ভগবানক গতাই দি খঙতে ওলাই গ'ল। কিন্তু ভগবানে গম পালে যে এই ব্যক্তিজনে সচাঁকৈ পেটত ভোক লৈ পূজা কৰি আছে আৰু বেলেগ মানুহে পেটত ভোক নাই তেও দিনে ৰাতিয়ে কাম কৰি আছে। অধ্যক্ষ মহোদয়, কথাটো এনেকুৱা হ'ল যে, ভগবানে যেতিয়া দিয়ে সকলোকে সমানে নিদিয়ে। কিন্তু ভগবানৰ কাৰণে সকলো সমান। গতিকে মই বা আমাৰ চৰকাৰ কেনেকৈ সকলোকে সমানে দিব । অলপ কম বেছি হ'বই। অধ্যক্ষ মহোদয়, লগতে মই বিৰোধী দলকো কৈছো- আজিৰ দিনত যি কামবিলাক হৈছে সেইকামখিনিৰ বাবে অলপ এপ্ৰিচিয়েট কৰক। কৰবাত যদি অলপ কম বেছি হৈছে। এইটো আগন্তুক দিনত চোৱা হ'ব। আমাৰ মাত্ৰ ৪ বছৰ হৈছে। আগৰ চৰকাৰে ৪০ বছৰে কাম কৰিলে। তাৰ পিছত আজিৰ দিনত এই বিলাক কথা কৈ আছে। ৫০-৬০ বছৰতো আছেই।

আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈ থাকে - বৰাক-ব্ৰহ্মপুত্ৰ , পাহাৰ ভৈয়াম- আমাৰ বাবে সমান। এইটো আমি নিজে দেখিছো আৰু গোটেই আসমবাসী ৰাইজে দেখি আছে। গোটেই বিৰোধী দলেও চাই আছে। আগৰ চৰকাৰৰ দিনতো আমাৰ বৰাক বহুতো পিছ পৰি আছিল। এই ফালৰ মানুহ বৰাকৰ ফালে যাবলগীয়া হ'লে কয় Punishment Place. কিন্তু আজিৰ দিনত কাৰোবাক বৰাকলৈ ট্ৰেন্সফাৰ দিলে আপত্তি নকৰে। নাযাও বুলি নকয়, আনন্দমনেৰে যায়। আজিৰ দিনত বৰাকলৈ road comunication, train comunication ভাল হৈছে। মই মাননীয় মুখ্যমন্ত্ৰীক ধন্যবাদ জনাইছো লগতে মই বিত্ত মন্ত্ৰী মহোদয়কো ধন্যবাদ জনাইছো ইমান ভাল বাজেট অনাৰ বাবে। লগতে আমাক আৰু এটা ডাঙৰ প্ৰজেক্ট দিয়া বাবে। , এইটো হ'ল আমাৰ বৰাক ভেলীত Mini Secretariat দিয়া হ'ল। ইয়াৰ বাবে আমাৰ গোটেই বৰাক ভেলীৰ ৰাইজ আনন্দিত হৈছে। মই গোটেই বৰাক ভেলীৰ ৰাইজৰ ফালৰ পৰা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক আৰু আমাৰ বি জে পি চৰকাৰক এই পবিত্ৰ সদনত ধন্যবাদ জনাইছো। আজিৰ দিনত মই কওঁ যে কোনো চেক্টৰত মানুহ দুখত থকা নাই । কোনো মানুহৰ কাৰো লগত একে প্ৰব্লেম নাই। টি গাৰ্ডেনৰ জনসাধাৰণেও পাবলগীয়া খিনি সকলো পোৱা বুলি মই ভাবো। আগৰ বৃটিছৰ দিনত চাহ জনজাতিৰ লোকসকলক এনেকুৱা কৈ ৰাখিছিল যে তেওলোকক উন্নত হোৱাৰ পৰা পিছপৰি আছিল। তেওলোকক সাপ্তাহিক বেতন দিছিল আৰু তাত তেওলোকৰ বাবে এখন সাপ্তাহিক বজাৰ দিছিল। যি টকা পাইছিল সেই গোটেই টকাটো একেদিনাই খৰচ কৰিব লগীয়া হৈছিল। তেওলোকৰ সপোনবোৰ আছিল খুব বেছি এখন চাইকেল আৰু এটা ৰেডিঅ'। কিন্তু অধ্যক্ষ মহোদয়, আজিৰ দিনত তেখেতসকলৰ সপোনবিলাক ডাঙৰ হৈ উঠিছে । তেওলোকৰ কোনোবাই ইঞ্জিনিয়াৰ, কোনোবাই ডাক্টৰ হ'বলৈ বিচাৰিছে আৰু কোনোবাই আই এ এচ বিষয়া হোৱাৰো সপোন দেখিছে। তেওলোক অধিক উন্নত হ'বলৈ বিচাৰিছে। কিন্তু আগৰ চৰকাৰৰ দিনত এই সপোনবোৰ বাস্তৱ হোৱা নাছিল। কিন্তু আমাৰ চৰকাৰৰ দিনত এই সপোনবিলাক তেওলোক দেখিবলৈ পাইছে আৰু এতিয়া এই সপোনবোৰ দিঠক হোৱাৰ পথত । বিৰোধী দলে যিটো কৈছে সেইটো আমি মানিব নোৱাৰো , আজি গোটেই অসমৰ মানুহে চাই আছে। যোৱাকালি যি বাজেট উত্থাপন হ'ল সেইখন এখন ঐতিহাসিক বাজেট । ইয়াকে কৈ মই মোৰ ভাষণ সামৰিছো অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া দূৰ্গা ভূমিজ। টাইমটো বৰ কম আছে, সংক্ষেপে ক'ব।

**শ্ৰীদূৰ্গা ভূমিজ (ডুমডুমা) ঃ** অধ্যক্ষ মহোদয়, মই বিশেষ এটা কথা উল্লেখ কৰিব বিচাৰিছো। আমাৰ অসমৰ সোণোৱাল চাহ বাগিছা, আৰু সৰুপথাৰৰ বগীধলা বাগিছা, বৰাক উপত্যকাৰ হাতীসিলা চাহ বাগিছা আৰু গোলাপবাৰী বন্ধ হৈ আছে । ইয়াৰ ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰা ভাল। এতিয়া বাজেটৰ ওপৰত দুটা মান কথা ক'ব বিচাৰিছো। প্ৰথম কথাটো হ'ল মাননীয় বিত্তমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই মৰাণ জনগোষ্ঠীৰ সাজ পাৰ পিন্ধি নতুন বাজেট সদনত উত্থাপন কৰাৰ বাবে আমি ভাল পাইছো। এটা বিশেষ জনগোষ্ঠীৰ সাজ ইয়াত তেখেতে পিন্ধিছে কিন্তু সেই মৰানসকলৰ বাস কৰা এৰিয়াবিলাকৰ উন্নয়ন এতিয়াও হোৱা নাই। এতিয়া দ্বিতীয় কথাটো হ'ল উপাধ্যক্ষ ডাঙৰীয়া, স্কুলৰ প্ৰদেশীকিকৰণৰ বিষয়ে কৈছো। মোৰ তাত কৰ্দৈগুৰি নামৰ এখন বিদ্যালয় আছে। আচৰিত হ'ব উপাধ্যক্ষ মহোদয়, সেইবিদ্যালয়খনত ষ্টাৰ মাৰ্ক লৈ পাছ কৰে লৰা ছোৱালীয়ে প্ৰতিবছৰে। এই বিদ্যালয়খন প্ৰাদেশীকিকৰণৰ পৰা কেনেকৈ বাদ পৰি গ'ল। মই আশা কৰিম যিবিলাক বাদ পৰিছে সেইখিনি যেন অন্তৰ্ভুক্ত কৰা হয়। ইয়াৰ উপৰিও তাৰ কাষৰীয়া এটা হাইস্কুল , ধলাৰুৱা হাই স্কুলখনো বাদ পৰিলে। গতিকে স্কুলবিলাক কি কাৰণে বাদ পৰিলে বুজি পৰা নগ'ল।

তথাপি আমি আশা কৰিছো বাদ পৰা স্কুলখিনি প্ৰাদেশিকীকৰণ কৰিব চৰকাৰে। নতুবা সেইখন টিউটৰ হিচাপে বা ফাইনেন্সিয়েল এচিষ্টেন্স হিচাপে দিব লাগে। এইটো কথা কিন্তু বাজেটত আমি পোৱা নাই। যদিও আমি বাজেটত পোৱা নাই আমি আশা ৰাখিছো চৰকাৰৰ ওচৰত যে চলিত বাজেটত এইকথাটো অৰ্ন্তভূক্ত কৰা হ'ব। ইয়াৰ ওপৰিও আমাৰ দন্দুৰা সমষ্টিত লেখত লবলগীয়া বহু স্কুল বাদ পৰি গ'ল। কৰ্দৈগুৰি হাইস্কুল, ধলাতেৰা হাইস্কুল, বৰডুবি হাইস্কুল, ৰঙাজান হাই স্কুল, ৰূপাই চাহ বাগিছা হাই স্কুল, গাভৰুআটি হাইস্কুল, লংছোৱাল হাইস্কুল, ইত্যাদি বাদ পৰা এম ই স্কুলখিনি হ'ল - চাহ বাগিছাৰ ভিতৰত জয়ৰাম এম ই স্কুল, দিয়ামূল বাঘজান এম ই স্কুল, বিছাখোৱা খৰিজান এম ই স্কুল, চাপৰ তলি এম ই স্কুল , টংনাচ মধুৰ এম ই স্কুল , জকাই এম ই স্কুল, কৰ্দৈগুৰি এম ই স্কুল, টি গাৰ্ডেনৰ কাষৰীয়া এলেকাতো এল পি স্কুল কিছুমান ৰৈ গৈছে। ১ নং বেতাল গাও এল পি স্কুল, টিপক বাৰী এল পি স্কুল, বিশ্ৰামপুৰ এল পি স্কুল। এই স্কুলবিলাক আমাৰ তাত হোৱাটো অতি জৰুৰী। কি কাৰনে বাদ পৰিলে? আজি চাহ জনগোষ্ঠীৰ এৰিয়া বিলাকত উন্নয়নৰ কথা কোৱা হৈছে। বাজেটত উল্লেখ কৰা হৈছে। কিন্তু অতি জৰুৰী বিষয়বস্তু সমূহ তাত অৰ্ন্তভূক্ত নহ'ল। ২০০৬ চনত স্বীকৃতিপ্ৰাপ্ত হোৱা বিদ্যালয়বিলাক , হাইস্কুল বিলাক যথেষ্ট হাহাকাৰ সৃষ্টি কৰিছে শিক্ষকৰ মাজত ।মই আশা ৰাখিছো এইবোৰ ফাইনেন্সিয়েল এচিচটেন্স চৰকাৰে সোনকালে কৰিব ।১০০ খন হাইস্কুল প্ৰতিষ্ঠা কৰা হৈছে। ১ কি মি ২ কি মি দুৰত স্কুল প্ৰতিষ্ঠা কৰা হৈছে । মই আশা কৰিছো প্ৰয়োজনীয় আলোচনা বিলোচনা কৰি প্ৰয়োজন অনুসাৰে সেই স্কুল খিনি ল'ব। বাজেটত ১০০ খন হাইস্কুল দিয়াৰ কথা ক'লে, কেতিয়া হ'ব নাজানো কিন্তু তাত চাহ জনগোষ্ঠীৰ দুই জনকৈ নিবনুৱাক শিক্ষক হিচাপে দিলে ভাল আছিল। এইটো বাজেটত উল্লেখ কৰিলে ভাল আছিল। কিন্তু উল্লেখ নকৰিলে। গ্ৰেজুৱেট- পোষ্ট গ্ৰেজুৱেট চাহ জনগোষ্ঠীৰ নিবনুৱাৰ নিযুক্তিৰ বিষয়টো বাজেটত নাই। আমি ভাবিছিলো চাহ শ্ৰমিকৰ কাৰণে ইমান দৰদশীল চৰকাৰ ।কিন্তু চাহ জনগোষ্ঠীৰ শিক্ষিত নিবনুৱাসকলৰ কৰ্মসংস্থানৰ কোনো কথা বাজেটত উল্লেখ নাই। ৪৫০ টা বাগিছাৰ এল পি স্কুল আজি বেচৰকাৰী আছে । এইখিনি কোম্পানীয়ে চলাই আছে। সেই স্কুলবিলাক চৰকাৰীকৰণ কিয় নহ'ল? চৰকাৰে প্ৰাদেশীকিকৰন কৰিব লাগিছিল। আপুনি আচৰিত হ'ব বিগত চাৰি বছৰৰ আগৰ পৰা সেই এল পি স্কুল বিলাকত কোনো ধৰণৰ ইউনিফ্ৰম দিয়া হোৱা নাছিল। আজিও দিয়া হোৱা নাই। মাননীয় আমাৰ মন্ত্ৰী সঞ্জয় কিষাণে যেতিয়া বিধায়ক হিচাপে আছিল তেখেতে তেতিয়া মন্ত্ৰীক প্ৰশ্ন কৰিছিল। কিন্তু আজিও দিব পৰা নাই। গতিকে অকণ মান বৈষম্য হোৱা যেন অনুভৱ হৈছে। গতিকে এইটো দূৰ কৰিবলৈ মই অনুৰোধ জনাম। চাওক এই এল পি স্কুলত যিসকলে শিক্ষকতা কৰে তেওঁলোকৰ কোনো বুনিয়াদী ট্ৰেনিং নাই, তেওঁলোকৰ কলিতে নিঃ শেষ কৰিব বিচৰা হৈছে, গতিকে মই আশা ৰাখিম বুনিয়াদী শিক্ষাৰ কাৰণে আধুনিক শিক্ষা যাতে পায় তাৰ কাৰণে প্ৰাদেশীকিকৰণ কৰিবলৈ অনুৰোধ জনাইছো। চাহ-বাগিছাৰ হস্পিতাল অতি জৰাজীৰ্ণ, চৰকাৰী হস্পিতাল বিলাকো আজি ডাক্তৰ-নাৰ্চৰ অভাৱ, ঔষধৰ অভাৱ। আজি মই উল্লেখ কৰিব লাগিব যে এম্বুলেঞ্চ নাই, ইয়াৰ উপৰিও সেই বাগিছা বন্ধ উপক্ৰম হ'বলৈ গৈছে। গতিকে এইটোৰ চৰকাৰে দৃষ্টিগোচৰ কৰিব লাগিছিল আৰু বাজেটত আহিব লাগিছিল। কিন্তু নাই, মিছাকৈ চাহ বাগিছাৰ হস্পিতাল, লংচল হস্পিটাল, দৈদাম হস্পিতাল, তাৰাজান চাহ বাগিছাত হস্পিতাল বৃহৎ অঞ্চলত এই দৰে বাগজান, দিহামুলি, দাইচা, দুমুখীয়া, তিপৌ, বৰদূবি, বাংনাপাৰা, বকপাৰা, খুংচাং, দাঙৰি চাহ বাগিছা, তংলা আদি চিকিৎসালয় বিলাক অতি জৰাজীৰ্ণ অৱস্থা, উন্নয়নৰ কথা একো উল্লেখে নাই। ডাক্তৰ দিয়াৰ কোনো ব্যৱস্থা নহ'ল, ঔষধৰ কথা নকলে,

গতিকে আমি আশা ৰাখিছিলো কিন্তু হস্পিতাল বিলাকৰ কোনো ব্যৱস্থা গ্ৰহণ কৰা নহ'ল। বাগিছাবিলাকত অনাময় আঁচনিৰ কোনো ব্যৱস্থা হোৱা নাই। যিবিলাক এতিয়া অনাময় দিছে সেইবিলাক জৰাজীৰ্ণ, অতিকৈ বেয়া আৰু সেই অনাময় বিলাক আচলতে দিয়া নিদিয়া একেই কথা। গেছ দিয়াক লৈ ৰাজনীতি কৰা মই ভাল দেখা নাই। কাৰণ গেছটো দিয়া হ'ল কিন্তু Refiling কৰিবলৈ যাওঁতে শ্ৰমিকৰ মাজত হাহাকাৰৰ সৃষ্টি হয়, কাৰণ তেওঁলোকৰ পইচা নাই। গতিকে Refiling কৰিবৰ কাৰণেও বাজেটত পইচা লওঁক, দি থাকক মাহে মাহে গেছ, আমাৰ কব লগা নাই ভাল কাম, আগৰ চৰকাৰে কৰা নাই এইখন চৰকাৰে কৰক। গতিকে এইখিনি কথা উল্লেখ নাই। চাহ বাগিছাৰ বিজুলীৰ মাচুল দেখি আপুনি আচৰিত হ'ব, বহু বাগিছাৰ কোৱাটাৰত এতিয়া যিসকলে আছে তেওঁলোকে আচলতে বিজুলীৰ মাচুল আদায় দিব নোৱাৰাৰ কাৰণে বন্ধ কৰি দিয়া হৈছে, এতিয়া আন্ধাৰত থাকিব লগীয়া হৈছে। গতিকে মই আশা ৰাখিছো যে চাহ শ্ৰমিকৰ বিজুলী বিলৰ ৩০ শতাংশ বিলৰ কথা এটা আহিছে, কিন্তু এইযে Liabilities যিবিলাক আছে তেওঁলোকৰ, চৰকাৰে দিবনে, দিব পাৰিবনে, দিয়ক। চাহ বাগিছাৰ নিবনুৱাৰ কাৰণে ২৫ হাজাৰ টকা সেইটো পৰ্য্যাপ্ত নহয়। ইয়াতকৈ আৰু বেছি দিব লাগিছিল, তিনি বা চাৰি চকীয়া গাড়ী দিব লাগিছিল। নিবনুৱা আৰু পৰ্য্যাপ্ত পৰিমাণে পইচা ইয়াত অন্তৰ্ভূক্ত কৰিব লাগিছিল কিন্তু কৰা হোৱা নাই। ই মাত্ৰ এপাচি শাকত এটা জালুকৰ দৰে হৈছে। গতিকে এনেধৰণে উন্নয়ন সম্ভৱ নহয়। অসমত ৫১ টা কমিনিউটি চেন্টাৰ আছে, সেই চেন্টাৰ বোৰ একেইবাৰে জৰাজীৰ্ণ। যাৰ কাৰণে আজি তাত দৰমহা পোৱা নাই, তেওঁলোক ৰ কমিনিউটি চেন্টাৰ বিলাক বন্ধ হ'বলৈ গৈ আছে। গতিকে এইখিনি নজৰ ৰখাটো দৰকাৰ। বাজেটত সেইবোৰ উল্লেখ হোৱা নাই। এইখিনি গুৰুত্বপূৰ্ণ বিষয়। এইবিলাক এৰাই চলিলে চাহ শ্ৰমিকৰ উন্নতিৰ কথা কৈ থাকিলে নহ'ব। মই আশা ৰাখিছো, প্ৰথমে কলো বাগিছাবোৰ বন্ধ হৈছে সেই বন্ধ বাগিছাবোৰ খোলাৰ কাৰণে এটা ব্যৱস্থা গ্ৰহণ কৰিব লাগিছিল। ৰেচন কাৰ্ডৰ কথা কোৱা হৈছে, সকলো চাহ শ্ৰমিকৰ ৰেচন কাৰ্ড নাই। তাত ৰেচন কাৰ্ড বনোৱাৰ কাৰণে কোনো ব্যৱস্থাও নাই। তেওঁলোকৰ ৰেচন কাৰ্ড বনাওতে একাউন্টৰ কথা আহিছে, পাছবুকৰ কথা আহিছে। পাছবুক খোলাৰ কাৰণে তেওঁলোকে যথেষ্ট অসুবিধাৰ সন্মূখীন হৈছে। গতিকে মই আশা ৰাখিছো সবকা সাথ সবকা বিকাশ' তেতিয়াহলে শ্ৰমিকৰ বিকাশ হ'ব লাগিব। মই দীঘলীয়াকৈ কবলৈ বিচৰা নাই, পুনৰ ধন্যবাদ জনাই বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষ ঃ** আমি ইয়াৰ পিছত কমলাক্ষ্য দে পুৰকায়স্থক দহ মিনিট মান পিছত দিম বাৰু, যদিও পাঁচ মিনিটো নাই। আপোনালোকৰ আজি শেষ হ'ব। বি পি এফৰ বাকী থাকিল, তেওঁলোকে কালি মোৰ পৰা চুটি লৈ গৈছে আৰু এই আই ইউ ডি এফ ৰ আছে তিনিজন। কমলাক্ষ্য দে পুৰকায়স্থই যদি আজি নকয় মই বেয়াও নাপাও, যদি আজি কয় তেওঁ কওঁক। তাৰ পিছত আমি চাই লওঁ বাকী বিলাকৰ। মই এতিয়া সঞ্জয় কিষাণ আপুনি কবলৈ বিচাৰিছিল, আপোনাক কবলৈ অনুৰোধ কৰিছো।

**শ্ৰী সঞ্জয় কিষাণ, মন্ত্ৰী ঃ** ধন্যবাদ অধ্যক্ষ ডাঙৰীয়া, বাজেটৰ সম্পৰ্কে ইতিমধ্যে বিভিন্ন জনে মতামত দাঙি ধৰিছে। মই মাত্ৰ কেইটামান কথা ক'ব বিচাৰিছো যে সচাঁকৈ এই বাজেটখন আমাৰ অসমত বসবাস কৰা প্ৰত্যেকটো জাতি জনগোষ্ঠীৰ অন্তৰ চুই যাব পৰাকৈ এক বাজেট বুলি মই কব বিচাৰিছো। কাৰণ ইয়াত সকলো স্তৰৰ মানুহৰ কথা আন্তৰিকতাৰে চিন্তা কৰিয়ে এই বাজেটখন আমাৰ পবিত্ৰ বিধান সভাত কালি ৰখা হৈছে। মই এটা কথাই উপলব্ধি কৰিছো যে আমাৰ বহুত বেছি দিন হোৱা নাই। ২০১৬ চনৰ পৰা এই পবিত্ৰ বিধান সভাত আমি বিধায়ক হিচাপে আছো আৰু যোৱা বছৰো আমি বাজেট চাইছিলো আৰু যোৱাবাৰৰ যিখিনি বাজেটত আমি প্ৰতিশ্ৰুতি দিছিলো

সেইবোৰৰ প্ৰায়বোৰে ইতিমধ্যে পালন কৰা হৈছে। যাৰ কাৰণে আজি অসম খনত এটা আমূল পৰিৱৰ্তন সকলো ৰাইজে দেখা পাইছে। এই শ্ৰম বিভাগৰ জৰিয়তে আমি কেইবাটাও কাম আচলতে ৰাইজৰ বাবে সেৱা আগবঢ়াও আৰু তাৰে এটা বিভাগ হ'ল অসম গৃহ নিৰ্মাণ আৰু শ্ৰমিক কল্যাণ বোৰ্ড। এই বোৰ্ডৰ জৰিয়তে বিযেশভাৱে অসংগঠিত যিবিলাক শ্ৰমিক আছে, তেখেত সকলৰ প্ৰাপ্ত আধিকাৰৰ কাৰণে এই বিভাগে যথেষ্ট দায়িত্ব লৈ কাম কৰে। এই বিভাগটোৰ যোৱা দিনবোৰত বৰ বিশেষ শক্তিশালী নাছিল, বৰ্তমান চৰকাৰ খনে এই বিভাগটোক শক্তিশালী কৰি আচলতে শ্ৰমিক শ্ৰেণীৰ ৰাইজৰ অধিকাৰ খিনি দিবলৈ চেষ্টা কৰিছে আৰু বিশেষ ভাৱে মই বিত্ত মন্ত্ৰী ডাঙৰীয়াক অশেষ ধন্যবাদ দিছো। এইবাৰ এই বোৰ্ডখনক অধিক শক্তিশালী কৰি বিশেষভাৱে সেই খাতিখোৱা মানুহখিনিৰ কাৰণে এই বোৰ্ডখনক শক্তিশালী কৰিবলৈ চেষ্টা কৰা হৈছে আৰু য'ত যিসকল পঞ্জীয়নৰ দায়িত্বত আছে তেখেত সকলক উৎসাহিত কৰিবৰ কাৰণে বিভিন্ন সুবিধা প্ৰদান কৰিবৰ কাৰণে এই বাজেটত লক্ষ্য স্থিৰ কৰা হৈছে। গতিকে নিশ্চয় মই আশা কৰিছো যে বোৰ্ডখনে পুনৰ শক্তিশালী হৈ আৰু অধিক শ্ৰমিক ৰাইজৰ কাম কৰিবৰ কাৰণে সক্ষম হ'ব। ইতিমধ্যে প্ৰায় ৩০ হাজাৰ শ্ৰমিকক পঞ্জীয়নভূক্ত কৰিছো এই বছৰতে আৰু অহা ১৮ মাৰ্চ তাৰিখে আমি ৩০ হাজাৰ শ্ৰমিকক তেওঁলোকৰ বিভিন্ন শ্ৰম কল্যাণৰ যোগেদি যিখিনি তেওঁলোকৰ প্ৰাপ্য অধিকাৰ আছে সেই প্ৰাপ্য অধিকাৰ খিনি আমি গুৱাহাটীতে প্ৰদান কৰিম। সেয়া মোৰ বাবে ডাঙৰ অনুভূতি। মই আশা কৰিছো যে ইয়াত যিহেতু আৰু অধিক শক্তিশালী কৰিব পৰা যাব তেতিয়াহলে নিশ্চয় অহা দিনবোৰত আমি অধিক শ্ৰমিকক বিভিন্ন সা-সুবিধা বিলাক দিবৰ কাৰণে সক্ষম হ'ম। ইয়াত কম্পিউটাৰৰ ব্যৱস্থা নাছিল, ইতিমধ্যে আমাৰ চৰকাৰে এই কথা চিন্তা কৰিছে আৰু ইয়াৰ যোগেদি অন্যান্য আঁচনি সাঙুৰি ল'বৰ কাৰণে চেষ্টা কৰা হৈছে। প্ৰধান মন্ত্ৰী জীৱন জ্যোতি বীমা যোজনা আৰু প্ৰধান মন্ত্ৰী সুৰক্ষা বীমা আঁচনি ইয়াৰ লগত সাঙুৰি দিব বিচৰা হৈছে। লগতে বাৰ্ষিক স্বাস্থ্য পৰীক্ষা ডিবিটি অধীনত ৪০ বছৰতকৈ কম বয়সৰ প্ৰতিজন পঞ্জীয়ন ভূক্ত শ্ৰমিকলৈ ৩০ হাজাৰ টকা আৰু ৪০ বছৰতকৈ অধিক বয়সৰ লোকক ৫ হাজাৰ টকা এক আঁচনিৰ জৰিয়তে তেখেতসকলক সুবিধা প্ৰদান কৰা হ'ব। গতিকে মই আশা কৰিছো যে ইয়াৰ ফলত নিশ্চয় এই বিভাগটো অধিক শক্তিশালী কৰি অসমৰ যিখিনি শ্ৰমিক শ্ৰেণীৰ ৰাইজ আছে তেখেত সকলৰ কাৰণে বিভিন্ন ইটাৰ ভাটাত কাম কৰে, কোনোবাই ফেক্টৰীত কাম কৰে তেখেত সকলৰ কাৰণে ডাঙৰ এটা সুবিধা আমি আচলতে কৰি দিব পাৰিম। আচলতে কবৰ মন নাযায় মই কৈছো বিভিন্ন সময়ত আমাৰ বিৰোধী পক্ষত থকা বিধায়ক সকলে তেওঁলোকৰ মনৰ কথা খিনি কৈছে। মই আচৰিত হওঁ অধ্যক্ষ ডাঙৰীয়া, যে এই বিভাগটোত তেখেত সকলে এটা ডাঙৰ কাম কৰি থৈ গ'ল। মই তেখেত সকলক মনত পেলাই দিব বিচাৰিছো যিহেতু মই এই বিভাগৰ দ্বায়িত্ব লোৱাৰ পিছত বিভিন্ন শ্ৰম কাৰ্য্যলয় বিলাকত গৈছো। মই গৈ আচৰিত হৈছো আৰু আপোনালোকেও আচৰিত হ'ব যে এই যিবিলাক আঁচনি আছে আৰু আঁচনি বিলাকৰ বহুল প্ৰচাৰৰ কাৰণে তেওঁলোকে এটা ডাঙৰ কাম কৰি থৈ গ'ল। তেওঁলোকৰ চৰকাৰৰ দিনত ১২০ কোটি টকাৰ লিফলেট প্ৰিন্ট কৰি গ'ল। আপোনালোকে ভাবক অধ্যক্ষ ডাঙৰীয়া, এই বিভাগত দুখীয়া শ্ৰমিক সকলক যি সকলে নিজৰ তেজক পানী কৰি অসমৰ সেৱা কৰিবলৈ বৰ্তি থাকে, য'ত তেওঁলোকৰ উন্নয়নৰ কাৰণে এই পুঁজিৰে কাম কৰিব লাগে। আজি মই আচৰিত হৈছো যে অসমৰ যিকোনো শ্ৰম কাৰ্য্যালয় বিলাকত আপোনালোক যাওঁক একো একোটা ৰুমত এই লিফলেট বিলাক ভৰ্তি হৈ আছে । গতিকে তেওঁলোকে শ্ৰমিক সকলৰ হিতৰ কাৰণে কি চিন্তা কৰিলে আৰু ১২০ কোটি টকা অযথা এটা খৰচ কৰি দিলে অধ্যক্ষ ডাঙৰীয়া। গতিকে মই আশা কৰিছো এতিয়া যি

সুন্দৰ সুন্দৰ কৈ কথা কৈছে আৰু তেওঁলোকৰ আন্তৰিকতা আছে অসমৰ প্ৰতি, অসমত বসবাস কৰা প্ৰত্যেকটো জাতি-জনগোষ্ঠিৰ প্ৰতি। কিন্তু সেই সময়ত কিয় এনেকুৱা এটা ব্যৱস্থা কৰি থৈ গ'ল যাৰ কাৰণে অযথা কাৰণত এই কাগজ বিলাক পৰি আছে ১২০ কোটি টকাৰ, অসমৰ বিভিন্ন কাৰ্য্যালয় বিলাকত। এইটো হ'ব নালাগিছিল, এই টকা বিলাকৰ এটা সৰু অংশহে লিফলেট বনোৱাৰ বাবে ব্যৱহাৰ কৰিব লাগিছিল। যিবিলাক অসমৰ কাৰণে সঁচা অৰ্থত প্ৰচাৰৰ কাৰণে কামত আহিলেহেঁতেন। কিন্তু এইটো কিমান বছৰৰ কাৰণে বনাই দিয়া হ'ল যিটো নেকি আইনৰ বাহিৰত গৈ এই কামটো কৰা হ'ল । মই ক'ব বিচৰা নাছিলো কিন্তু তেখেত সকলে বিভিন্ন কথা কৈছে সেই গতিকে কৈছো আৰু এনেকুৱা ধৰণৰ বহুতো ভুল সেই সময়ত কৰি থৈ দিয়া হ'ল যাৰ কাৰণে হয়তো এই শ্ৰমিক ৰাইজে যথেষ্ট তেওঁলোকৰ ক্ষতি হ'ল । অধ্যক্ষ ডাঙৰীয়া, একেবাৰে সাধাৰণ পৰিয়ালৰ পৰা আহিছো । ইতিমধ্যে বহুত কথাই কৈছো, যোৱা দুটা বছৰত আমি বিশেষভাবে স্বাস্থ্য খণ্ডত দেখিছো যে আগত স্বাস্থ্যৰ কাৰণে কি অৱস্থা আছিল আৰু এতিয়া কি অৱস্থাত আছে। অটল অমৃত শিতানত আজি হাজাৰ হাজাৰ দুখীয়া ৰাইজে ইয়াৰ পৰা উপকৃত হৈছে। আজি ইয়াত প্ৰত্যেক জন বিধায়কে স্বীকাৰ কৰিব যে ৰাতিপূৱা হ'লে কোনোবা কেঞ্চাৰ, কিডনি, হাৰ্টৰ ৰোগী আহে আৰু আমি তেখেত সকলক যোৱা দিন বিলাকত হয়তো একো দিব পৰা নাছিলো । কিন্তু আজি আমি এখন ফৰ্ম দিছো । তেওঁলোকক এটা সহযোগিতা কৰিবৰ কাৰণে এটা ব্যৱস্থা কৰি দিছো। তেওঁলোকে গৈ অন্তত নিজৰ চিকিৎসা কৰিবৰ কাৰণে সক্ষম হৈছে। যোৱা দিন বিলাকত তেওঁলোকৰ যদি এনেধৰণৰ কিবা কঠিন ৰোগ হয় তেওঁলোকে সেই ৰোগী জনক ঘৰৰ বিছনাত পেলাই থোৱাৰ বাদে অন্য কোনো উপায় নাছিলে। আয়ুস্মান ভাৰত, আজি তেওঁলোকে প্ৰায় ৫ লাখ টকাৰ চিকিৎসা পাবৰ কাৰণে তেওঁলোকে সক্ষম হৈছে। সুহৃদ আঁচনিৰ জৰিয়তে ৰোগী সকলক কিবা এটা দিওঁ, তেওঁলোকে কিমান আশিৰ্বাদ দিয়ে আমিহে উপলব্ধি কৰো অধ্যক্ষ ডাঙৰীয়া । গতিকে আমাৰ চৰকাৰে কিবা এটা কৰিছে । যোৱা দিন বিলাকত এনেধৰণৰ কোনো ব্যৱস্থা নথকাৰ কাৰণে এই অসম খনত কিমান ল'ৰাই তেওঁৰ দেউতাক হেৰুৱালে, কিমান দেউতাকে নিজৰ পুতেকক হেৰুৱালে, তাৰ হয়তো হিচাব নাই । গতিকে নিশ্চয় এই যি ভাল কাম কৰা হৈছে আমাৰ মুখ্যমন্ত্ৰী, স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াই কেন্দ্ৰীয় চৰকাৰে এনেকুৱা আঁচনি দিয়াৰ বাবে সম্পুৰ্ণভাবে ১০০ শতাংশ কৰিবৰ কাৰণে আমি দায়িত্ব পালন কৰিছো । আমাৰ বিধায়ক সকলেও নিশ্চয় পালন কৰিছে আৰু তেওঁলোকেও নিশ্চয় উপলব্ধি কৰিছে যে যোৱা দিন বিলাক আমাৰ চৰকাৰ থকা হ'লে আমাৰ মানুহ বিলাক সহায় কৰিব পাৰিলোহেতেন। এই কথা স্বীকাৰ কৰিব লাগিব অধ্যক্ষ ডাঙৰীয়া। গতিকে আমি ইতিমধ্যে নিবনুৱা যুৱক সকলৰ কাৰণে আমাৰ চৰকাৰে যথেষ্ট চিন্তা কৰিছে আৰু আমি ভাবিছো যে আমাৰ যি সকল চাহ বাগিচাত ২৫ হাজাৰ টকাকৈ এটা ভাট্টা দিম কিন্তু এই যি সকল যুৱকক দিয়া হয় তেখেত সকলে কৰি থকা ব্যৱসায় বিলাক আগুৱাই নিবৰ কাৰণে আগ্ৰহ প্ৰকাশ কৰিব । চাহ বাগিচা হওঁক বা গাওঁৰ যুৱকেই হওঁক তেওঁলোকে এটা ব্যৱসায়িক দিশত গতি লাভ কৰিব বুলি এই আঁচনিৰ জৰিয়তে আশা কৰিব পাৰো । লগতে মই মাজতে এটা কথা ক'ব বিচাৰিছো অধ্যক্ষ ডাঙৰীয়া যে ATC ৰ অধীনত আমাৰ যি ১৫ খন চাহ বাগিচা আছে, মই এইবাৰ বাজেটত আশা কৰিছিলো মই দেখা নাই । অধ্যক্ষ মহোদয়, মই আশা কৰিম যে যোৱা চৰকাৰৰ পৰা ATC ৰ যিমান শ্ৰমিক আছিল, এই শ্ৰমিক সকলৰ PF ৰ ধন জমা হোৱা নাছিল। এই সময়লৈ তেওঁলোকে বঞ্চিত হৈ আছিল । এতিয়া ২০০ কোটিৰ অধিক PF ৰ টকা জমা হ'লহেতেন। অসম চৰকাৰৰ অধীনত ১৫ খন চাহ বাগিচা আছে । অসমৰ শ্ৰমিক সকলে নিজৰ

তেজ-পানী একাকাৰ কৰি এই সম্পত্তিবোৰ ৰক্ষা কৰি আছে । এই চাহপাতবোৰে সমগ্ৰ বিশ্বতে পৰিচয় দিছে। গতিকে শ্ৰমিক সকলৰ যিবোৰ অধিকাৰ পোৱা নাছিল আৰু বহুত শ্ৰমিকে PF ৰ টকা ন'পায় মৃত্যুবৰণ কৰিছে। যোৱা বছৰৰ পৰা আমাৰ অসম চৰকাৰে প্ৰথমবাৰৰ বাবে ১০০ কোটি টকা জমা দিছিল। বৰ্তমান সেই টকাটো আছে । এই চৰকাৰৰ এই ব্যৱস্থাটো উন্নতমানৰ কৰিবৰ বাবে দিহা পৰামৰ্শ দিব লাগে । অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ বিষয়ে কিছু কথা ক'ব বিচাৰিছো। মই যেতিয়া বিধায়ক হলো তেতিয়া মই গাওঁ বিলাকত গ'লো ইণ্ডিৰা আৱাস যোজনাৰ অধীনত যি সমূহ ঘৰ দিছিল তেতিয়া মই দেখিলো কিছুমান ঘৰ সম্পুৰ্ণ নকৰাকৈ থৈ দিছে । ৬০ শতাংশ কাম হোৱাৰ পিছত তাৰে টকাবোৰ আত্মসাত কৰিছিল। তেতিয়া মই মানুহ বিলাকক শুধিছিলো। তেতিয়া তেওঁলোকে ক'লে যে এইবোৰ আমাৰ আগৰ নেতাবোৰে কৰিছিল। তাৰ পিছত কি হ'ল আমি নাজানো। অধ্যক্ষ মহোদয়, যিহেতু সেই সকলৰ সপোন আছিল পকী ঘৰত থকাতো কিন্তু সিহতৰ সপোনবোৰ সপোন হৈ থাকিল । যেতিয়া আমাৰ চৰকাৰ আহিল এতিয়া মই আমাৰ সমষ্টিত সুন্দৰ সুন্দৰ ঘৰ বনাবৰ কাৰণে সক্ষম হৈছো। প্ৰধান মন্ত্ৰীয়ে যি আৱাস গৃহৰ ব্যৱস্থা কৰিছিল সেই যোজনাত চাহ বাগিচা বা সকলো সমষ্টিতে এই যোজনাটো দিবলৈ সক্ষম হৈছো। অসমত এই আমূল পৰিবৰ্তন হোৱা দেখা গৈছে । দুখীয়া মানুহবোৰৰ যিবিলাক আশা আছিল সেই আশাবোৰ পূৰণ কৰিব পাৰিছো। সকলো দুখীয়া শ্ৰেণীক আমি পকী ঘৰ দিব পাৰিছো আমাৰ চৰকাৰে। অধ্যক্ষ মহোদয়, PWD ত আমি অতি সাহসিকতাৰে কাম কৰিব পাৰিছো । যোৱা কাৰ্য্যকালত ৩০ কোটি টকা মোৰ সমষ্টিত ৰাস্তা ঘাট নিৰ্মাণ কৰিবৰ বাবে সক্ষম হৈছিলো । যদি মই চাও ১০-১৫ বছৰ আগত মোৰ বিধান সভা সমষ্টি তিনিচুকীয়াত ৩০ কোটি টকা খৰচ কৰা দেখা পোৱা নাই। আমি ৰাস্তা নিৰ্মাণ কৰিবৰ কাৰণে সক্ষম হ'লো। অধ্যক্ষ ডাঙৰীয়া, যদি পিছলৈ ঘূৰি চাওঁ তেতিয়া হ'লে দেখা যায় যে যোৱা ১৫/২০ বছৰেই ৩০ কোটি টকা মোৰ তিনিচুকীয়া বিধান সভা সমষ্টিত খৰচ কৰা হোৱা নাছিল ৰাস্তাৰ বিনিময়ত। সকলোবিলাক ৰাস্তা জৰাজীৰ্ণ অৱস্থাত আছিল। এটা সময় আছিল অধ্যক্ষ ডাঙৰীয়া, তেতিয়া দহ গাড়ি শিল যদি পৰে তাৰে পাঁচ গাড়ী মান শিল কৰবাত নাইকিয়া হৈ গৈছিল। কিন্তু এতিয়া আমি সততা আৰু নিষ্ঠাৰে এই ৰাস্তা বিলাকৰ পকীকৰণৰ ব্যৱস্থা কৰিছো। কেৱল গাওঁ বা চহৰৰে ৰাস্তা নহয় আমি চাহ বাগিচাৰ মাজতো পকী ৰাস্তা ইতিমধ্যে আগবঢ়াই নিছো যাৰ কাৰণে আজি চাহ বাগিচা বিলাকটো এটা ডাঙৰ পৰিবৰ্তন দেখিছো। এটা সুন্দৰ পৰিবেশ গঢ়ি উঠা দেখা পাইছো। ইতিমধ্যে আমাৰ প্ৰাক্তন মুখ্য মন্ত্ৰী ডাঙৰীয়াই ক'লে যে যোৱা দিন বিলাকত আমি ইয়াতকৈ বেচি টকা আনিছিলো। যদি বেচি টকা তেতিয়া অনা হৈছিল ,তেতিয়া হ'লে এতিয়া আমি কম টকাৰে ইমান বিলাক কাম কৰিছো। অধ্যক্ষ ডাঙৰীয়া , তেতিয়াই আমাৰ বাগানৰ ৰাস্তাৰ কাম বিলাক পকা হৈ যাব লাগিছিল। কিন্তু অতি দুখৰ কথা, তেতিয়া তেওঁলোকে কৈ যোৱা বেচি টকাবোৰ যিহেতু আহিছিল, তেন্তে এই টকা বিলাক ক'ত গল ? সেয়াওঁ আশ্চৰ্য্যৰ বিষয়। এই কাম বিলাক আমি দেখা নাপালো। আজি আমি আৰু এটা ভাল খবৰ পাইছো যে চাহ উদ্যোগৰ কৃষিৰ আয় কৰ তিনিবছৰৰ বাবে ৰেহাই দিয়াৰ ব্যৱস্থা যিটো হৈছে সেয়া সচাকৈ এইবাৰ এটা ডাঙৰ পদক্ষেপ বুলি মই ভাবিছো। যিহেতু চাহ উদ্যোগৰ পৰিস্থিতি বৰ্তমান বৰ সন্তোষজনক নহয়, চাহৰ মানদণ্ডৰ বাবে আমাৰ বিত্ত মন্ত্ৰীয়ে এই যিটো ব্যৱস্থা কৰিলে ইয়াৰ ক্ষেত্ৰত নিশ্চয় আমাৰ চাহ উদ্যোগ লাভান্বিত হ'ব। ইতিমধ্যে, পেট্ৰলৰ দাম যিহেতু ৫০ পইচা ৰেহাই দিয়া হৈছে, মই আশা কৰিছো,অসমৰ ৰাইজ নিশ্চয় উপকৃত হ'ব। অধ্যক্ষ মহোদয়, এইবাৰ যি বাজেট আহিছে তাৰ বাবে মই বিৰোধীদলৰ সদস্য সকলকো অনুৰোধ কৰিছো যাতে তেওঁলোকেও সহযোগিতা আগবঢ়ায়। যোৱাবাৰো তেওঁলোকে বাজেটৰ সোৱাদ পাইছে আৰু এই বাৰো পাব। আমি সকলোৱে মিলি

অসমখনক বিশ্বদৰবাৰত শক্তিশালী ৰূপত প্ৰতিষ্ঠা কৰিবলৈ কাম কৰি যাব লাগিব। ইয়াকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য বিমল বৰা।

**শ্ৰী বিমল বৰা (টিংখং) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ বিত্ত মন্ত্ৰী ডাঙৰীয়াই যি বাজেট উত্থাপন কৰিলে মই ভাবো অসমত বসবাস কৰা সকলো শ্ৰেণীৰ জাতি- জনগোষ্ঠীক এই বাজেট খনে চুই যাবলৈ সক্ষম হৈছে। সকলোৰে মনৰ আশা-আকাঙ্খা সমূহক বাস্তৱ ৰূপ দিয়াৰ বাবে যি চিন্তাৰে এখন গনতান্ত্ৰিক ৰাষ্ট্ৰত চৰকাৰ গঠন কৰা হয়, প্ৰকৃতাৰ্থতেই যেন যোৱা বাজেটখনে জনসাধাৰণৰ মনৰ সেই দৃষ্টিভংগী সদনৰ মজিয়াত উত্থাপন কৰি সকলোকে এক সন্মান প্ৰদৰ্শন কৰিবলৈ সক্ষম হ'ল। ভাৰতবৰ্ষৰ যি সাংবিধানিক বিধি ব্যৱস্থা আছে, সেই বিধি ব্যৱস্থাৰ জড়িয়তে প্ৰতেকজন নাগৰিকক এটা অধিকাৰ প্ৰদান কৰা হয়। সেইটো ভোট দানৰ অধিকাৰ। সেই ভোট দানৰ জড়িয়তে প্ৰত্যেকজন মানুহে মনৰ আশা-আকাঙ্খা, সপোন আদি প্ৰতিফলিত কৰে । লগতে বাস্তৱ জীৱনৰ লগত যি সংগ্ৰাম, সেই সংগ্ৰামৰ পথেদি আগুৱাই যাবৰ কাৰণে সমাজৰ স-হৃদয়তা , উপাদান আৰু অনুকৰণেৰে আমাৰ সমাজ জীৱন পৰিচালিত হয়। সেইকাৰণে মোৰ উপলব্ধি বেলট পেপাৰত যিটো টিপা মৰা হয়, টিপাটো কেৱল এজন বিধায়ক বা সাংসদ নিৰ্বাচনৰ বাবেই নহয়, বৰঞ্চ সেই হেচাটোত সোমাই থাকে এজন মানুহৰ সপোন, হাঁহি,কান্দোন, বেদনা , বুকুৰ বিষ, উদাস চাৱনি আদি। সকলোৰে সকলোৰে আশা কৰে যে আমাৰ জনপ্ৰতিনিধিজনে আমাৰ শেতা চাৱনিটো উপলব্ধি কৰক। জনসাধাৰণে আশা কৰে আমাৰ সেমেকা হাঁহিটো তেওঁলোকে উপলব্ধি কৰক।জনসাধাৰণে আশা কৰে জুইৰ কাষত যেতিয়া এহাল দম্পতীয়ে ৰন্ধা-মেলা, খোৱা-বোৱা কৰি থাকে, তাতে হোৱা কথা-বতৰা বিলাক চৰকাৰৰ মজিয়াত আলোচনা হওঁক। এনেধৰণৰ কথাৰে আচলতে তেখেত সকলে বিধায়ক সকলক নিৰ্বাচিত কৰে। যোৱা চাৰিটা বছৰে বিধান সভাৰ মজিয়াত থাকি যিখিনি কথা মই উপলব্ধি কৰিবলৈ সক্ষম হৈছো, মই ভাবো, মানুহৰ মনৰ কথাখিনি হৃদয়ঙ্গম কৰি আগুৱাই লৈ যোৱাৰ বাবে চৰকাৰে গ্ৰহণ কৰা আঁচনি সমূহক ফলপ্ৰসুভাৱে ৰূপায়ণ কৰি এখন সুস্থ সমাজ নিৰ্মাণ কৰাটোৱে হৈছে চৰকাৰৰ প্ৰথম আৰু প্ৰাথমিক দায়িত্ব। সেই কাম যোৱা চাৰিটা বছৰ ধাৰাবাহিকভাৱে মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ নেতৃত্বত গঠন হোৱা এই চৰকাৰখনে কৰাৰ কাৰণে সমৰ্থবান হৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, আমি যেতিয়া প্ৰথম বিধানসভালৈ নিৰ্বাচিত হৈ বিভিন্ন সভা-সমিতিসমূহলৈ অংশগ্ৰহণ কৰিবলৈ গলো তেতিয়া জনসাধাৰণে আমাক বিভিন্ন ধৰণৰ আবেদন দিয়ে। সেই আবেদন সমূহৰ মাজত দেখিছো কোনোবা এজন দুৰ্ভগীয়া পিতৃয়ে তেওঁৰ সন্তানৰ চিকিৎসাৰ বাবে চৰকাৰী সাহায্য বিচাৰি আবেদন জনাইছে, কোনোবা এজন দুৰ্ভগীয়া সন্তানে নিজৰ মাতৃৰ চিকিৎসা সাহায্য বিচাৰি আবেদন জনাইছে ,কোনোবা এজন পিতৃয়ে সন্তানটিক উপযুক্ত শিক্ষাৰে শিক্ষিত কৰাৰ জোখাৰে আৰ্থিক সাহায্য বিচাৰি আবেদন জনাইছে। মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ ক'ত জন্ম হৈছে মই ঠিক কৰা নাই। মোৰ মা কোন হ'ব, মোৰ দেউতা কোন হ'ব, মোৰ মা ধনী হ'বনে দুখীয়া হ'ব, মোৰ মা শিক্ষিত হবনে অশিক্ষিত হ'ব মই ঠিক কৰা নাই। কিন্তু এটা কথা ঠিক মই এগৰাকী মাতৃৰ গৰ্ভজাত সন্তান। সেই কাৰণে মোৰ পিতৃ-মাতৃয়ে মোক লৈ সপোন দেখে, মোৰ ভৱিষ্যত জীৱন সুখৰ হোৱাটো তেওঁলোকে কামনা কৰে। সেয়ে দৰিদ্ৰতা কাৰো জীৱনৰ অভিশাপ হ'ব নোৱাৰে। শ্ৰীমন্ত শঙ্কৰদেৱেও কৈ গৈছে যে- ধন্য ধন্য কলিকাল, ধন্য নৰতনু ভাল, ধন্য ধন্য ভাৰতবৰিষে। ভাৰতবৰ্ষত জন্মগ্ৰহণ কৰি কলিকালত আমাৰ জীৱন ধন্য হৈছে। আমি প্ৰাৰ্থনা কৰো যে- মৎস্য কুৰ্ম নৰসিংহ, বামণ পৰশুৰাম, হলিৰাম বৰাহ শ্ৰীৰাম, বুদ্ধ কল্কি নামে দশ,

আকৃতি ধৰিছা কৃষ্ণ, তযুপাৰে কৰোহো প্ৰণাম । কাৰণ এই ভাৰতবৰ্ষখনত দহবাৰ বিভিন্ন সময়ত ভগবানে অৱতাৰ গ্ৰহণ কৰিছিল। সেইকাৰণে আমি ভাৰতবৰ্ষখনক পুণ্যভূমি বুলি কওঁ, কৰ্মভূমি বুলি কওঁ,যোগ্যভূমি বুলি কওঁ। সেইকাৰণেই গুৰুজনে সমগ্ৰ ভাৰতবৰ্ষ ভ্ৰমণ কৰি কৈ গ'ল যে কলিকালত ভাৰতবৰ্ষত জন্মগ্ৰহণ কৰি আমাৰ জীৱন ধন্য হৈছে। কিন্তু উপাধ্যক্ষ মহোদয়, অতি পৰিতাপৰ বিষয়, দেশে স্বাধীনতা লাভ কৰাৰ ৭২ বছৰ হৈ গ'ল, মোৰ সমষ্টিটোত ৩০০ খন গাওঁ আছে, ইয়াৰ ১০৩ খন গাওঁত ৫০ শতাংশ বিদ্যুতৰ খুটা গৈ পাইছিলে আৰু ৯৯খন গাওঁত বিদ্যুতৰ খুটা গৈ পোৱা নাছিল। কিমান পৰিতাপৰ বিষয়। এই যি অৱস্থা সমগ্ৰ অসম, সমগ্ৰ দেশতেই একে। লাইটৰ পোহৰত অধ্যয়ণ কৰিবৰ বাবে প্ৰত্যেকটো ছাত্ৰ-ছাত্ৰী, প্ৰত্যেকটো সন্তানে আশা কৰে । নিজৰ পিতৃ-মাতৃয়ে আশা কৰে যে সন্তানটোৱে ভালধৰণে শিক্ষা-দীক্ষা গ্ৰহণ কৰি ভাল মানুহ হওঁক। কিন্তু আমাৰ শিক্ষক সকলেটো এইদৰে পৰীক্ষাত নম্বৰ মূল্যাঙ্কন নকৰে যে ইয়াতে কাৰেন্ট নাই কাৰণে ৬ বজাত শুই যায় আৰু ইয়াতে কাৰেন্ট আছে ৯ বজালৈকে পঢ়ে , গতিকে ৬ বজাত শুই যোৱা লৰাটোক অঙ্কত ৫ নম্বৰ বৈছিকৈ দিম। এনেকুৱা কোনো ব্যৱস্থা নাই। কিন্তু নিজৰ জীৱনটো সুন্দৰকৈ সজাবলৈ সকলোৱে বিচাৰে। প্ৰায় এটা বছৰ হও হও হৈছে। এই দিনকেইটাত তেখেতে কেইটামান বিন্দুৰ ওপৰত দেশখনক আগুৱাই লৈ যাব বিচাৰিছিল। সেইটো হৈছে সব কা স্বাথ, সব কা বিকাশ। অন্ত্যোদয়া সমাজৰ শেষস্তৰৰ ব্যক্তিৰ উন্নয়ন,সৰ্বব্যাপি, সৰ্বস্পৰ্শী সকলোতে যাতে চৰকাৰৰ আঁচনি গৈ পায় আৰু সকলোকে স্পৰ্শ কৰিব পাৰে আৰু দৰিদ্ৰ নাৰায়ণৰ সেৱক যাতে সেৱা কৰিব পাৰো। সেইকাৰণে আমাৰ ভোটতো বিধায়ক হিচাপে পঠিয়াইছে আৰু এই চাৰিটা নীতিৰ আধাৰত যোৱা দিনকেইটাত আমাৰ দুয়োখন চৰকাৰে গ্ৰহণ কৰা আঁচনিসমূহৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ পৰা আৰম্ভ কৰি বৃদ্ধ-বৃদ্ধালৈকে, যুৱক-যুৱতীৰ পৰা সমগ্ৰ সমাজ জীৱনখনত সকলোকে সন্মান প্ৰদান প্ৰদৰ্শন কৰিবৰ কাৰণে প্ৰচেষ্টা কৰা হৈছে আৰু সেই প্ৰচেষ্টাসমূহ যদি চাওঁ আমি দেখিম যে আমাৰ এই চৰকাৰে গ্ৰহণ কৰা আঁচনিসমূহৰ জৰিয়তে সেইসকলক সন্মান প্ৰদৰ্শণ কৰা হৈছে। আজি মই গৌৰৱ অনুভৱ কৰো যেতিয়া এখন চাহ বাগিছালৈ যাও, মোৰ মণতে সুখ অনুভৱ হয়, যোৱা দিন বিলাকত অসমৰ পৰিচাৰ্যৰ লগত সংক্ষিপ্ত হৈ থকা এটা জনগোষ্ঠি। যি জনগোষ্ঠিয়ে অসমৰ স্বাভিমান কঢ়িয়াই আনিবলৈ সক্ষম হ'ল। অসম বুলি কলে সমগ্ৰ বিশ্বৰ মানচিত্ৰত আমি এশিঙিয়া গড় আৰু চাহপাতকে বুজো। কিন্তু সেই চাহ অৰ্থনিতীৰ লগত, অসমৰ অৰ্থনিতীৰ লগত, ভাৰতবৰ্ষৰ অৰ্থনিতীৰ লগত মূৰৰ ঘাম মাটিত পেলাই ৰদ বৰষুণ সহি যিসকল লোকে অশেষ পৰিশ্ৰম কৰে, সেইসকল লোকৰ জীৱনৰ মাণদণ্ড উন্নিত হোৱাৰ ক্ষেত্ৰত যোৱা দিন বিলাকত কিন্তু বিশেষ পদক্ষেপ গ্ৰহণ কৰা নহ'ল। election ৰ সময়ত তেখেতসকলক ভোট হিচাপে গণ্য কৰা হ'ল। তেখেতসকলক মাৰ যিটো মমতাময় স্নেহ, সেই মমতাময় স্নেহৰ এগৰাকী যে মাতৃ হব পাৰে সেই কথাটো কোনো চৰকাৰে হৃদয়ঙ্গম নকৰিলে। এগৰাকী চাহ বাগিছা/ চাহ জনজাতিসকলৰ পিতৃৰ যে সপোন থাকিব পাৰে, সেই পিতৃসকলৰ তেনেধৰণৰ সপোনক বাস্তৱত ৰূপ দিয়াৰ ক্ষেত্ৰত কোনো পদক্ষেপ সন্মানসহকাৰে গ্ৰহণ নকৰিলে। চাহ জনজাতিৰ এটা সন্তানেও যে সপোন দেখিব পাৰে, ৰামধেণু আকিব পাৰে। সেই সপোনটোক লৈ আগুৱাই যাবৰ কাৰণে চৰকাৰে যে কিবা এটা উদ্যোগ গ্ৰহণ কৰিব লাগে, সেই কথা কিন্তু আন্তৰিকতাৰে গ্ৰহণ নকৰিলে। তেওঁলোকক কিন্তু election ৰ সময়ত কেৱল ভোট হিচাপে গ্ৰহণ কৰি এনে কিছুমান কথা কয় যিবিলাক কথা এখন আধুনিক সমাজৰ কাৰণে, এখন গণতান্ত্ৰিক ৰাষ্ট্ৰৰ কাৰণে গ্ৰহণ যোগ্য নহয়। election আহিলে তেওঁলোক কোৱা হয় যে হাততা নাহিলে কি ৰকম খাবা।

মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ সমষ্টিত প্ৰায় ২৫, ২৬ খন সৰু বৰ বাগিছা আছে। এখন

বাগিছা আছে শালমাৰী চাহ বাগিছা। সেই শালমাৰী চাহ বাগিছাতে জন্মগ্ৰহণ যুৱক এজনে এই বিধান সভাত টিংখঙ সমষ্টিৰ পৰা প্ৰতিনিধিত্ব কৰিছিলে। **৮** টা চাহ বাগিছাৰ লাইন আছে। কিন্তু **৮** টা লাইনৰ ভিতৰত **৫** টা লাইনতে যোৱা **৭০** বছৰত বিজুলী পোহৰ নপৰিলেগৈ। তাৰে **৮** টা লাইনৰ ভিতৰত বাৰঝা লাইন, খাৰিয়া লাইন, জঙ্গল লাইন, সুৰভি বজাৰ লাইন, মুৰা লাইন। দিবৈ এখন চাহ বাগিছা আছে, তাতে সাতটামান লাইন আছে। তাৰে **৫** টা লাইনত যোৱা **৭০** বছৰত লাইটৰ পোহৰ নপৰিলে। টিং লাইন আছে, ভুৰা লাইন আছে, **১০** নং লাইন আছে, গাঠিয়া লাইন আছে, গড় বস্তি আছে, প্ৰেম বস্তি আছে। নীলমনি বুলি এখন চাহ বাগিছা আছে, তাতে **৫** টা লাইন আছে, দুটা লাইন আধা আৰু তিনিটা লাইন একেবাৰে লাইট গৈ নাপালেগৈ। টিংখঙ বুলি যিখন চাহ বাগিছা আছে, তাতে তিনিটা ডিভিজন আছে। লাক্ৰীবাম ডিভিজন আৰু দিল্লীবাৰী খৃষ্টান ডিভিজন। সেই ডিভিজন কেইটাত লাইটৰ পোহৰ নপৰিলে। মাননীয় উপাধ্যক্ষ মহোদয়, সমগ্ৰ অসমৰ, সমগ্ৰ ভাৰত এই ব্যৱস্থা। সেই চাহ বাগিছাত জন্মহোৱা লৰা-ছোৱালী বিলাকে লাইটৰ পোহৰত জীৱনৰ সাধনা কৰাৰ তেওঁলোকে সপোন দেখে নে নেদেখে আৰু এই কাম আমি যোৱা চাৰে তিনিটা বছৰত সম্পুৰ্ণ কৰি তুলিলো। তাৰ কাৰণে নিশ্চিতভাৱে দৰিদ্ৰ নাৰায়ণৰ সেৱা সব কা স্বাথ, সব কা বিকাশ, সৰ্বব্যপি সৰ্বস্পৰ্শী আৰু অন্ত্যোদয়া যি ধাৰণা, সেই ধাৰণা চৰকাৰে আগুৱাই লৈ যাবলৈ সক্ষম হৈছো।

মাননীয় উপাধ্যক্ষ মহোদয়, মই আৰু এটা অনুভৱ কৰিব বিচাৰো যেতিয়া বিধায়ক হিচাবে আমি আহিলো তেতিয়া মই কলো কোনোৱাই দূৰ্ভগীয়া মাতৃয়ে কৈছে যে মোৰ একমাত্ৰ সন্তানটি কিডনি ৰোগত আক্ৰান্ত হৈছে। তেতিয়া ৰোগীজনৰ উন্নত চিকিৎসাৰ বাবে অৰ্থৰ বহুত প্ৰয়োজন। বিধায়ক হিচাপে আমাক নিৰ্বাচন কৰিছে গতিকে এখন দৰ্খাস্ত দিছে। আশা কৰিছে বিধায়কে কিবা দিব, কিন্তু আমি কৰ পৰা দিম, প্ৰথম অৱস্থাত আমি পকেটৰ পৰা দুই -চাৰিটকা দিলো, পকেটতো খালি হৈ গ'ল। মাননীয় মুখ্যমন্ত্ৰীৰ হাতত দৰ্খাস্তবিলাক দিলো। মুখ্যমন্ত্ৰীয়ে দেখিলে যে হয় এই সকল দৰিদ্ৰক কিবা সহায় কৰিব পাৰিলে ভাল। পিছত মুখ্যমন্ত্ৰীৰ সাহাৰ্য্য পুঁজিৰ পৰা চেক লিখি আমাক কলে যে তোমালোকে নিজে গৈ হাতে হাতে এই চেক সমূহ দিবাগৈ। আমিও উৎসাহৰে গলো যাৰ ফলত ঘৰখনত দূৰাৰোগত আক্ৰান্ত হৈ থকা পৰিয়ালটিত বিধায়ক গৈ পোৱাত অকনমান উৎসৱ মুখৰ পৰিবেশ হ'ল যে এখন দৰ্খাস্তৰ বিনিময়ত বিধায়ক নিজে আহিছে আৰু আমি কলো যে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ সাহায্য পুঁজিৰ পৰা আপোনালোকৰ আবেদনৰ বিপৰীতে এটা অৰ্থ সাহৰ্য্য দিছে। ভিতৰত আক্ৰান্ত হৈ থকা ৰোগী জনে সপোন দেখিছে যে আকৌ এবাৰ চিকিৎসালয়লৈ যাম, জীয়াই থকাৰ সপোন। যেতিয়া হাতত চেকখন তুলি দিলো আমাক ধন্যবাদ দিছে, মুখ্যমন্ত্ৰী ডাঙৰীয়াক আৰ্শীৰবাদ দিছে, চৰকাৰখনক ধন্যবাদ জনাইছে। তাৰ পিছত চেকৰ amount টো দেখি অলপ আগতে উৎজীৱিত হৈ থকা মুখবিলাক শেতা হৈ পৰিল আৰু চকুৰ কিনাৰেদি পানীৰ এটা কণিকা নিগৰি আহিল । এই চকুৰ কণিকা, তাৰো ভাষা আছে আৰু সেই ভাষাতোৰে আমাক হেচা মাৰোতে কৈছিল যে মাজে সময়ে আমাৰ চকুৰ কণিকা ওলাব পাৰে, ভাষাটো কিন্তু বুজিব লাগিব। এই চকুৰ ভাষা ভিত্তিতে সৃষ্টি হ'ল 'অটল অমৃত অভিযান' । মাননীয় উপাধ্যক্ষ মহোদয়, অটল অমৃত অভিযানৰ জৰিয়তে যোৱা দিনকেইটাত আমাৰ চৰকাৰৰ পৰা অৰ্থ সাহায্য লৈ প্ৰায় **৮৮** হাজাৰতকৈ অধিক লোক উপকৃত হৈছে। নিশ্চিতভাৱে এখন চৰকাৰে মানুহৰ হৃদয়ৰ লগত হৃদয়ৰ সম্পৰ্ক কৰাৰ কাৰণে চেষ্টা কৰিছে।

মেট্ৰীক পাছ কৰাৰ পিছত লৰাটোৱে ফুৰ্তী কৰে, কিন্তু ভিতৰত মাক -দেউতাকে আলোচনা কৰে যে অহা কালি লৰাটোক admission দিব লাগিব, তাৰ কাৰণে পইচা লাগিব। দেউতাকে কয়

যে মোৰ হাতত আৰু পইচা পাতি নাই তুমি যি কৰা কৰা। শেষত মাক গৰাকীয়ে উপায় দিয়ে যে মোৰ মাৰ ঘৰৰ পৰা অনা এৰি চাদঁৰ ভাজ নভঙাকৈ এতিয়াও দুখন সযতনে ৰাখি থৈছো, আপুনি চিন্তা নকৰিব। মমতা ময় মাতৃয়ে সন্তানক ভৱিষ্যতে ভাল নাগৰিক হোৱাৰ সপোন দেখি এই উপায় দিয়ে। আমাৰ চৰকাৰে এই জুই শালত পাতি থকা কথাও শুনিলে আৰু কৈছে আপোনালোকে চিন্তা নকৰিব এতিয়াৰ পৰা আপোনালোকৰ সন্তানৰ নামভৰ্তি কৰাৰ চিন্তা আমি ললো। যোৱা বাজেটত কোৱা হৈছে যে ডিগ্ৰীত **১৫০০** টকা আৰু পি.জি ষ্টুডেন্ট বিলাকক বছৰি **২০০০** টকালৈকে কিতাপ পত্ৰ কিনিবৰ কাৰণে তেওঁলোকৰ বেঙ্ক একাউন্টত ভৰাই দিম। এই কথা বিলাকৰ কাৰণে হৃদয়ৰ পৰা হৃদয়ৰ সম্পৰ্ক হ'ব লাগিব। কেৱল ৰাজনীতি কৰিলে নহ'ব, মানুহক ফুৰ্তী কৰাবলৈ শিকাব লাগিব, মানুহক জীৱন যাপন কৰিবলৈ শিকাব লাগিব।

অলপ দিনৰ আগতে এখন বাগিছালৈ গৈছিলো, বতৰ ডাৱৰীয়া জুলাই মাহ আছিল, আন্ধাৰ হৈছিল, খোজ কাঢ়ি গৈআছিলো কেইবাজনৰো লগত। বিপৰীত ফালৰ পৰা দুজনী সৰু ছোৱালী ফুৰ্তী কৰি কৰি আহি আছিল। মই দেখি ধেমালীতে সুধিলো সাজি কাচি ক'ত গৈছিলা। মই সুধিলো লিপিষ্টিক, নেলপালিচ কেতিয়াৰ পৰা লগাইছ। সিহতে হাঁহি উত্তৰ দিলে যে ৰাষ্টতো পকা হোৱা পৰাই লগাইছো। আমাৰ চৰকাৰে অনুভৱ কৰিছে যে চহৰৰ মানুহে যদি পকী ৰাস্তাৰে খোজ কাঢ়ি নিজৰ জীৱন যাত্ৰা আগুৱাই লৈ যাব পাৰিছে, তেন্তে ৭ লাখতকৈ অধিক জনসংখ্যাই বসবাস কৰা চাহ-বাগিচা অঞ্চলৰ লোকৰোপকী ৰাস্তাত খোজ কঢ়াৰ অধিকাৰ আছে। সেয়েহে, তেওঁলোকক বোকা ৰাস্তাৰে খোজকঢ়াৰ যন্ত্ৰণাৰ পৰা মুক্তি দিয়াৰ বাবে বিচাৰিছে। তাত পকী ৰাস্তাটো বনাই দিয়াৰ পিছত কণমাণিজনীয়ে ভৰিত nail polish লগাইছে, তাইক nail polish লগোৱা দেখি মাকজনীয়ে হাঁহিছে। সেই হাঁহিটো আমাৰ বাবে বহুত মূল্যবান। অধ্যক্ষ মহোদয়, মোৰ দুটামান অভিজ্ঞতাৰ বিষয়ে ক'ব বিচাৰিছো। মাননীয় সাংসদ ৰামেশ্বৰ তেলী ডাঙৰীয়া ডিব্ৰুগড়ৰ পৰা সাংসদ হিচাপে নিৰ্বাচিত হওঁতে তাৰ স্ফুৰ্তিত আমাৰ কাৰ্যকৰ্তাসকলক লৈ গান-বাজনা কৰি ৰেলী কৰিছিলো, বাগানে বাগানে চাহপাত তুলি থকা মানুহবোৰৰ ওচৰত গৈ তেওঁলোকৰ লগত 'আকৌ এবাৰ মোডী চৰকাৰ' ধ্বনিত নাচিছিলো। দুদিন পিছত এগৰাকী মহিলাই ফোন কৰি ক'লে- 'চাৰ, বহু দিন্‌কে পিছে হাস্‌লে তোৰ সংগে।' এই কথা শুনি মই আচৰিত হ'লো। আকৌ, আন এগৰাকীয়ে ক'লে- 'চাৰ, বহু দিন্‌কে পিছে মই নাচলে।' তেতিয়া মই ক'লো- 'আপোনালোকে দেখোন ভাদ মাহত কৰম পূজাত ঝুমুৰ নাচেই, এইটোনো কি হ'ল, এইটো কৰম পূজাত নচাৰ নিচিনাই নহয় নেকি?' তেতিয়া তেখেতে ক'লে- 'এইটো বেলেগ ধৰণৰ নাচ নাচিছো, আমি আগতেও ঝুমুৰ নাচিছো কিন্তু সিদিনা আপোনাৰ লগত আমি ভিতৰৰ পৰা নাচিছো।' গতিকে অধ্যক্ষ মহোদয়, তেখেতসকলৰ অন্তৰৰ পৰা ওলোৱা নাচৰ অনুভৱটো মই বুজিব পাৰিছো। চাহ-বাগিচা অঞ্চলবোৰত আগতে বিজুলীৰ সুবিধা নাছিল, আমি যেতিয়া বিজুলী সংযোগ দিলো, লাইটৰ switch টো দিয়াৰ লগে লগে সৰু কণমানি ল'ৰাটোৱে হাতচাপৰি বজাই আনন্দ কৰিছে, তাৰ আনন্দ দেখি মাকজনীয়ে লাজ লাজকৈ হাঁহিছে। তাৰ পিছত সেই বাগিচাৰ মাজত তেওঁলোকে নাচিছে। গতিকে হঁহা-নচা এই অনুভৱবোৰ মাননীয় সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ নেতৃত্বৰ চৰকাৰে হৃদয়ংগম কৰিবলৈ চেষ্টা কৰিছে।

অধ্যক্ষ মহোদয়, মই দুটামান খুব হৃদয়স্পৰ্শী কথা কৈ সামৰিম। এটা কণমানি ল'ৰা ৰাতিপুৱা ৯ বজাত উদাস দৃষ্টিৰে ৰাস্তালৈ চাই আছে, কিয়নো সি দেখিছে যে তাৰ লগৰবোৰ স্কুললৈ গৈ আছে। কিন্তু, তাৰ মাক-দেউতাকে তাক উপযুক্ত সময়ত কাপোৰ, কিতাপ-কলম হাতত তুলি দিব পৰা নাই। কণমানিটোৰ তেনে উদাস দৃষ্টি ঘৰৰ এটা কোণৰ পৰা তাৰ মাক-দেউতাকেও প্ৰত্যক্ষ

কৰিছে আৰু সেই উদাস দৃষ্টি প্ৰত্যক্ষ কৰি মাক-দেউতাকৰ বুকুত সৰুকৈ বিষ হৈছে- 'ইস্! আজি যদি আমি আৰ্থিকভাৱে সামৰ্থ হ'লোহেঁতেন, আমাৰ ল'ৰাটোৱে উদাস দৃষ্টিৰে তাৰ সহপাঠীসকলক চাবলগীয়া নহ'লহেঁতেন।' অধ্যক্ষ মহোদয়, তেওঁলোকে বেলটত মৰা হেঁচাটো সামান্য, ই হয়তো গোলাপ ফুল এপাহ গালৈ মাৰিলে যিমান জোৰত পৰিব, তাতকৈ কম জোৰেৰে পৰে। কিন্তু, তেওঁলোকে মৰা এই হেঁচাটোৰ আঁৰত কিমান ভাষা, কিমান অনুভৱ সোমাই থাকে, এই সকলো কথাবোৰ আমি উপলব্ধি কৰাটো বিচাৰিছে। তেওঁলোকৰ এনে উদাস দৃষ্টি আৰু বুকুৰ বিষ উপলব্ধি কৰিবলৈ আমাৰ চৰকাৰেও সক্ষম হৈছে। এই উপলব্ধিৰ ফলস্বৰূপে সমগ্ৰ অসমৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ পিতৃ-মাতৃৰ দৰিদ্ৰতা নেওচি বিভিন্ন বাধাৰ পৰা মুক্ত হৈ হাঁহি হাঁহি শিক্ষা গ্ৰহণ কৰিবলৈ আগুৱাই গৈছে, ৰামধেনু আঁকিবলৈ গৈছে, উচ্চাকাংক্ষা ৰাখিবলৈ শিকিছে। মই 'অটল অমৃত অভিযান'ৰ লগত সংগতি ৰাখি কথা এটা ক'ব বিচাৰিছো। হাস্পতালত ৰোগী এজনৰ উচ্চমানৰ চিকিৎসাৰ বাবে ডাক্তৰে যেতিয়া আৰু ৫০ হাজাৰ টকাৰ প্ৰয়োজন হ'ব বুলি কয়, তেতিয়া ৰোগীজনক হাস্পতালতে থৈ মাক-দেউতাকে ঘৰলৈ আহি তেওঁলোকৰ শেষ সম্বল দুবিঘা মাটি বিক্ৰী কৰাৰ কথা ভাৱে আৰু সেই উদ্দেশ্যেৰে যেতিয়া আৰ্থিকভাৱে সবল লোকজনৰ ওচৰলৈ যায়, তেতিয়া সেই লোকজনেও ৫০ হাজাৰ টকা মূল্যৰ মাটিখিনি ৩০ বা ২৫ হাজাৰ টকা মূল্য দিবলৈহে মান্তি হয়। ফলত উপায়বিহীন হৈ অতি কম মূল্যতে মাটিখিনি বিক্ৰী কৰি থৈ আহে যাতে সেই টকাৰে চিকিৎসা কৰিব পাৰে। গুৰুজনাই কৈ গৈছিল-'ধন্য ধন্য কলিকাল, ধন্য নৰতনু ভাল, ধন্য এই মানৱী জীৱন'। সন্তানক নতুন জীৱন দিয়াৰ বাবে যি দুৰ্ভগীয়া পিতৃয়ে তেওঁৰ শেষ সম্পদ মাটিখিনি বিক্ৰী কৰিব ওলাইছে, তাৰ বিপৰীতে ধনী মানুহজনে নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে দৰ-দাম কৰি ৫০ হাজাৰ টকা মূল্যৰ মাটিত ২৫ হাজাৰ টকা মূল্য দি সেই দুৰ্ভগীয়া পিতৃক উপলুঙা কৰিছে, তেওঁক অসন্মান কৰিছে। গতিকে, এখন সুস্থ গণতান্ত্ৰিক ৰাষ্ট্ৰত এই অনুভৱবোৰ উপলব্ধি কৰি আমি আগুৱাই যাব লাগিব। সেয়েহে, মোডী ডাঙৰীয়াৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰ আৰু মাননীয় সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ নেতৃত্বত ৰাজ্য চৰকাৰে বিগত দিনকেইটাত যিদৰে কাৰ্যনিৰ্বাহ কৰিলে, যোৱাকালি উত্থাপন হোৱা বাজেটৰ প্ৰতিটো পৃষ্ঠাৰ প্ৰতিটো শব্দতে এই কথাবিলাক নিহিত হৈ আছে। কাগজৰ প্ৰত্যেক পৃষ্ঠাত মানুহৰ উপলব্ধি, অনুভৱ, শ্ৰদ্ধা, ভক্তি, ভালপোৱা, আত্মসন্মান, মৰ্য্যদা- এই গোটেই কথাবোৰ সন্নিবিষ্ট কৰি আগন্তুক দিনত অসমত বসবাস কৰা সকলো জাতি-জনগোষ্ঠী, খিলঞ্জীয়া, ভাষা-সংস্কৃতিৰ পৰা আৰম্ভ কৰি সকলোকে শক্তিশালী ৰূপত আগুৱাই নি এটা স্বাভিমানী জাতি নিৰ্মাণ কৰাৰ ক্ষেত্ৰত এই চৰকাৰে যি পদক্ষেপ লৈছে তাৰ বাবে মই ধন্যবাদ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিছো। ধন্যবাদ। জয় আই অসম। ভাৰত মাতা কী জয়।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

আমাৰ সময় প্ৰায় শেষ হ'ব হৈছে। মোৰ হাতত "Assam Science &Technology University (Amendment) Act এখন আছে, তাত দুজন সদস্য দিব লাগে, এজন শাসক পক্ষৰ আৰু আনজন বিৰোধী পক্ষৰ। গতিকে, মই Parliamentary Affairs Minister ক, on behalf of the Education Minister, এইটো move কৰিবলৈ কৈছো। আজি এইখন pass কৰি থওঁ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** Hon'ble Speaker Sir, I beg to move that this House do now elect 2 (two) Members of the Assam Legislative Assembly from among themselves to be the

Member of "Assam Science & Technology University" under Section 16 (1) (B) (10) of the "Assam Science & Technology University (Amendment) Act, 2011". Members so elected shall hold the Office for a period of 3 (three) years from the date of their election under Section 16 (1) (B) (10) of the 'Assam Science & Technology University ( Amendment) Act, 2011'.

**माननीय अध्यक्षः** আপোনালোক সকলোৱে গম পাইছে ১০ মাৰ্চ তাৰিখে বন্ধ বুলি ঘোষণা কৰা হৈছে। গতিকে ১১ মাৰ্চ বুধবাৰে আমি সকলোৱে পুৱা ৯ঃ৩০ বজাত পুনৰ মিলিত হ'ম।

কাৰ্যসূচী অনুসৰি এতিয়া সদন স্থগিত ৰখা হ'ল।